# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbarua | |
| Title: বাঁহী | |
| Transliterated Title: Baahi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1930 (1852 Sak) | Edition: |
| Size: 23½ cms - 45+48+47+55+35 pages | Genre: |
| Volumes: 5 (3rd, 5th, 7th and 8th issue) | Condition of the original: Brittle |
| Remarks: Journal | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

~~২৩~~ ⑥

বাঁধাই, ১৯শ বর্ষ

৩য় সংখ্যা — ৬ষ্ঠ সংখ্যা
৭ম — ৮ম "

৫৪০৬/আ: ২৫.৬.৯৯

দেশে দিলনীয় জীৱন ধৰি থকা অপেক্ষা মৃত্যু সহস্ৰ-গুণে শ্ৰেষ্ঠ। দেশ-হিতাৰ্থে কুৰুক্ষেত্ৰ যুদ্ধত প্ৰাণ-ত্যাগ কৰাতকৈ প্ৰশংসাৰ বিষয় আৰু কি আছে!

**অকৰ্ম্ম ঃ**—কৰ্ম্ম ত্যাগ কৰা অনুচিত, আৰু মানুহৰ পক্ষে ই অসম্ভৱো। মানুহৰ ইচ্ছা নেথাকিলেও প্ৰকৃতিয়ে তাক কৰ্ম্মত প্ৰবৃত্ত কৰাব। বেদৰ যাগ-যজ্ঞাদিও কৰ্ম্মৰ বাহিৰে আন একো নহয়। জনক আদি ঋষি সকলেও কৰ্ম্মৰ দ্বাৰায়ে সিদ্ধি লাভ কৰিছিল। মানৱ-সমাজৰ উন্নতিৰ কাৰণেও কৰ্ম্ম কৰা নিতান্ত প্ৰয়োজন। একমাত্ৰ কৰ্ম্মৰ দ্বাৰাই মানৱ-সমাজ চলিছে, [illegible] উন্নতি অৱস্থাৰ ওপৰ উচ্চত আৰোহণ কৰিছে। কৰ্ম্মৰ দ্বাৰাই দেশৰ উন্নতি সাধিত হয়। এই পৃথিৱীখন এক মহান্ কৰ্ম্ম ক্ষেত্ৰ। কৰ্ম্ম ত্যাগ কৰিলে দেশত অলসতা আহিব, দেশৰ দুঃখ বৃদ্ধি হ'ব, দেশৰ অধঃপতন হ'ব। কৰ্ম্ম এৰিলেই মুক্তি লাভ হয় বুলি ভাবিব নেলাগে। বৰং কৰ্ম্ম ত্যাগ কৰিও মনে মনে কুচিন্তা কৰি পাপ আৰ্জ্জে আৰু তাৰ দ্বাৰা মুক্তিৰ দুৱাৰ বন্ধ কৰে।

কেৱল জ্ঞানৰ দ্বাৰাই মুক্তি লাভ নহয়; অথচ জ্ঞান আহৰণৰ কাৰণেও কৰ্ম্ম কৰা আৱশ্যক। কৰ্ম্মৰ দ্বাৰা জ্ঞান লাভ হয়, জ্ঞান সংশোধিত হয়। কৰ্ম্মৰ দ্বাৰা,—সাধনাৰ দ্বাৰা জিতেন্দ্ৰিয় হ'ব পাৰি। কৰ্ম্মই দুঃখ দূৰ কৰাৰ উপায় [illegible] আনন্দ লাভৰ হেতু। কিন্তু জ্ঞানৰ দ্বাৰা আমি কৰ্ম্ম নিৰ্ব্বাচিত হয়, কৰ্ম্ম চালিত হয়। যাৰ একো জ্ঞান নাই, সি কোনো কৰ্ম্ম কৰিব নোৱাৰে। সেই কাৰণে জ্ঞান আৰু কৰ্ম্ম-পৰস্পৰৰ অতি ওতপ্ৰোত আবদ্ধ। জ্ঞানী লোকেও সততে কৰ্ম্ম কৰা উচিত। নহ'লে, সৰ্ব্ব সাধাৰণে তেওঁকেই অনুকৰণ কৰে। জনকৰ কোনো স্বাৰ্থ নাছিল; অথচ দেশ হিতাৰ্থে আৰু সাধাৰণক আদৰ্শ দেখুৱাবলৈ তেওঁ নিজেও অনবৰত কৰ্ম্মত লিপ্ত আছিল। কৰ্ম্ম কৰাৰ যি উৎকৃষ্ট কৌশল আছে, প্ৰণালী আছে, তাকেই কৰ্ম্ম-যোগ কয়। সেই অনুসাৰে কাম কৰিলে [illegible] লোকেও মুক্তিৰো অধিকাৰী হব পাৰি।

**কাম্য কৰ্ম্ম ঃ**—যি কাৰ্য্যৰ উদ্দেশ্য তোমাৰ স্বাৰ্থ-সাধন, যশ-উপাৰ্জ্জন, সুখ ভোগ, বিলাস সম্ভোগ সেই বোৰ কুকৰ্ম্ম, কাম্য কৰ্ম্ম। সেইবোৰ ত্যাগ কৰিবা। কাৰণ সেইবোৰ দুঃখদায়ক। কিন্তু দেশ-হিতাৰ্থে কৰা কৰ্ম্ম সুখদায়ক, আনন্দদায়ক।

**কৰ্ত্তব্য কৰ্ম্ম ঃ**—ইয়াক অৱশ্যে কৰিবা। ইয়াক কৰাই ধৰ্ম্ম, নকৰাই অধৰ্ম্ম। সকলো কৰ্ত্তব্যই পবিত্ৰ; কিন্তু দেশৰ প্ৰতি তোমাৰ [illegible] কৰ্ত্তব্য, সি পবিত্ৰতম। [illegible] সফল বিফল, নিন্দা প্ৰশংসা [illegible] জয়, সুখ-দুখ একোতেই সেই কৰ্ত্তব্য কৰিবলৈ বিৰত নহবা। তেনে কৰ্ত্তব্যত বিফল হ'লেও যশ আৰু প্ৰশংসা নেহেৰোৱা। অহা কালিৰ কৰ্ত্তব্য আজিয়েই কৰিবা, 'গধুলিৰ' কৰ্ত্তব্য পুৱাই কৰিবা। কৰ্ত্তব্যৰ দ্বাৰা দেশৰ লক্ষ্য এক হয়, দেশত একতা বাঢ়ে, সৌহাৰ্দ্দ সংস্থাপিত হয়, মহা মিলন উপস্থিত হয়। তেতিয়া অসাধ্যও সাধন হয়, অসম্ভৱো সম্ভৱ হয়।

**কৰ্ত্তব্যৰ ভিতৰতো অকৰ্ম্ম-কুকৰ্ম্ম আছে, কুকৰ্ম্মৰ ভিতৰতো কৰ্ত্তব্য কৰ্ম্ম আছে ঃ**—ইয়াক নিৰ্দ্ধাৰিত কৰোঁতে মহা মহা মুনিৰো মতিভ্ৰম হয়। যেনেকৈ, হিংসা কৰা কুকৰ্ম্ম; কিন্তু যুদ্ধত হিংসা কৰা কৰ্ত্তব্য। আনৰ উপকাৰ কৰা কৰ্ত্তব্য; কিন্তু তাকে কৰিলে যদি অন্যায়ৰ প্ৰশ্ৰয় দিয়া হয়, দেশৰ অনিষ্ট হয়, তেন্তে সি কুকৰ্ম্ম, তাক কৰা অনুচিত। স্বদেশ সেৱাই সৰ্ব্ব-প্ৰধান কৰ্ত্তব্য কৰ্ম্ম; কিন্তু সেই কৰ্ত্তব্য-সাধনৰ পথত যদি অন্য কৰ্ত্তব্য কৰ্ম্ম অন্তৰায় থাকে, তেন্তে তাক উপেক্ষা কৰিবা। যাৰ মন ভোগ-ঐশ্বৰ্য্যত মত্ত, সি কৰ্ত্তব্য-অকৰ্ত্তব্য নিৰ্ণয় কৰিব নোৱাৰে, যাতে তাৰ স্বাৰ্থ সিদ্ধি হয়, সি কেৱল তাকে বুজে, তাকে কৰে।

**নিষ্কাম কৰ্ম্ম ঃ**—ইয়াক সদায় কৰিবা। তুমি যি কাম কৰিবা, তাৰ ফল কেৱল তুমিয়ে ভোগ কৰিবা—মনত কেতিয়াও এনে কামনা নকৰিবা। কাম কৰিবৰ সময়তো তেনে ভাব নাহিলেহে সি নিষ্কাম কৰ্ম্ম হয়।

৭৮/১৯৩০

**কি কাৰণে নিষ্কাম ভাবে কৰ্ম্ম কৰা উচিত ?** :—যি জন নিষ্কাম, একমাত্ৰ তেৱেঁই নিজৰ কৰ্ত্তব্য কৰ্ম্মবিলাক কৰিব পাৰে। স্বাৰ্থপৰ মানুহে কদাপি তাক কৰিব নোৱাৰে। নিষ্কাম নহলে স্বাৰ্থহীন হোৱা নাযায়। আৰু স্বাৰ্থ-শূন্য নহলে বহুত মানুহ আৰু বহুত জাতি একতাৰে আবদ্ধ থাকিব নোৱাৰে, কোনো মহৎ কাৰ্য্যও সু-সম্পন্ন কৰিব নোৱাৰে। নিষ্কাম কৰ্ম্মৰ লক্ষ্য মাত্ৰ এটা—কি উপায়ে দেশৰ হিত সাধন হয়। কিন্তু কাম্য বা সকাম কৰ্ম্মৰ লক্ষ্য অনন্ত। কিয়নো কামনা অনন্ত, ভোগ্য বস্তুও অনন্ত। সকাম কৰ্ম্মত কামনানুৰূপ ফল উৎপন্ন নহলে, আৰু সেই ফল ভোগ কৰিবলৈ নাপালে, মনত দুঃখ হবই হব। কিন্তু নিষ্কাম ভাবে কাৰ্য্য কৰিলে তেনেকুৱা দুঃখৰ সম্ভাৱনা নাথাকে। অকৃতকাৰ্য্য হলেও নিষ্কাম ভাবে কাৰ্য্য কৰিব পৰা হেতুকে বিমল আনন্দ পোৱা যায়।

৮৪০৬/অ:

যদি তুমি নিষ্কাম কৰ্ম্মী নোহোৱা, তেন্তে আনৰ উপকাৰ কৰি প্ৰত্যুপকাৰৰ আশা ৰাখা; আৰু এজনৰ পৰা প্ৰত্যুপকাৰ নেপালে সকলোৰে উপকাৰ কৰিবলৈ বিৰত হোৱা। নিষ্কাম কৰ্ম্ম যেহেতু সকলোৰে স্বাৰ্থৰ কাৰণে, স্বদেশৰ হিতৰ কাৰণে, সেইহেতু তাত পাপ হব নোৱাৰে, তাত কেতিয়াও বিফল হোৱা নাযায়। এবাৰ তুমি নিজৰ জীৱনত নিষ্কাম দেশ-সেৱা-ব্ৰত আৰম্ভ কৰি দিয়া, দেখিবা তাৰ কি আচৰিত অবিনাশী পৰিণাম! তোমাৰ অসম্পূৰ্ণ কাৰ্য্য সম্পন্ন কৰিবলৈ যুগৰ পিছত যুগ, বংশৰ পাছত বংশ, পুৰুষৰ পিছত পুৰুষকৈ হাজাৰে হাজাৰে লাখে লাখে প্ৰাণ উছৰ্গিব।

যিজনে লোক-হিতাৰ্থে সুখ-দুখ লাভালাভ সকলো ত্যাগ কৰি নিষ্কাম কৰ্ম্মী হৈছে, তেওঁৰ আৰু আছে কি—যাৰ ক্ষতি হুৱাত তেওঁ ভীত হব ? নিষ্কাম ভাবে কৰ্ম্ম কৰিলে কাৰো ক্ষতিৰ সম্ভাৱনা নাই। কাৰণ তোমাৰ নিষ্কাম কৰ্ম্মৰ ফল যেনেকৈ আনে ভোগ কৰিব তুমিও তেনেকৈ আনৰ নিষ্কাম কৰ্ম্মৰ ফল ভোগ কৰিবা। নিষ্কাম ভাবে কাম কৰি কৃতকাৰ্য্য হোৱাৰ পাছত যদি সেই সেই কাৰ্য্যৰ ফল অযাচিত ভাবে আহি তোমাৰ ওচৰত উপস্থিত হয়, তেনেহলে তুমি সকলোৰে লগত তাক ভোগ কৰিব পাৰিবা।

অভ্যাস-যোগ অপেক্ষা জ্ঞান-যোগ শ্ৰেষ্ঠ; জ্ঞান যোগতকৈ ধ্যান-যোগ শ্ৰেষ্ঠ; কিন্তু ধ্যান-যোগতকৈও নিষ্কাম ভাবে কৰ্ম্ম কৰা শ্ৰেষ্ঠ। কৰ্ম্মফল লাভৰ আশা ত্যাগ কৰিব পাৰিলেই মনৰ চাঞ্চল্য দূৰ হয়, শান্তি লাভ হয়। বেদে যদিও স্বৰ্গ-সুখৰ আশাৰে যাগ-যজ্ঞৰ ব্যৱস্থা দিছে, তথাপি তুমি তাত প্ৰবৃত্ত নহবা। স্বৰ্গৰ দেৱতা-সকলক আৰাধনা কৰিলে দেৱতাসকলকহে পোৱা যায়, কিন্তু ঈশ্বৰক পোৱা নাযায়। ঈশ্বৰেই সকলোৰে লক্ষ্য; এতেকে নিষ্কাম ভাবে কৰ্ম্ম কৰা। জ্ঞানীসকলেও নিজ কৰ্ম্মফলভোগৰ বাসনা নেৰাখে।

**কৰ্ম্মফল ঈশ্বৰত অৰ্পণ কৰিবা** :—ঈশ্বৰ সৰ্ব্বসাধাৰণত বৰ্ত্তমান, সৰ্ব্বসাধাৰণেই ঈশ্বৰ। যি কৰ্ম্মৰ ফল নিজে উপভোগ নকৰি সৰ্ব্বসাধাৰণক প্ৰদান কৰা যায়, সিয়ে ঈশ্বৰত অৰ্পিত হয়। সেই-কাৰণে জন-সাধাৰণক ঘৃণা বা অৱহেলা নকৰিবা। সিবিলাকৰ উন্নতিৰ কাৰণে দিনে ৰাতিয়ে যত্ন কৰিবা। সিবিলাকক লৈয়ে দেশ, সিবিলাকৰ উন্নতিয়ে দেশৰ উন্নতি। কেজনমানৰ উন্নতি দেশ কেতিয়াও উন্নত নহয়।

**অহং নাশ কৰিবা** :—অহং নাশ নকৰিলে নিষ্কাম ভাবে কৰ্ম্ম কৰা অসম্ভৱ। তোমাৰ অস্তিত্ব তোমাৰ স্বাৰ্থ সৰ্ব্বসাধাৰণৰ স্বত্বত, স্বাৰ্থত লীন কৰি দিবা। সদায় মনত ৰাখিবা তুমিও তোমাৰ নিমিত্তে নহয়। তুমিও সকলোৰে নিমিত্তে, সৰ্ব্বসাধাৰণৰ নিমিত্তে। কোনো কৰ্ম্মকে অহঙ্কাৰ বুদ্ধিৰে নকৰিবা, কৰ্ত্তব্য বুদ্ধিৰেহে কৰিবা। অহঙ্কাৰ বুলিকি ? মই ধনী, মই মানী, মই জ্ঞানী, মই কৰ্ম্মী, মই এজন - মনৰ এই বিকাৰকে অহঙ্কাৰ বুদ্ধি বোলে। ইয়াৰ মূলত যশ-উপাৰ্জ্জন, স্বাৰ্থ-সাধন। অহঙ্কাৰীয়ে লোকক সন্মান নকৰে, লোকৰ মত বা বিশ্বাসৰ সমাদৰ নকৰে, লোকৰ পৰা একো শিকিবও নোৱাৰা নোখোজে, মহৎ জনৰ লগত মিলি সি কোনো মহৎ কাৰ্য্য কৰিব নোৱাৰে। সেই কাৰণে অহঙ্কাৰীক সকলোৱে ঘৃণা কৰে। সকলো কামকে তুমি নিজে কৰিবা; কিন্তু মনত এনে ভাবৰ কেতিয়াও ঠাই নিদিবা যে, তুমিয়ে ইবিলাকৰ কৰ্ত্তা। যদি এই ভাব মনলৈ আনা তেনেহলে অহঙ্কাৰৰ উদয় হব। অহঙ্কাৰৰ পৰা জ্ঞান নষ্ট, তাৰ পৰা স্মৃতি নষ্ট, আৰু স্মৃতি-নষ্ট হলে সকলো কামেই পণ্ড হব। যদি তুমি ভাবা তুমিয়ে কৰ্ম্ম-কৰ্ত্তা, তেন্তে তোমাৰ সহকাৰীবিলাকৰ লগত বিৰোধ উপস্থিত হব, একতা নষ্ট পাব, আৰু তাৰ পৰা কৰ্ম্ম পণ্ড হব। প্ৰকৃতিয়ে মানুহক কৰ্ম্মত প্ৰবৃত্ত কৰিছে; এতেকে তুমি নিজক কৰ্ম্ম-কৰ্ত্তা বুলি নেভাবিবা।



মই ধনী, মই মানী, মই জ্ঞানী, মই এজন—এই 'মই' 'মই' ভাবেই সকলো অনিষ্টৰ মূল। কিয়নো তোমাতকৈও কত ধনী, মানী, জ্ঞানী এই জগতত বৰ্ত্তমান; তেন্তে তোমাৰ অহঙ্কাৰ কৰিবৰ কি আছে ? তুমি ভাবা—এই বিশাল বিশ্বৰ তুলনাত তুমি অতি নগণ্য। মোৰ পুত্ৰ, মোৰ ঐশ্বৰ্য্য, মোৰ সংসাৰ, এই 'মোৰ' 'মোৰ' ভাৱ সংকীৰ্ণতাৰ মূল, বিবাদ-বিসম্বাদৰ কাৰণ। লোকৰ পুত্ৰ ঐশ্বৰ্য্যকো নিজৰ নিচিনা ভাবিবা; গোটেই জগতকে আপোন আৰু আত্মীয় কৰি তুলিবা। অহঙ্কাৰীৰ মন অতি নীচ আৰু নিকৃষ্ট; তাৰ উন্নতি সুদূৰত। তাৰ দেশ-সেৱা বাহ্যাড়ম্বৰ মাত্ৰ। যি জনে অহং নাশ কৰিব পাৰিছে, তেৱেঁ কেৱল নিষ্কাম ভাৱে স্বদেশ-সেৱা কৰিবলৈ সমৰ্থ।

**বুদ্ধি** :—বুদ্ধি সদায় শুদ্ধ ৰাখিবা। সেয়ে হলে কোনো কাৰ্য্যত অধৰ্ম্ম নহব। যাৰ বুদ্ধি শুদ্ধ, তেওঁৰ ওচৰত লাভালাভ, সুখ-দুখ, জয়-পৰাজয় সকলো সমান। কাৰণ তেওঁ স্বাৰ্থ-সাধনৰ কাৰণে কোনো কাম নকৰে; এই কাৰণে অধৰ্ম্মতো পতিত নহয়।

**কৰ্ম্মবন্ধনত আবদ্ধ নহবা** :—ফল-ভোগৰ কামনা কৰি যি কাম কৰা যায়, তাত আবদ্ধ হোৱা যায়। কাৰণ কাম্য বস্তু অনন্ত। এটাৰ পূৰ্ণতাত আন এটা কাম্য বস্তুৱে ভুমুকি মাৰি কৰ্ম্মত আসক্তি জন্মায়। মনৰ এই অৱস্থাক কৰ্ম্ম-বন্ধনত আবদ্ধ হোৱা বোলে। অহঙ্কাৰ, ক্ৰোধ, নিষ্ঠুৰতা, অজ্ঞানতা প্ৰভৃতি কৰ্ম্ম বন্ধনৰ সহায়। যি জনে কৰ্ম্ম ঈশ্বৰ-উদ্দেশে, জন-সাধাৰণৰ হিতাৰ্থে কৰে, তেওঁ নিষ্কাম কৰ্ম্ম কৰে, দেশ-হিতাৰ্থে কৰে; তাত কৰ্ম্মবন্ধনাবদ্ধ নহয়। মন ক্ৰমে উদাৰ আৰু উন্নত হয়।

**অনাসক্ত ভাবে কৰ্ম্ম কৰিবা** :—কাৰ্য্যসিদ্ধি হ'ক বা নহওক, সম্পদ মিলক বা যক আত্মীয়-স্বজন থক বা মহাপ্ৰস্থান কৰক—এই দুইবিধ অৱস্থাই যাৰ মনত সমান, তেৱেঁই অনাসক্ত। ৰূপ-ৰসাদি কোনো বিষয়ৰে অধীন নহবা, কাৰণ স্বাধীনতা হেৰালে মানুহৰ সৰ্ব্বশক্তি নষ্ট পায়; আসক্তিয়েই নিষ্কাম কৰ্ম্মৰ অন্তৰায়, ই থাকিলেই সকাম কৰ্ম্মলৈ প্ৰবৃত্তি হয়। সেই কাৰণে পদুমপাত যেনেকৈ পানীত থাকিও নিতিতে, তুমিও তেনেকৈ ৰূপ-ৰসাদিৰ মাজত থাকিও সিবিলাকৰ লগত লিপ্ত নহবা, স্বাধীনতা নেহেৰুৱাবা।*

**লক্ষ্য স্থিৰ ৰাখিবা** :—তোমাৰ লক্ষ্য থিৰ ৰাখিবা। তাৰ পিছত কোন কোন উপায়েৰে সেই লক্ষ্য লাভ হয়, সেই উদ্দেশ্য সিদ্ধি হয়, তাক বিবেচনা কৰি নিৰ্ণয় কৰিবা। শেষত স্থান, কাল, পাত্ৰ বিবেচনা কৰি কাৰ্য্য কৰিবা—অৱশ্যে কৃতকাৰ্য্য হব পাৰিবা।

**আত্ম বিশ্বাস কৰা** :—নিজৰ শক্তিত

* শ্ৰীৰামকৃষ্ণ পৰমহংস দেৱৰ কথামৃতত এটি সুন্দৰ দৃষ্টান্ত আছে। কথাটো এই :—এজন খেতিয়কৰ এটা লৰা আছিল; সি মৰিল। পিচে খেতিয়কে নেকান্দিলে। তেতিয়া তাৰ ঘৈণীয়েকে কলে, 'তুমি দেখোন অকণো নেকান্দিলা ?" তেতিয়া সি উত্তৰ দিলে "আজি যোৱা ৰাতি এটা সপোন দেখিছিলোঁ—মই ৰজা হৈছোঁ, আৰু সাতোটা লৰাৰ বাপেক হৈছোঁ। কিন্তু সাৰ পাই দেখোঁ সকলো মিছা। এতিয়া ভাবিছোঁ—সেই ৰাজ্য আৰু সাত পুত্ৰৰ কাৰণেই কান্দিম নে, তোমাৰ এটা পুত্ৰৰ কাৰণেই কান্দিম ?"

কেতিয়াও সন্দেহ নকৰিবা, বিশ্বাস নেহেৰুৱাবা। তোমাৰ দেহত ঈশ্বৰ বৰ্ত্তমান, অসীম শক্তিৰ নিদান। তেন্তে আৰু চিন্তা কি? মনত এনে দৃঢ়-বিশ্বাস, দৃঢ়-সঙ্কল্প লৈ কাম কৰিবা; নিশ্চয় কৃতকাৰ্য্য হব পাৰিবা। সংশয়ান্বিত, অস্থিৰ-চিত্ত নহবা। দুৰ্ব্বলতাৰ অধীন নহবা। কাম দেখি ভয় নকৰিবা। ইবিলাকৰ অধীন হোৱা মানুহে কেতিয়াও কোনো মহৎ কাৰ্য্য সাধিব নোৱাৰে। মনত ৰাখিবা,—যি কাম এদিন এজনে কৰিছে, সেই কাম আন এজনেও আজি নিশ্চয় কৰিব পাৰিব।

**আত্ম-নিৰ্ভৰ কৰাঃ**—আত্মাৰ দ্বাৰাই আত্মাক উদ্ধাৰ কৰা; তোমাৰ চেষ্টাৰ দ্বাৰা, সাধনাৰ দ্বাৰা তোমাক উন্নত কৰা। কেতিয়াও লোকৰ সহায়েৰে তোমাৰ কাৰ্য্যসিদ্ধি কৰিবলৈ নেচাবা। আনৰ ওপৰত নিৰ্ভৰ কৰিলে তোমাৰ কাৰ্য্যসিদ্ধি হব বুলি কেতিয়াও নেভাবিবা। যি নিজকে নিজে সহায় কৰে, ঈশ্বৰেও তেওঁকেহে মাত্ৰ সহায় কৰে।

**মনৰ স্থৈৰ্য্য আৰু ধৈৰ্য্য, উৎসাহ আৰু অধ্যৱসায়ঃ**—এই কেইটাৰ বাহিৰে কেতিয়াও কাৰ্য্যসিদ্ধি নহয়। যাৰ ইন্দ্ৰিয়বিলাকে বিষয়ত সংলগ্ন হলেও মনক চঞ্চল কৰিব নোৱাৰে, তেওঁৰেই মন স্থিৰ হৈছে। মন চঞ্চল হলে বিবেক নষ্ট হয় আৰু তেতিয়া কাৰ্য্যও সুসম্পন্ন নহয়। যাৰ মন থিৰ নহয়, ধীৰ নহয়, তাৰ উৎসাহ আৰু অধ্যৱসায় নাই। সেই কাৰণে সি এটা এটাকৈ অনেক কামত ধৰি অসম্পূৰ্ণ অৱস্থাতে পৰিত্যাগ কৰে। মনৰ একাগ্ৰতাই কাৰ্য্য-সিদ্ধিৰ উপায়।

**প্ৰবল পুৰুষাকাৰঃ**—ঈশ্বৰে মানুহৰ অন্তৰত পুৰুষাকাৰ ৰূপে বিৰাজ কৰিছে। প্ৰবল পুৰুষাকাৰৰ সহায় বিনে ৰিপু জয় কৰিব নোৱাৰি, কোনো কাৰ্য্যকে সিদ্ধি কৰিব নোৱাৰি। সকলোৰে অন্তৰত উন্নতি আৰু মুক্তিৰ সামৰ্থ্য আছে, প্ৰবল পুৰুষাকাৰ দেখুৱাবৰ শক্তি আছে। নতুবা যি চৰিত্ৰহীন, সি চিৰকালে চৰিত্ৰহীন হৈয়েই থাকিলেহেঁতেন। যাৰ অধোগতি হৈছে, তাৰ উদ্গতি দেখা নগলহেঁতেন। কিন্তু সেয়ে নহয়; প্ৰবল পুৰুষাকাৰৰ সহায়ত কত চৰিত্ৰহীনে চৰিত্ৰবান হৈছে, কতই সংসাৰত উন্নতি কৰিছে।

**আত্মোৎসৰ্গঃ**—লোক-হিতাৰ্থে, সমাজৰ কল্যাণাৰ্থে, দেশ-হিতাৰ্থে ব্যক্তিগত ত্যাগ-স্বীকাৰ কৰা কৰ্ত্তব্য। যি জনে অহং নাশ কৰিছে, নিকাম হৈছে তেৱেঁই আত্মোৎসৰ্গ কৰিব পাৰিছে। চৰিত্ৰ-যজ্ঞত যেনেকৈ ৰিপুবিলাকক আহুতি দিব লাগে, দেশ-যজ্ঞত তেনেকৈ কেৱল ৰিপু নহয়,—কেৱল ধন নহয়,—কেৱল মান নহয়,—সকলোকে আহুতি দিবা। সেয়ে আত্মোৎসৰ্গ।

**কৰ্ম্মোন্মাদঃ**—সৎকৰ্ম্মত যাৰ আনন্দ আৰু উৎসাহ বাঢ়িছে, তেৱেঁই মুক্তিৰ পথত আগ বাঢ়িছে। অতিশয় উৎসাহ আৰু অধ্যৱসায়ৰ দ্বাৰাহে মানুহে কৰ্ম্মোন্মাদ হব পাৰে।

**সুসম্পন্নঃ**—সুসম্পন্ন নকৰাকৈ কেতিয়াও কৰ্ম্ম পৰিত্যাগ নকৰিবা। যি মানুহে এটা কামত হাত দি পিচ মুহূৰ্ত্ততে সেইটো ত্যাগ কৰি আন এটাত ধৰে, তেওঁ কোনো কামতে কৃতকাৰ্য্য হব নোৱাৰে। যিজনে কোনো এটা কামত হাত দি হেজাৰ বাধা-বিঘিনি স্বত্বেও ত্যাগ নকৰে, তেৱেঁহে মহৎ কাৰ্য্য সাধিবলৈ সক্ষম, তেৱেঁহে যশৰ অধিকাৰী; কাৰ্য্য-সিদ্ধিয়েই উন্নতি, অকৃতকাৰ্য্যতাই অৱনতি; আৰু কৰ্ম্মই ঈশ্বৰ—এই কথা কেতিয়াও নুভুলিবা।

ওপৰোক্ত প্ৰণালীৰে যি জনে কাম কৰে, তেৱেঁই **কৰ্ম্মযোগী**। এনে কৰ্ম্ম-জীৱন গঠন কৰিবলৈ জ্ঞানৰ আৱশ্যক। ইতি কৰ্ম্মযোগ।

শ্ৰীভগৱানচন্দ্ৰ দাস

---

# বিশ্ৰাম-দেশলৈ

স্নেহশীলা জননীয়ে সন্ধিয়া বেলিকা,—
"শুবলই আহ সোণ, আনি দিম কাইলৈ,
নতুন পুতলি তোক, থক পৰি তেনেকৈ
ভগাছিগা পুতলিটি," "কিয়নো কান্দিছ" বুলি
আথেবেথে লৈ যায়, সস্নেহে কোলাত তুলি,
ধেমালিত ৰত থকা শিশুটিক চুমি পতা।
উদাস দৃষ্টিৰে চাই মজিয়াত পৰিথকা,
ভগাছিগা পুতলিটি; ভবিষ্য ধুনীয়া এটি নকৰে সি আশা।

সিদৰে প্ৰকৃতি আয়ে এটি এটি কৰি হায়!
খেলাৰ সামগ্ৰী যত কাঢ়ি কাঢ়ি লৈ,
আপুনি হাতত ধৰি লাহে লাহে মানুহক
ধুলা-খেলা অন্ত কৰি নিয়ে শুবলই।
টোপনিত লাল কাল যাব নে থাকিব আৰু,
কলৈনো যাব লাগে কোনেনো জানিব?

শ্ৰীমহেন্দ্ৰনাথ ভট্টাচাৰ্য্য

---

# বেদব্যাস আৰু সংহিতাৰচকগণ

বেদ পৃথিৱীৰ ভিতৰত প্ৰাচীনতম গ্ৰন্থ। বৃহদাৰণ্যক উপনিষদে (১) ঋগ্বেদ আদি শাস্ত্ৰকে ঈশ্বৰৰ নিশ্বাস বুলি কয়। বিষ্ণুপুৰাণেও (২) বেদ পৰমেশ্বৰৰ পৰা উৎপত্তি নিৰ্দ্দেশ কৰে। শ্ৰীমদ্ভাগৱতে (৩) কয়, ব্ৰহ্মাই চাতুৰ্হোত্ৰ কাৰ্য্য সাধনৰ নিমিত্তে চাৰিমুখে চাৰি বেদ সৃষ্টি কৰে। মনুৰ (৪) উক্তি স্বয়ং ঈশ্বৰে যজ্ঞকৰ্ম্মৰ নিমিত্তে অগ্নিৰ পৰা ঋগ্বেদ, বায়ুৰ পৰা যজুৰ্ব্বেদ আৰু সূৰ্য্যৰ পৰা সামবেদ দোহন কৰে। এনেকৈ বেদ উৎপত্তি সম্বন্ধে শাস্ত্ৰত ভিন্ ভিন্ মত দেখা যায়।

বেদবিভাগকৰ্ত্তা লৈয়ো শাস্ত্ৰত বিভিন্ন উক্তি আছে। ব্ৰহ্মাণ্ডপুৰাণে (৫) কয়,—বেদ পূৰ্ব্বে একন আছিল। স্বায়ম্ভুব মন্বন্তৰৰ দ্বাপৰযুগত ব্ৰহ্মাৰ আদেশে সেই বেদ মনুৱে চাৰিভাগত বিভক্ত কৰে। পাচত কলিযুগত ব্ৰহ্মাৰ আদেশত কৃষ্ণ দ্বৈপায়নে বেদ চাৰিভাগত ভগায়। বিষ্ণুপুৰাণৰ ৩য় অংশ তৃতীয় অধ্যায়ৰ পৰা দেখা যায়, যে প্ৰত্যেক দ্বাপৰ যুগতে একোজন ঋষিয়ে বেদ বিভাগ কৰি গৈছে আৰু তেওঁলোক বেদব্যাস বা বেদবিভাগকৰ্ত্তা বুলি গণ্য হৈছিল। প্ৰথম দ্বাপৰত ভগবান স্বয়ম্ভুৱে স্বয়ং বেদ বিভাগ কৰে;

দ্বিতীয় দ্বাপৰত প্ৰজাপতি মনু বেদব্যাস হয়।

| | | | |
|---|---|---|---|
| ৩য় | ,, | উশনা | |
| ৪ৰ্থ | ,, | বৃহস্পতি | |
| ৫ম | ,, | সবিতা | |
| ৬ষ্ঠ | ,, | মৃত্যু | |
| ৭ম | ,, | ইন্দ্ৰ | |
| ৮ম | ,, | বশিষ্ঠ | |
| ৯ম | ,, | সাৰস্বত | |
| ১০ম | ,, | ত্ৰিধামা | |
| ১১শ | ,, | ত্ৰিবৃষা | [ ঋষভ – কূ পূ ১·৫১ ] |
| ১২শ | ,, | ভৰদ্বাজ (১ম) | [ সুতেজা ঐ ] |
| ১৩শ | ,, | অন্তৰীক্ষ | [ ধৰ্ম্ম ঐ ] |
| ১৪শ | ,, | বপ্ৰী | [ সকক্ষু ঐ ] |

(১) অস্য মহতো ভূতস্য নিঃশ্বসিতমেতদ্ যদ্ ঋগ্বেদো যজুৰ্ব্বেদঃ সামবেদোঽথৰ্ব্বাঙ্গিৰস ইত্যাদি। (২) ৩য় অংশ ৩য় অধ্যায়। (৩) ১২শ স্কন্ধ ৬ষ্ঠ অধ্যায়। (৪) পৃথিৱীৰ ইতিহাসৰ পৰা লোৱা। (৫) ২য় অংশ ৩৫ অধ্যায়।

১৫শ ,, ত্ৰয্যাৰুণ [ ত্ৰয্যৰুণি-কূ-পু-১-৫১ ]
১৬শ ,, ধনঞ্জয়
১৭শ ,, কৃতঞ্জয়
১৮শ ,, ঋণজ্য [ ঋতঞ্জয়—(কূৰ্ম্ম পুঃ) ]
১৯শ ,, ভৰদ্বাজ ( ২য় )
২০শ ,, গৌতম
২১শ ,, হৰ্য্যাত্মা
২২শ ,, বেণ ( বাজশ্ৰৱাৰ কুলজাত ) [ নাৰায়ণ কূঃ পু ]
২৩শ ,, তৃণবিন্দু ( সোমশুষ্মাৰ গোত্ৰীয় )
২৪শ ,, ঋক্ষ ( ভাৰ্গবান্বয়—এওঁ বাল্মীকি বুলি খ্যাত )
২৫শ ,, শক্তি ( মৈত্ৰেয়ৰ পিতা )
২৬শ ,, মৈত্ৰেয় [ পৰাশৰ কূঃ পুঃ ]
২৭শ ,, জাতুকৰ্ণ [ জাতুকৰ্ণ্য কূঃ পুঃ ]
২৮শ ,, কৃষ্ণ দ্বৈপায়ন ।

এই কৃষ্ণদ্বৈপায়নে অষ্টবিংশতিতম দ্বাপৰযুগত জন্ম গ্ৰহণ কৰে । এওঁৰ অনেক যুগ পূৰ্ব্বে বেদৰ উৎপত্তি । তেওঁ মাথোঁ সংগ্ৰহ বা সঙ্কলন কৰেঁাহে । তাৰ প্ৰমাণ ওপৰৰ তালিকায়ে স্পষ্টকৈ দিয়ে । প্ৰতি দ্বাপৰযুগৰ কাল পৰিমাণ গোট কৰিলেও অনেক কোটি বছৰ হব ।

সেই কৃষ্ণদ্বৈপায়নে প্ৰথমতে বেদ-সঙ্কলন কাৰ্য্যৰ নিমিত্তে পৈল, বৈশম্পায়ন, জৈমিনি আৰু সুমন্ত নামে চাৰিজন শিষ্য গ্ৰহণ কৰে । সেই চাৰিজন উপযুক্ত শিষ্যৰ সহায়ত তেওঁ বেদ চাৰিভাগে বিভক্ত কৰি 'বেদব্যাস' নামে ভূষিত হয় । * কালত শিষ্য-প্ৰশিষ্য-ক্ৰমে সেই বেদবৃক্ষৰ বহুত শাখা প্ৰশাখা বাঢ়ি বেদ-কাননৰ সৃষ্টি হয় ।

ব্যাসৰ শিষ্য চাৰিজনৰ পৰা যি সকল ঋষি শিষ্য-প্ৰশিষ্যক্ৰমে নামি আহে, সেইসকলৰ নামৰ তালিকা সম্পূৰ্ণৰূপে পোৱা অসম্ভৱ । কোনো কোনো পুৰাণে দুই চাৰিজনৰ নাম কৰিয়ে এৰিছে, কোনো পুৰাণে অলপ বেছিকৈ দিছে । বায়ু আৰু ব্ৰহ্মাণ্ডপুৰাণতে অলপ বিস্তৃত বিৱৰণ পোৱা যায় । বিষ্ণুপুৰাণ, অগ্নিপুৰাণ, কূৰ্ম্মপুৰাণ, শ্ৰীমদ্ভাগৱত, হৰিবংশ, মহাভাৰত আদিৰ বিৱৰণ চুম্বক । তাতে আকৌ বহুত নামতো 'গোলমাল' । দুজন যাজ্ঞবল্ক, দুজন সুমন্ত, দুজন বাস্কলি দেখা যায় । কোনো কোনো পুৰাণত পিতা-পুত্ৰৰ সম্বন্ধ, কোনোখনত গুৰুশিষ্যৰ সম্বন্ধত বহুত অমিল । আমি সকলো পুৰাণৰ বিৱৰণ যথাসাধ্যে জুকিয়াই ভিন ভিন বেদৰ সংহিতাকাৰকসকলৰ নাম তলত দিলোঁ :—

ঋগ্বেদসংহিতা—পৈলে ঋগ্বেদসংহিতা দুভাগ কৰি দুজন শিষ্যক দিয়ে । শিষ্য দুজনৰ নাম—ইন্দ্ৰপ্ৰমতি আৰু বাস্কল ।

* ব্যাসে পৈলক ঋগ্বেদৰ শ্ৰাবক গ্ৰহণ কৰি বহ্বৃচা আদ্যাসংহিতা দিয়ে, নিগম নামে যজুঃ সমূহ বৈশম্পায়নক, সামবেদৰ ছান্দোগ্যসংহিতা জৈমিনিক দিয়ে আৰু সুমন্তুক আঙ্গিৰসী অথৰ্ব্বসংহিতা উপদেশ কৰে । ( শ্ৰীমদ্ভাগৱত ১২শ স্কন্ধ ) ।

প্ৰথমতে যজুঃপ্ৰধান বেদক চাৰিভাগে বিভক্ত কৰা হয় । তাতে চাতুৰ্হোত্ৰ হয় । তাৰে পৰা যজ্ঞ কল্পনা কৰা হয় । এই চাতুৰ্হোত্ৰৰ ভিতৰত যজুৰ্ব্বেদেৰে অধ্বৰ্য্যুসকল, ঋগ্বেদেৰে হোত্ৰ, সামবেদেৰে উদ্গাত্ৰ আৰু অথৰ্ব্ব-বেদেৰে যজ্ঞত ব্ৰহ্মত্ব স্থাপিত হয় । তাৰ পাচত তেওঁ (ব্যাসে) ঋকসমুদায় উদ্ধাৰ কৰি ঋগ্বেদসংহিতা ৰচনা কৰে । তাৰে পৰা জগৎহিতকৰ যজ্ঞবাহ হোতা কল্পিত হয় । সামবেদৰ পৰা সামবেদসংহিতা ৰচে । তাৰে পৰা উদ্গাত্ৰ স্থাপিত হয় । তেওঁ অথৰ্ব্ববেদ অনুসাৰে ৰজাসকলক যজ্ঞকৰ্ম্মত নিযুক্ত কৰে আৰু যথাৰীতি ব্ৰহ্মত্বৰ ব্যৱস্থা কৰে । যজুৰ্ব্বেদৰ পৰা যজুৰ্ব্বেদসংহিতা ৰচি যজ্ঞবিধিত যোগ কৰা হয় । এই কাৰণে যজুৰ্ব্বেদক 'যুক্তালো' বোলা হয় । (বিষ্ণু পুঃ ৩য় অংশ ৪ৰ্থ অধ্যায়) ।



বাস্কলে (৬) নিজ সংহিতা চাৰিভাগ কৰি, তেওঁৰ চাৰি শিষ্যক উপদেশ কৰে । তেওঁলোকৰ নাম—বোধ্য (৭), যাজ্ঞবল্ক, পৰাশৰ (৮) আৰু অগ্নিমাঠৰ (৯) ।

ইন্দ্ৰপ্ৰমতিয়ে নিজ সংহিতা পণ্ডিত মাণ্ডুকেয়ক (১০) শিকায় । মাণ্ডুকেয়ে তেওঁৰ পুত্ৰ সত্যশ্ৰৱাক (১১), সত্যশ্ৰৱাই সত্যহিতক, সত্যহিতে তেওঁৰ পুত্ৰ সত্যশ্ৰীক উপদেশ কৰে । ( ব্ৰঃ পুঃ ) ।

সত্যশ্ৰীৰ চাৰিজন শিষ্য আছিল । তেওঁলোকৰ নাম দেবমিত্ৰ-সাকল্য (১২), ৰথিতৰ, শাকপূৰ্ণি আৰু বাস্কলি-ভৰদ্বাজ । এওঁলোকে নিজ নিজ সংহিতা ৰচে ।

দেবমিত্ৰ-সাকল্যে পাচখন সংহিতা ৰচে আৰু সেই পাচসংহিতা মুদ্গল, গালব (১৩), বাৎস্য (১৪), শালীয় (১৫) আৰু শিশিৰ (১৬) নামে পাচজন শিষ্যক উপদেশ কৰে ( বিঃ পুঃ ) । সাকল্যৰ আৰু এজন শিষ্যৰ নাম পোৱা যায় ; নাম—জাতুকৰ্ণ ।

ৰথিতৰে তিনিখন সংহিতা আৰু এখন নিৰুক্ত ৰচে । এই তিনি সংহিতা তিনিজন শিষ্যক দিয়ে আৰু নিৰুক্তখন আন এজন শিষ্যক শিকায় । শিষ্য-কিজনৰ নাম-কেতৱ, দালকি, ধৰ্ম্ম-শৰ্ম্মা আৰু দেবশৰ্ম্মা ( ব্ৰঃ পুঃ ) । নিৰুক্তজনা জনে নিৰুক্তকৃৎ নাম পায় ( বিঃ পুঃ ) ।

শাকপূৰ্ণিৰ তিনি শিষ্য—ক্ৰোঞ্চ, বৈতালিক, আৰু বলাক । বাস্কলি-ভৰদ্বাজে (১৭) তিনিখন সংহিতা ৰচে, তাকে তিনিজন শিষ্যক শিক্ষা দিয়ে । শিষ্যবিলাকৰ নাম—নন্দায়নীয়, পন্নগাৰি আৰু আৰ্য্যব ( ব্ৰঃ পুঃ ) ।

জাতুকৰ্ণ মুনিয়ে নিৰুক্তসৈতে নিজসংহিতা বলাক, পৈল(২য়), জাবাল আৰু বিৰজবিলাকক দিয়ে । উক্ত সমুদায় শাখাৰ পৰা বাস্কলৰ পুত্ৰে ( নাম নাই ) বালিখিল্য নামে সংহিতা ৰচে । সেই সংহিতাবোৰ বালায়নি, আৰু ভজ্য নামে দুজন শিষ্যক আৰু কাষায় নামে এজন দৈত্যক শিক্ষা দিয়ে ( ভা-১২ ৬অঃ ) ।

এই সকল ঋষিয়ে ঋগ্বেদৰ শাখা-প্ৰশাখাৰ প্ৰবৰ্ত্তক ।

<u>যজুৰ্ব্বেদ সংহিতা</u>—বৈশম্পায়নে ৮৬ খন সংহিতা (১৮) ৰচনা কৰে আৰু সেইবোৰ যাজ্ঞবল্কত বাজে সকলো শিষ্যই গ্ৰহণ কৰে । ৮৬ শিষ্যই সেই ৮৬ সংহিতা তিনিভাগে বিভক্ত কৰে । সেই তিনিভাগেই আকৌ

(৬) বিষ্ণুপুৰাণত বাস্কলৰ পাচতে বাস্কলি নাম পোৱা যায় । এই কাৰণে কোনো কোনো পণ্ডিতে বাস্কল আৰু বাস্কলি একেজনৰ নাম বুলি ধৰে । আমাৰ মনে এনে বুলি বোধ নহয় । কিয়নো, বাস্কলিৰ তিনিজন শিষ্যৰ নাম পোৱা যায় ;—কালায়নি, গাৰ্গ্য আৰু কথাজৱ । (৭) বোধ—( ব্ৰঃ পুঃ ) । (৮) এই পৰাশৰ কৃষ্ণদ্বৈপায়নৰ পিতা পৰাশৰৰ পৰা পৃথক । (৯) অগ্নিমিত্ৰ—( ভাগৱত-১২শ স্কন্ধ ) । (১০) বিষ্ণুপুৰাণে মাণ্ডুকেয়ক ইন্দ্ৰপ্ৰমতিৰ পুত্ৰ বুলি কয় আৰু বেদমিত্ৰ আৰু শাকপূৰ্ণিক শিষ্য বুলি দেখায় । ভাগৱতে সাকল্যক মাণ্ডুকেয়ৰ পুত্ৰ বোলে । (১১) মাণ্ডুকেয়ৰ শিষ্য দেবমিত্ৰ, সৌভৰ্য্যাদি বুলি ভাগৱতে কয় । (১২) বেদমিত্ৰ—বিঃ পুঃ । সাকল্য ( দেবমিত্ৰ ) বৰ আত্মাভিমানী আছিল । তেওঁ বিদেহৰাজ জনকৰ যজ্ঞসভাত ব্ৰহ্মবাহৰ পুত্ৰ যাজ্ঞবল্কৰ লগত তৰ্কত পৰাস্ত হৈ প্ৰাণ বিসৰ্জ্জে । ( ব্ৰঃ পুঃ ) । (১৩) গোলক ( ব্ৰঃ পু ) । গোখল্য ( ভাগৱত ) । (১৪) মৎস্য ( ব্ৰঃ পু ) । (১৫) খালীয় ( ব্ৰঃ পু ) (১৬) শৈশিৰেয় ( ব্ৰঃ পু ) । আজিকালি যি ঋগ্বেদসংহিতা মুদ্ৰিতহৈ সাধাৰণতঃ প্ৰচাৰিত, সি শৈশিৰীয় শাখাৰ অন্তৰ্গত । The extant recension of the Rigveda, is that of the Sakalas and belongs specially to that branch of this school which bears the name of Shaishiriya. Weber, Page 32. (১৭) ব্ৰহ্মাণ্ডপুৰাণত ভৰদ্বাজৰ লগতে আৰু ছজন ঋষিৰ নাম উল্লেখ থকা দেখা যায় । নাম—যাজ্ঞবল্ক (?), সালকি, গালকি, শতবলাক, নৈগম আৰু বাস্কলি (?) । এওঁলোক কাৰ শিষ্য শ্লোকৰ পৰা স্পষ্ট বুজা নাযায় । (১৮) এইটি ব্ৰহ্মাণ্ডপুৰাণত দিয়া সংখ্যা । বিষ্ণু পুৰাণত ২৭ খন বুলি লিখিছে ।

তি-তিনিভাগত বিভক্ত হৈ তিন ভিন ঠাইত চলিবলৈ ধৰে। উত্তৰ প্ৰদেশত চলা ভাগ শ্যামায়নি, মধ্যদেশত চলা ভাগ আৰুণী (১৯) আৰু পূৰ্ব্বপ্ৰদেশত চলা ভাগ আলম্বী শাখা বুলি গণ্য হয়। এই এই সংহিতাবাদী বিপ্ৰবিলাকেই চৰক নামেৰে অভিহিত হয়। এই চৰকবিলাকেই পাঁচত অধ্বৰ্য্য নাম পায়। বিষ্ণু পুৰাণে এই সংহিতাবোৰক কৃষ্ণযজুঃ বা তৈত্তিৰীয় (২০) সংহিতা বুলিছে।

বৈশম্পায়নৰ লগত বিৰোধ কৰা বাবে বৈশম্পায়নে যাজ্ঞবল্ক্যক পৰিত্যাগ কৰে। ব্ৰহ্মৰাতী যাজ্ঞবল্ক্যে স্বাধীনভাৱে নতুন যজুঃ সঙ্কলন কৰি উলিয়ায়। তাৰ নাম বাজসনেয় (২১) সংহিতা বা শুক্লযজুঃ হয়। যাজ্ঞবল্ক্যৰ ১৫ জন শিষ্য আছিল। তেওঁলোকৰ নাম—কণ্ব, বৈধেয়, শালী, মধ্যন্দিন, শাপেয়ী, বিদিগ্ধ, উদ্দল, তাম্ৰায়ণ, বাৎস্য, গালব, শৈশিৰী, আটবী, পৰ্ণী, বীৰণি আৰু পৰায়ণ। এওঁলোকে বাজসনেয় সংহিতা শিকাৰ নিমিত্তে 'বাজিন্' নাম পায়। এওঁলোকৰ পৰাই যজুৰ্ব্বেদৰ কাণ্ব প্ৰভৃতি পঞ্চদশ শাখা হয়। ভাৰতত কাণ্ব (২২), মাধ্যন্দিন শাখা দুটি এতিয়াও প্ৰচলিত আছে।

যজুৰ্ব্বেদ সংহিতাৰ এই ১৩১ জন বিভাগকৰ্ত্তা বা শাখাপ্ৰবৰ্ত্তক আছিল।

<u>সামবেদ সংহিতা</u>—জৈমিনিয়ে প্ৰথমতে তেওঁৰ পুত্ৰ সুমন্তক এই সংহিতা শিকায়। সুমন্তয়ে নিজ পুত্ৰ সুত্বকক, আৰু সুত্বকে নিজপুত্ৰ সুকৰ্ম্মাক সংহিতা শিক্ষা দিয়ে। সুকৰ্ম্মাই (২৩) ১০০০ সংহিতা ৰচি প্ৰথমতে সহস্ৰক আৰু সূৰ্য্যবৰ্চ্চা নামে দুজন শিষ্যক শিক্ষা দিয়ে। তেওঁলোকে অনধ্যায় দিনত বেদপাঠ কৰাৰ নিমিত্তে ইন্দ্ৰে তেওঁলোকক বধ কৰে '(ব্ৰঃ পু)।

সুকৰ্ম্মাৰ আৰু দুজন প্ৰধান শিষ্য আছিল।—নাম—পৌষপিঞ্জি (২৪) আৰু হিৰণ্যনাভ (২৫) ( বিঃ পুঃ )।

পৌষপিঞ্জিয়ে ৫০০ সংহিতা ৰচে আৰু সেইবোৰ চাৰিজন শিষ্যক শিকায়। সেই চাৰিজনৰ নাম—লোগাক্ষি ( লোকাক্ষি ব্ৰঃ ) কুথুমী, কুশীদি ( কুশীতি ব্ৰঃ ) আৰু লাঙ্গলী। এওঁলোকক উদীচ্য সামগ বুলিছিল।

হিৰণ্যনাভে ৫০০ সংহিতা ( ১৫ বিঃ পুঃ ) ৰচে আৰু সেইবোৰ তেওঁৰ শিষ্যবিলাকক শিকায়। সেই শিষ্যবোৰে প্ৰাচ্য সামগ বুলি খ্যাত হৈছিল।

হিৰণ্যনাভৰ প্ৰধান শিষ্য ৰাজপুত্ৰ কৃতে (কৃতি বিঃ পু) ২৪ খনি সংহিতা ৰচে আৰু সেইবোৰ তেওঁৰ ২৪ জন শিষ্যক শিকায়। নাম—ৰাড়, মহাবীৰ্য্য, পঞ্চম, বাহন, তালক, পাণ্ডক, কালিক, ৰাজিক, গৌতম, আজবস্ত, সোমৰাজ, অপতস্তত, পৃষ্ঠয়, পৰিকৃষ্ট, উলূখলক, যবীয়স্, বৈশাল, অঙ্গুৰীয়, কৌশিক, শালীমঞ্জৰী, সত্য, কাপীয়, পৰাশৰ আৰু ধৰ্ম্মাত্মা। এওঁলোকক কাৰ্ত্ত (২৬) সামগ বুলিছিল।

লোগাক্ষিৰ পাঁচজন শিষ্য। নাম—তণ্ডিপুত্ৰ, ৰাণায়নীয়, মৃগাচাৰী, সাকেতিপুত্ৰ আৰু সহনাত্যপুত্ৰ।

কুথুমীৰ তিনিজন পুত্ৰ শিষ্য আছিল। নাম—ঔৰস, পাৰাশৰ (২৭), ভাগবিত্তি। এওঁলোক কৌথুম বুলি বিখ্যাত হয়।

সৌবিষ্ঠাঃ, শৃঙ্গিপুত্ৰ আৰু সৌমিত্ৰ নামে তিনিজন ঋষিৰ নাম ব্ৰহ্মাণ্ডপুৰাণত উল্লেখ আছে। কিন্তু তেওঁলোক কাৰ শিষ্য মূলৰ (২৮) পৰা বুজা নাযায়। এওঁলোক ঔৰসাদিৰ কোনো জনৰ শিষ্য হব পাৰে।

শৃঙ্গিপুত্ৰে তিনিখন সংহিতা ৰচে। এওঁৰ চৈল (চৈল ব্ৰঃ পু), প্ৰাচীনযোগ আৰু সুৰাল নামে তিনি শিষ্যে ৬ খন সংহিতা ৰচে।

পাৰাশৰ্য্য-কৌথুম বুলি এজনৰ নাম পোৱা যায়। এওঁ ওপৰত উল্লেখ কৰা পাৰাশৰেই যে তাত কোনো সন্দেহ নাই।

এওঁৰ শিষ্য লাঙ্গলী (২য়) আৰু শালিহোত্ৰ (২৯)।

এওঁলোকৰ পাচতে আসুৰায়ণ আৰু বৈশাখ্য বুলি দুজনৰ নাম পোৱা যায়। এওঁলোক সম্ভৱতঃ পাৰাশৰ্য্য-কৌথুমৰে (৩০) শিষ্য।

ওপৰত উল্লেখ কৰা ঔৰসৰে পৰা নামি অহা ঋষি-সকল কৌথুম শাখাৰ অন্তৰ্গত। এই কৌথুম (৩১) শাখা গুজৰাটত প্ৰচলিত আছে।

লাঙ্গলী (২য়) আৰু শালিহোত্ৰই দুয়ো ছখনকৈ সংহিতা ৰচে। লাঙ্গলীৰ শিষ্য ভালুকি, কামহানি, জৈমিনি (২য়), লোমগায়নি, কণ্ড আৰু কোহল এই ছ-জন। এওঁলোক লাঙ্গলী ( বা লাঙ্গলীয় ) বুলি খ্যাত। এওঁলোক সংহিতা-সংস্কাৰক।

---

(১৯) আসুৰী (বায়ু পু)। (২০) (২১) পুৰাণত তৈত্তিৰীয় আৰু বাজসনেয় নাম হোৱাৰ এটা উপাখ্যান আছে। তাত উল্লেখ কৰিছে— বৈশম্পায়নে যেতিয়া যাজ্ঞবল্ক্যক পৰিত্যাগ কৰে, সেই সময়ত তেওঁ যাজ্ঞবল্ক্যক শিকোৱা যজুঃবিলাক ফিৰাই দিবলৈ আদেশ কৰে। যাজ্ঞবল্ক্যে তেওঁ শিকা যজুঃবিলাক উদ্গীৰণ কৈ দিয়ে। তাকে আন ব্ৰাহ্মণবিলাকে তিত্তিৰপক্ষী ৰূপ ধৰি গ্ৰহণ কৰিছিল। সেই কাৰণে যজুৰ্ব্বেদৰ এই শাখাই তৈত্তিৰীয় বা কৃষ্ণযজুঃ নাম পায়।

যাজ্ঞবল্ক্যে গুৰুক এৰি গৈ সূৰ্য্যক আৰাধি নতুন যজুঃ লাভ কৰে। সেই যজুৰ প্ৰথম নাম 'অযাতযাম' (ব্ৰঃ পু)। সূৰ্য্যই বাজী অৰ্থাৎ অশ্বৰূপ ধৰি এই যজুঃ দান কৰা বুলি বিষ্ণুপুৰাণে কয়। কিন্তু ব্ৰহ্মাণ্ডই যাজ্ঞবল্ক্যয়ে নিজে সেইৰূপ ধৰা বুলি উল্লেখ কৰে। যি হওক, সূৰ্য্যদত্ত সেই সংহিতা বাজসনেয় সংহিতা বা শুক্লযজুঃ নামে খ্যাত হয়। পাশ্চাত্য পণ্ডিতসকলে অনুমান কৰে যে যাজ্ঞবল্ক্যই বাজসনী বা বাজসনেয় নাম ধাৰণ কৰিছিল। সেইকাৰণে তেওঁৰ শিষ্যবিলাকক বাজসনেয় বা চমুকৈ বাজিন্ বুলিছিল। কিন্তু বাজিন্ শব্দ ঘোঁৰা বুলি ধৰি ভুল কৰা হয়। সেইদৰে তিত্তিৰকো পক্ষী ধৰা ভুল। তিত্তিৰ স্পষ্টতঃ কৃষ্ণযজুৰ ভিতৰত শ্ৰেষ্ঠ। তাক অধ্যয়ন কৰা বিলাকেই তৈত্তিৰীয়। এই সম্বন্ধে পাৰ্জ্জিতাৰ চাহাবে কি লিখিছে চাওক—

All these occurrences and names are explained in a story, which consists largely of fable and grew out of a misunderstanding of names..................................... Now *Vajin* can be synonymous with Vajasani the name of *a* Yajnavalka ; this Yajnavalka was (either Vajasani or) Vajasaneya ; hence his disciples, the Vajasaneyas of the White Yajus, were called shortly Vajins : but Vajin was misunderstood as a 'horse' and so he is styled '*Asvarupa*'(1. Similarly, *Tittiri* was apparently the chief of the disciples of the Black Yajus, and his followers were the Taittiriyas.

( 1.) Vis, misunderstanding, makes the Sun appear 'Asvarupa.' Bhag : copied )
[ Pargiter's Ancient Indian Historical Tradition—P. 323—24. ]

(২২) The White Yajus is extant in both recensions, Kanwa Madhyandina—Weber.

(২৩) বিষ্ণু পুৰাণত—জৈমিনিৰ পুত্ৰ সুমন্ত আৰু পৌত্ৰ সুকৰ্ম্মা। এওঁলোকে সামবেদৰ এক এক শাখা শিকে। সেই শাখা দুটিকে সহস্ৰ সংহিতাত বিভক্ত কৰে। (২৪) পৌষঞ্জি ( বায়ু ব্ৰঃ পুঃ )—(ভুলপাঠ)—পৌষপিঞ্জিহে শুদ্ধ (বিঃ পুঃ) "পৌষপিঞ্জ" Vedic Index— ii—27. (২৫) ব্ৰহ্মাণ্ডত হিৰণ্যনাভক পৌষঞ্জিৰ শিষ্য দেখায়। তেওঁৰ লগত কৌশিক্য বুলি আৰু এজন শিষ্যৰ নাম পোৱা যায়। এওঁ ১৫খন সংহিতা ৰচে। (২৬) বায়ু আৰু ব্ৰহ্মাণ্ডত ভুল কৰি 'ক্ৰান্ত' কৰিছে। (২৭) ৰসপাসৰ—(ব্ৰঃ পু)। (২৮) মূল 'defective"—(Pargiter). (২৯) পালিহোত্ৰ (ব্ৰঃ পুঃ)। (৩০) ব্ৰহ্মাণ্ডই পাৰাশৰ্য্য-কৌথুমৰ ভেদ ছয় প্ৰকাৰ বুলি লিখিছে। (৩১) ডাক্তৰ ৰাজেন্দ্ৰলাল মিত্ৰই তেওঁৰ সম্পাদিত ছান্দোগ্য উপনিষদৰ ভূমিকাত লিখিছে—"কৌথুমশাখা গুজৰাটে, জৈমিনীৰ কৰ্ণাটে আৰ ৰাণায়নীয় মহাৰাষ্ট্ৰে প্ৰচলিত।"

সামগ বা সামবেদৰ শাখা-প্ৰবৰ্ত্তক ঋষিসকলৰ ভিতৰত পৌষপিঞ্জি আৰু কৃতৰ নামেই অতিশয় প্ৰসিদ্ধ।

অথৰ্ব্ববেদ সংহিতা—এই সংহিতাৰ সংস্কাৰকৰ্ত্তা সুমন্ত। তেওঁৰ শিষ্য কবন্ধ। কবন্ধে শিকা সংহিতা তেওঁ দুভাগ কৰি, এভাগ পথ্যক আৰু আনভাগ দেৱদৰ্শ (৩২) নামে শিষ্যক শিক্ষা দিয়ে।

দেৱদৰ্শে তেওঁৰ সংহিতা চাৰিভাগ কৰি চাৰিজন শিষ্যক শিক্ষা দিয়ে। সেই চাৰি শিষ্যৰ নাম—মোদ (৩৩), পিপ্পলাদ (৩৪), ব্ৰহ্মবল (৩৫) আৰু শৌকায়নি (৩৬)।

পথ্যে তেওঁৰ সংহিতা তিনিভাগত বিভক্ত কৰে আৰু সেই তিনি সংহিতা জাজলি, কুমুদাদি (৩৭) আৰু শৌনক (৩৮) নামে তিনি শিষ্যক শিকায়। এওঁলোক প্ৰত্যেকে একো একো শাখাৰ প্ৰবৰ্ত্তক।

শৌনকে দুখন সংহিতা ৰচে; তাৰে এখন বভ্ৰুক আৰু আনখন সৈন্ধবায়নক শিকায়। সৈন্ধবায়নে মুঞ্জকেশক দিয়ে। মুঞ্জকেশে তাকে দুভাগ কৰে। এই দুভাগৰ ভিতৰত নক্ষত্ৰকল্প, বৈতান, (৩৯) সংহিতাবিধি, আঙ্গিৰসকল্প আৰু শান্তিকল্প আছে। এই কেইটাই অথৰ্ব্ববেদৰ ভিতৰত শ্ৰেষ্ঠ।

আজিকালি ভাৰতত অথৰ্ব্ববেদৰ যি শাখা প্ৰচলিত, সেই শাখা শৌনকেয়। পিপ্পলাদৰ প্ৰচলিত শাখা কাশ্মীৰত বৈছে বুলি শুনা যায়।*

ওপৰৰ বিৱৰণত বেদৰ উৎপত্তিৰ কথা, যুগে যুগে কতজন বেদব্যাস নামে ভূষিত হৈছিল তাৰ কথা আৰু কলিৰ আদিতে কৃষ্ণদ্বৈপায়নৰ দ্বাৰা বেদসঙ্কলনৰ আৰু আন আন ঋষিসকলৰ দ্বাৰা শাখা প্ৰশাখাৰ প্ৰবৰ্ত্তনৰ কথা দেখুৱা হল। তাৰ পাচত আৰু কত শাখা প্ৰশাখা হৈছিল তাৰ বিৱৰণ পাবলৈ টান। যি হওক, পুৰাণবিলাকত উল্লেখ থকা ঋষিসকলৰ এই পবিত্ৰ বিৱৰণ বা সামাজিক ইতিহাস প্ৰাচীন ভাৰত-বুৰঞ্জীৰ এটি প্ৰধান অঙ্গ। সেই ঋষিসকলৰ আবিৰ্ভাৱ-তিৰোভাৱ কুৰুক্ষেত্ৰ যুদ্ধৰ পাচৰ বুলি প্ৰমান পোৱা যায়। পাৰশৰ্য্য (ব্যাস) আৰু তেওঁৰ শিষ্য বৈশম্পায়ন আদিৰ নাম তৈত্তিৰীয় ব্ৰাহ্মণত পোৱা যায়। ভাৰত-যুদ্ধৰ পাচত জন্মা পৰীক্ষিত, জনমেজয়ৰ নাম তৈত্তিৰীয় আৰু শতপথ ব্ৰাহ্মণত উল্লেখ আছে। জনমেজয়ৰ আগত মহাভাৰত-বক্তা বৈশম্পায়ন। এইবোৰ প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি পাশ্চাত্য পণ্ডিতসকলে বেদসঙ্কলন আৰু কুৰুক্ষেত্ৰৰ যুদ্ধ সমকালীন বুলি সিদ্ধান্ত কৰে।† সেই সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি আৰু কলিৰ অব্দ ধৰি বেদসঙ্কলন প্ৰায় ৫০০০ বছৰৰ পূৰ্ব্বৰ আৰু বেদৰ শাখা-প্ৰশাখাৰ বিভাগ সেই সময়ৰ পাচৰ বুলি ঠিৰাং কৰিব পাৰি।

শ্ৰীসোণাৰাম চৌধুৰী

---

(৩২) বেদদৰ্শ—(ভাঃ ১২স্ক); বেদস্পৰ্শ—(ব্ৰঃ পু)। (৩৩) মৌদ্গ—(বিঃ পু); মোদোষ—(ভাগঃ)। (৩৪) পিপ্পলানি—(ভাগঃ)। (৩৫) ব্ৰহ্মবলি—(বিষ্ণু আৰু ভাগৱত)। (৩৬) শৌক্লায়নি—(ভাগঃ)। (৩৭) কুমুদ (ভাগঃ)। (৩৮) শুনক (ভাগঃ)। (৩৯) বেদকল্প (বিষ্ণুঃ পু)।

* The extant Samhita of the Atharva Veda, seems to belong to the Saunakas, while the Pippalada Samhita has come down to us in a second recension still preserved in Kashmere—Weber—P. 146.

† According to all scholars the great war and the Compilation of the Vedas belong to the same period (Macdonell's, Sanskrit Literature, pages 174-175 & 285; Hopkins' Religions of India p. p. 177-9).

## বিচ্ছেদ

জুৰিটি শোধোৱা কৰ সমুদ্ৰ-বাজক
সাগৰ উদ্দেশে বোৱা কুলু কুলু কই;
মোৰ স'তে আজি হায়! বিচ্ছেদ ঘটিল,
পৰ্ব্বত-জীয়াৰী হেৰা চিৰকাললৈ।

ইয়াতে অৰ্জ্জুনজোপাই পেলাব চকুলো,
কঁপিব আঁহত পাত থৰ্ থৰ্ কৈ;
তোমোৰা ইয়াতে আহি গাব গুণ্ গুণ্,
পৰ্ব্বত জীয়াৰী হেৰা চিৰকাললৈ।

পৰ্ব্বতে ভৈয়ামে বোৱা ধীৰে ধীৰে ধীৰে,
প্ৰাণৰ জুৰিটি হেৰা, হ'বা বৰ নৈ;
মোৰ স'তে দেখাদেখি নহব কদাপি
পৰ্ব্বত-জীয়াৰী হেৰা চিৰকাললৈ।

সোণালী সূৰ্য্যই দেখি, ৰহণ চৰাব
চন্দ্ৰমা নাচিব আহি জিল্ মিল্ কৈ,
নাবাজে তোমাৰ সুৰ অন্তৰত মোৰ
পৰ্ব্বত-জীয়াৰী হেৰা চিৰকাললৈ।

শ্ৰীমহেন্দ্ৰনাথ ভট্টাচাৰ্য্য

---

## সুব্ৰৰ্ণলতা

(১)

সন্ধিয়া। তৰা-বছা সৰগ-ফুলনি। আকাশ নিৰ্ম্মল। ক'তো ডাৱৰৰ চেকা নাই। মাত্ৰ পছিম আকাশত দুটামান ডাৱৰে থিয় হৈ, নামনিলোকক কোনো অপৰিচিত জন্তুৰ দৰে দেখুৱাইছে। ৰিব্ ৰিব্ মধুৰ বতাহ। ক'তো কাৰো সাৰ-সিৰকতি নাই। কেৱল জোপোহা বাঁহৰ পৰা শালিকী জাকে কিৰীলি পাৰি উঠিছে। মাজে মাজে বৈ বৈ কেঁচাৰ "নিউ" "নিউ" শব্দ, কি ভয়ানক! বাদুলিবিলাকে উৰি উৰি কল-ডিলৰ আঁহ-পাহ খাবলৈ কল-গছবিলাকত জপ্ জপাই পৰিছে। শিয়ালবিলাকে আলিয়ে-পদূলিয়ে আহাৰ বিচাৰি খেকখেকাই ফুৰিছে। পূব আকাশত জোন-বায়ে ভুমুকিয়ালে। বিলৰ মাজত ভেঁট-কলি ফুলি উঠিল। বতাহত উটি আহিছে—তাৰ গোন্ধ! হাতত বাঁহী লৈ ফুলনিলৈ গলোঁ। ধুনীয়া ফুলনি। ফুল-গছবিলাকে বতাহত হালিছে জালিছে। সন্ধিয়াৰ নিয়ৰত তিতা ফুলবিলাকে, জোনবাইৰ সৌন্দৰ্য্য-কণা পোৱাত হাঁহি উঠিছে—অপূৰ্ব্ব হাঁহি, স্বৰ্গীয়! ফুলনিৰ শোভা চাই ভোল গলোঁ। লাহে লাহে ফুলনিৰ মাজত থকা দুবৰি বনডৰাত বহি সুদূৰ নীল আকাশলৈ চাই বাঁহী বজালোঁ। বাঁহী বাজি উঠিল। বাঁহীৰ সুৰত সান্ধ্য সমীৰণ কঁপিবলৈ ধৰিলে। প্ৰতিধ্বনি শুনিলোঁ। কাণত বাজি উঠিল এটি মধুৰ—সুহৰি। বাঁহী বজাবলৈ এৰিলোঁ। চাৰিওফালে ঘূৰি চালোঁ,—কাকো নেদে-খিলোঁ। তন্ময় হ'লোঁ। মনত অতীতৰ মধুৰ স্মৃতি জাগি উঠিল। কিবা এটা অভাৱ অনুভৱ কৰিলোঁ,—যেন পোৱা নাই! আকাশ পতাল ভাবিবলৈ ধৰিলোঁ। অলপ আঁতৰৰ পৰা এধাৰ বন-গীত বতাহত উটি আহিলে—

"তোমাক ভাবি ভাবি থিয়ৈ টোপনিয়াও
ভাল মোৰ আপদৰ দিন;
অবলা বুলি যে দেখাকে নিদিয়া
এয়েনে প্ৰণয়ৰ চিন!"

গীতৰ সুৰৰ লগে লগে মোৰ সুপ্ত যৌৱন জাগি উঠিল।

প্ৰেম অনুভৱ কৰিলোঁ। আহা, প্ৰেম—প্ৰেম যে এটা স্বৰ্গীয় বস্তু !! প্ৰেমত যে কিমান মাধুৰী নিহিত! ধন্য প্ৰেম! ধন্য তোমাৰ মোহিনী শক্তি !! অনাগত যৌৱনৰ মধুৰ প্ৰতীক্ষা! প্ৰাণভৰি উঠিল—কোনোবা সুন্দৰীৰ সৌন্দৰ্য্য! মূৰ্ত্তি ধৰি যেন চকুৰ আগত নাচিবলৈ ধৰিলে। মন, আনন্দত আপ্লুত হৈ উঠিল। ভালে-টিহে কবিয়ে গাইছে—

"যৌৱন জাগিছে ধীৰে!
কোন নয়নৰ পুতলি নাচিছে
আজি কল্পনাৰ তীৰে?"

সুহুৰিৰ সুৰ লক্ষ্য কৰি খোজ ললোঁ। কিন্তু ক'তো কাকো নেদেখিলোঁ। বিষাদ মনেৰে আকৌ কুলনিলৈ ঘূৰি আহিলোঁ। আগৰ ঠাইত বহি পুনৰ বাঁহী বজালোঁ। কৰুণ সুৰত বাঁহী বাজি উঠিল। লাহে লাহে বাঁহীৰ সুৰ থামি গল। ঘৰলৈ উভতিলোঁ। তেতিয়া ৰাতি ঠিক দহোটামান বাজিছিল।

( ২ )

সেই কুলনিৰ পাৰতে সুবৰ্ণলতাৰ ঘৰটি। ঘৰৰ পাছফালে এখন পৰ্ব্বতীয়া সৰু নৈ বৈ গৈছে—ধীৰে ধীৰে, কুলু কুলু সুৰে। বসন্ত কাল। ফুল লতাবিলাকে ফুলি ফুলি দিক বিদিক আমোদিত আৰু সুশোভিত কৰিছে। ফুলি কেতেকীৰ অমৃতময় আহ্বান। নৈৰ পাৰত থকা স্তূপীকৃত এজাৰ গছ জোপাৰ পৰা কপৌ চৰাইটিয়ে মাতিলে, "কুহু কু কু।" জগতত চাৰিওফালে যেন আনন্দ, উজ্জ্বল, প্ৰভাময়! সন্ধিয়া। বেলি পৰো পৰো। এনেতে সুবৰ্ণলতাই কাষত এটি কলহ লৈ পানী আনিবৰ কাৰণে সৰু পৰ্ব্বতীয়া নৈখনিৰ পাৰত থিয় হল। তাই সান্ধ্য সুৰুযৰ সেই অপৰূপ সৌন্দৰ্য্য একেথৰে ৰ লাগি চাবলৈ ধৰিলে। চাই থাকোতেই বেলিটি অস্তগিৰি শিখৰত আধা লুকালে। অলপ পাছতে পছিমৰ পৰা এপাহি সোণৰ সুৱগা আহি সুবৰ্ণলতাৰ কোমল ওলমি পৰা গাল দুখনি চুলেহি। বেলি পৰিল; সুবৰ্ণলতাই এটি দীঘল হুমুনিয়া কাঢ়ি পানীৰ ঘুৰলিলৈ নামি গল। কলহত পানী ভৰাই গুণ গুণ সুৰে কিবা গীত গাই ঘৰলৈ উলটিল। তেতিয়া মই নৈৰ পাৰত বহি বাঁহী বজাই আছিলোঁ। সুবৰ্ণলতাৰ সেই সকলোবিলাক কথা কাণ্ড দেখি মোৰ প্ৰাণ এক নতুন প্ৰেমত নাচি উঠিল। বাঁহী বজাবলৈ এৰিলোঁ। মন কেনেবা হ'ল। নেজানো কিহৰ আকৰ্ষণ!

( ৩ )

সদায় বাঁহী বজাবৰ কাৰণে সৰু নৈখনিৰ পাৰলৈ যাবলৈ ধৰিলোঁ। ইচ্ছা,—সুবৰ্ণলতাৰ মোহিনী ছবিটি চাই মোৰ মন-প্ৰাণ শাঁত কৰা। সন্ধিয়া বাঁহী বজাই আছোঁ, সুবৰ্ণলতাই পানী-নিয়া-ঘাটৰ অলপ দূৰতে। এনেতে আগৰদৰে সুবৰ্ণলতাই কাষত এটি কলহলৈ নৈৰ ঘাটত থিয় হল। তাইক দেখি তন্ময় হলোঁ। অলপ পৰ বৈ, তলত দিয়া বন-গীতটি গাই তাইক আত্ম-সম্ভাষণ জনালোঁ—

"লুইতৰে বালি বগী চকেচকী
কাছই কণী পাৰে লেখি;
গাত জুই জলিছে, সৰিয়হ ফুটিছে,
তোমাক পানী ঘাটত দেখি।"
( আই ঐ! )

গীত গোৱা শেষ হওঁতেই সুবৰ্ণলতাই মোৰ ফালে ঘূৰি চালে। মইয়ো চালোঁ। চাৰিচকুৰ সম্মিলন হ'ল। সুবৰ্ণলতাই ৰঙা ওঁঠ দুটিৰে হাঁহি এটি মাৰি কলহত পানী ভৰালে। ঘৰলৈ যাবৰ সময়ত আকৌ এবাৰ চালে। হৰিণাক্ষী নয়ন দুটিৰে—এটি ইঙ্গিত দি গুচি গ'ল, তাই আকৌ আহিব—সন্ধিয়া পৰত—পানী নিবলৈ।

( ৪ )

পাচদিনা সন্ধিয়া, আগৰ দৰে নৈৰ ঘাটত বাঁহী বজাই বহি আছোঁ। এনেতে সুবৰ্ণলতাই যেজাৰ মনেৰে পানী নিবলৈ আহিল। তাই মোৰ কাষত বহি উচুপি উচুপি কান্দিবলৈ ধৰিলে। মই—মুৰটো লাহেকৈ ডাঙি সুধিলোঁ, "সুবৰ্ণ! লাহৰী, কান্দিছা কিয়?" সুবৰ্ণই নেমাতিলে। মাথোন মোৰ ভৰি দুটাত ধৰি মূৰ্চ্ছা গ'ল। সুবৰ্ণলতাৰ তেনে অৱস্থা



দেখি মোৰ চকু দুটাৰ পৰা চকুলো ব'বলৈ ধৰিলে। অলপ পৰ বৈ কবলৈ ধৰিলোঁ, "সুবৰ্ণ! কোৱাঁ, তোমাৰ কি হ'ল?"

সুবৰ্ণলতাই বহুত পৰৰ পাচত কান্দিবলৈ এৰি দি যেজাৰ মনেৰে ক'লে "দুখুনীৰ ভাগ্যত এয়ে আছিলনে?" এই বুলি আৰু কান্দিবলৈ ধৰিলে। অলপ পাচতে কান্দোন বন্ধ কৰি পুনৰ ক'বলৈ ধৰিলে, "মোৰ আই-বোপায়ে কোনো এজন অচিনাকী পুৰুষৰ লগত মোক বিয়া দিব খুজিছে। মই যে, আপোনালৈকেহে বাট চাই আছোঁ। এনেস্থলত কেনেকৈ আনক আশ্ৰয় দি খিচাবিনী হ'ম? নতুবা কি উপায়েৰে ওক জনৰ লগত বাদ নকৰাকৈ থাকো? ইয়াকে ভাবি অস্থিৰ হৈছোঁ।"

মই ক'লোঁ, "সুবৰ্ণ! সধাৰণ মানসিক উৎকণ্ঠা দূৰ কৰি পিতৃমাতৃৰ কাৰ্য্যতহে ব্ৰতী হোৱা যুগুত। বিশেষকৈ তোমাৰ লগত মোৰ বিবাহ হোৱা নাই। গতিকে, মনত অমূলক ধাৰণা কৰি শোকাতুৰা নহ'বা।"

সুবৰ্ণ—"সিজন্মত আপোনাক সেৱা কৰিবৰ কাৰণে, কাইলৈ পুৱাতে বিভুক সাধনা কৰিম।" এই বুলি সুবৰ্ণলতাই মোৰ ভৰি দুটাত ধৰি এটি সেৱা কৰিলে। মই কি উত্তৰ দিম! মন্ত্ৰমুগ্ধ সাপৰ দৰে সুবৰ্ণক চায়ে থাকিলোঁ! সুবৰ্ণলতাই এটি দীঘল হুমুনিয়া কাঢ়ি মোৰ ওচৰৰ পৰা কলহত পানী ভৰাই লৈ আঁতৰি গ'ল। পিচদিনা ৰঙা বেলিটিয়ে লাহেকৈ পুব আকাশত ভুমুকি মাৰি ওলাই আহিল। চৰাই-পক্ষ সকলোৱে পুৱাৰ আৰতি কৰিছে। ফুৰ ফুৰ কৈ মলয়া বৈ আহিল। গৰখীয়া লৰাইতে নৈৰ কাষত বহি গৰু চৰাই বন-গীত গালে—

"কালৈ সাঁচিলি অপাৰ ধনে কাপোৰ
কালই সাঁচিলি ধন?
কাপোৰো পচিব, ধনও হৰিব,
হাড়তো গজিব বন।"

এনে সময়তে হাতত বাঁহী লৈ নৈৰ পাৰলৈ গলোঁ। বাঁহী বজাবলৈ ধৰিলোঁ। বাঁহীৰ কৰুণ সুৰত নৈৰ বক্ষ নাচিবলৈ ধৰিলে। ইপিনে গাঁৱত খবৰ ওলাল, সুবৰ্ণলতা ঘৰত নাই। ওচৰ-চুবুৰীয়া সকলোৱে বিচাৰিলে কিন্তু, কেৱে একো চিন ছাপকে উলিয়াব নোৱাৰিলে। কথাষাৰ আহি মোৰ কাণত পৰিলহি। বুজিবলৈ আৰু বাকী নেথাকিল। বাঁহী বজাবলৈ এৰিলোঁ। নৈৰ গড়াত আঁউজি পাৰেমানে কান্দিলোঁ। কান্দি-কান্দি আমনি লাগিল। যেজাৰ মনেৰে আকৌ বাঁহী বজাবলৈ আৰম্ভ কৰিলোঁ। কিন্তু হায়! বাঁহী আৰু বাজি নুঠিল! আকৌ কান্দিলোঁ। হায়, মোৰ মানসী প্ৰতিমা সুবৰ্ণ! তুমি মোক এৰি ক'লৈ গ'লা? মোৰ প্ৰতি তোমাৰ অলপো দয়া নহলনে? তুমি কালি কৈছিলা 'সি জন্মত আপোনাক সেৱা কৰিবৰ কাৰণে কাইলৈ পুৱাতে বিভুক সাধনা কৰিম।' তোমাৰ সেই বাণী আজি কাৰ্য্যত পৰিণত কৰিলা। লাহৰী, তুমি মোক ক্ষমা কৰিবা। মই তোমাৰ ওচৰত বহুত অপৰাধ কৰিছিলোঁ। হায়! হায়! তোমাৰ অবি-হনে মই কেনেকৈ সংসাৰত জীয়াই থাকিম? কবিৰ ভাষাত কওঁ, লাহৰী...

'সংসাৰত ৰ'ম যতদিন
চকুলো টুকিম মাথোঁ।
তোকে মই সুঁৱৰি সুঁৱৰি,
সংসাৰত ৰ'ম যতদিন
গাম মাথোঁ বিষাদৰ গান,—
চকু-পানী মোহাৰি মোহাৰি।"

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন।

# পৰাগ

## ( আলোচনা )

বেছি বস্তু নেলাগে। 'প্ৰিয়া' এই শব্দটো অনুভৱ কৰিবলৈ বেছি বস্তু নেলাগে, 'হিয়া এখন হলেই যথেষ্ট। এই হিয়াৰ অনুভূতিৰ অবাধ প্ৰকাশ পাশ্চাত্য সাধনাৰ ফল বুলি মানিলেও সি ভাৰতীয় সাধনাত কেতিয়াও নতুন কথা নহয়। অকল কালিদাসেই আমাৰ এই কথাৰ সাক্ষী। প্ৰণয় ( প্ৰেম নহয় ) যদি হিয়াৰ এটা সহজ অনুভূতি হয় আৰু তাৰ প্ৰকাশত যদি মানুহৰ স্বাধীনতা থাকে তেনে জগৎ-সংসাৰৰ পক্ষে সি বৰ শুভ কথা নহয়, কাৰণ পৃথিবীৰ অতীত বুৰঞ্জী প্ৰণয়-প্ৰকাশৰ স্বাধীনতাৰ বাবেই বেছি ভাগ ৰাঙলী। হিয়াত বহুতো অনুভূতি হয়, তাৰ ভিতৰত যদি প্ৰিয়াৰ অনুভূতিটোৱেই সহজ, তাক বহুতে অস্বীকাৰ নকৰিব। কোনোবা এজন বিখ্যাত অসমীয়া নটে জনম মৰণৰ এটা নাচ দেখুৱাইছিল তাত এটা সময় আছিল যি সময়ত নাচৰ গতিটো উদ্দাম আৰু অস্থিৰ। সেই সময়টো মানুহৰ জীৱনত খাপ খুৱালে যি সময় পাওঁ তাৰ নাম যৌৱন। তেতিয়া ডাৱৰ, ফুল, লতা, নৈ, জোনৰ পোহৰ, চৰাইৰ মাত, বাঁহী আৰু বসন্তৰ বতাহে মানুহক এটা বেলেগ কথা কয়। সেই ভাষাটো যেন ডাৱৰৰ বা ফুলৰ নহয়, নৈৰ নহয়, অথচ নৈ, ফুল বা ডাৱৰৰ ভিতৰেদিয়েই কথা কৈছে এনে এজনা মায়াময়ী—যি ক্ষণে ক্ষণে কান্দে, নাচে, হাঁহে, ব্যাকুল হয়, নুপুৰ বজায়, লগ লবলৈ মাতে আৰু কেতিয়াবা সপোনতো দেখা দিয়ে স্নিগ্ধ, ডাঙৰ, স্নেহযুত চকুহুটিৰে সমাজিক দেখোঁতাৰ অনন্ত জীৱনৰ পৰম মধুৰ কথাকে। এৱেঁই প্ৰিয়া। এই প্ৰিয়াকে ভাবী প্ৰিয়া বুলি ভাবি পৰাগ-লেখকে এই বুলি সম্বোধন কৰিছে :—

'মানস মাধুৰী মোৰ মাধৱী মূৰতি
কোনে জানে, কেনি আছা প্ৰিয়া,
তোমাৰ সুৰতে বাজে মধুৰ বাঁহীটি
তোমাতেই নাচে মোৰ হিয়া।'

মানুহৰ মনৰ এনেকুৱা চিত্ত-বিভ্ৰমী মানসী যদি কেতিয়াবা সচাঁসচিকৈয়ে কাৰবাৰ ভাগ্যত ধৰণীত অৱতীৰ্ণা হয়হি তেতিয়া সেই ভাগ্যবানজনৰ জীৱনটো প্ৰণয়দেৱতাৰ বেদীত উৎসৰ্গীকৃত হয়। প্ৰেমৰ পূজাত হয় তেওঁৰ সিদ্ধি, নহয় তেওঁ প্ৰেমকে অমৰ কৰে। বাহিৰত প্ৰণয় যদি পৰিণয়ত পৰিণত হয়, তেনে সি মিলন; যদি নহয়, তেনে সেইটো সুবিখ্যাত বিৰহ হৈ প্ৰেমৰ প্ৰকাশ আৰু তীব্ৰ কৰে। চমুকৈ হিয়াৰ সেই আপদীয়া অনুভূতিটোৰ এয়েই মূল কথা আৰু আমাৰ আলোচ্য পৰাগত সেই অনুভূতিৰ মিলনৰহে সুৰ বাজিছে। এই মিলন প্ৰথমতে ৰূপহী প্ৰিয়াৰ ৰূপ-বৰ্ণনা, দ্বিতীয়তে বিশ্ৰম্ভ-আলাপ, তৃতীয়তে চুমা আৰু শেহত বিগত যৌৱনৰ উদাসীনতাৰ মাজত পৰ্য্যবসিত। তথাপি যৌৱনৰ অভাৱত প্ৰেমৰ অভাৱ নাই, কবিৰ তেতিয়াও অপৰিসীম তৃপ্তি। তেওঁ কয় :—

'তুমি আছা, মই আছোঁ, আৰু আছে ভাৱ,
প্ৰাণত কবিতা আছে কিহৰ অভাৱ?'

যৌৱনৰ অভাৱত প্ৰণয় নেথাকে কিন্তু প্ৰেম থাকে। নৈ বিল শুকাই গলেও সাগৰৰ পানী অক্ষয়, তাৰ পানীয়ে আকাশলৈ উঠি ডাৱৰ সাজে আৰু সেই ডাৱৰক দেখিয়েই মৈৰা চৰাইয়েও নাচে। এই দেখি বিহুৰ দিনাও বুঢ়াবুঢ়ীৰ এই প্ৰেমে যোগৰ সপোনৰ দৰে এটি কঁপা-চুমাৰে প্ৰিয়াৰ বিহুৱান হয়। * * বজাৰৰ লগত বহুতে অনুপ্ৰাস দিয়ে বেজাৰ, কিন্তু সি অশুধ, হোৱা উচিত বজাৰ। সেইদৰে বিহুৰ অনুপ্ৰাস বাহু বা কুহু কুহু অশুধ, শিহক শুধ হব বুলি ধৰি আনিলেও সি বুৰ মাৰি শুচি যাব, নেথাকে।

যৌৱনত প্ৰেমৰ যি ৰূপ তাৰ তাপত চেঙালুটি পাৰিলেও বতৰৰ বস্তু বতৰত বৰ সোৱাদ।

'এই সুখ, এই প্ৰেম, এনে বেমেজালি
এই বতৰতে বৰ আদৰৰ হয়।'



কণা কামদেৱেই যদিও ধনুশৰ ধৰি প্ৰেমৰ মণিকূট ৰখিছে তথাপি প্ৰেমৰ সিংহাসন ওপত, আৰু কামদেউৰ শৰে চুকি পোৱাৰ সীমাৰ সি বাহিৰ। এই সিংহাসনৰ তলত বহি প্ৰিয়াক কব পৰা বাক্য এইলৈকেই :—

'দিয়া সখি, তুমি মোক ৰূপৰ সলনি
কোমল মনেৰে সতে হৃদয় এখনি,
থিৰ মন ৰয় যাতে তোমাতে বিশ্বাস
দোষ ধৰি মন-জকা নেপায় মলভি।'

দুখৰ কথা, সংসাৰৰ বহুত মানুহে এই সিংহাসন চিনি নাপায় বা এই সিংহাসনৰ কাষ চাপিব নোৱাৰেগৈ। বহুতক কামদেৱেই নিপাত কৰে আৰু বহুতে মণিকূটৰ দুৱাৰমুখৰ পৰাই অধঃপতনৰ দ গাঁতলৈ বাগৰি পৰে।

পৰাগে প্ৰেম আৰু প্ৰণয়ক খেলি-মেলি কৰা নাই। প্ৰেম কথাটো ব্যাপক, প্ৰণয় অলপ কোঁচ খোৱা, ঠিক যেনেকৈ সুৰভি আৰু পৰাগ। সুৰভিক বন্দী কৰি ৰাখিব নোৱাৰি, সি কৰবালৈ উৰি গুচি যায়, ফুলৰ অন্তিমত পৰাগ সৰি পৰে আৰু তাত ৰাগ শব্দটো থকাত প্ৰিয়াক আলোচনা কৰা কিতাপত তালৈ অনুৰাগ হোৱাটোও পৰিপূৰ্ণ ৰাগ।

এইবোৰ সহজ সুখৰ কথা লিখোঁতে যে পৰাগ-লেখক অলপ ভয়াতুৰ তাক অঙ্গুলিৰ পদফাঁকিয়ে প্ৰমাণ কৰিছে, কিন্তু তেওঁ জনা উচিত যে গুটি লাগিবলৈ গছে ভয় কৰা অনুচিত, অৱশ্যে যদিও 'ডালে বোলে লাগো, পাতে বোলে ভাগো' সদায় আছেই। প্ৰিয়াক জন্তা আৰু লাজকুৰীয়া যেন দেখি তেৱেঁই দেখোন তেওঁক এই বুলি নিৰ্ভয় দিছে :—

'ভয় কৰা? থৈ দিয়া সিহঁতৰ কথা,
কপটীয়া সমাজৰ অনাচাৰ প্ৰথা।
বুজেনে সমাজে প্ৰিয়া, দুখদৈন্য মোৰ
গুচাবনে দুচকুৰ মলিয়ন লোৰ?'

পিছে, নিজৰ হেলিকা এক?

ওমৰ খৈয়াম, হাফেজৰ ৰহস্য-প্ৰেমৰ কথা এৰি প্ৰিয়াক এই দৰে কৈ হিয়াৰ সহজ অনুভূতি সকলোৱে প্ৰকাশ কৰিব পাৰে আৰু তেনে কৰাটোতো সমূলি একো ভয়ৰ কথা নাই :—

—'তুমি মোৰ জীৱনৰ চিৰলগৰীয়া
সুখ দুখ সকলোতে তুমি দৰদীয়া।'

পৰাগ লেখি প্ৰেমক যোগ্যতাৰে চৰ্চ্চা কৰা বাবে শ্ৰীযুত আনন্দচন্দ্ৰ বৰুৱাদেও নিশ্চয় সকলো অসমীয়া ডেকা-গাভৰুৰ শলাগৰ পাত্ৰ।

শ্ৰীকমলেশ্বৰ চলিহা।

---

# মিলন-নিশা

প্ৰাণেশ্বৰি! আজি মোৰ পৰাণ বিভোৰ,
তোমাৰ কাৰণে ধন,
শূন্য এই সিংহাসন
ৰাখিছিলোঁ কৰি আশা হৃদয়ত মোৰ,
বহিলা তাতেহি নাই আনন্দৰ ওৰ।

নহল কদাপি ব্যৰ্থ সকলো যতন
তোমাকেই আশা কৰি,
তোমাৰ পাছত লৰি,
আশা ভৰা হিয়া লৈ কৰিলোঁ ভ্ৰমণ;
পালোঁ আজি হেৰ', প্ৰিয়া! সাধনা-ৰতন।

আজি ই মিলন-নিশা হৈপাহ পলাই,
প্ৰেমৰ গাঁথনি গঁথা,
কম বুলি কত কথা,
ৰাখিছিলোঁ সাঁচি সাঁচি অন্তৰ ভৰাই,—
তোমাক আগতে দেখি মাতকে নোলায়।

সংহাৰিণী মূৰ্ত্তি ধৰি যেতিয়া শুকাই,
কৰিলা যে মৰুভূমি,
শীতলা ধৰণী তুমি,
কাতৰ সকলো জীৱ দাৰুণ ক্ষুধাই;
—তোমাৰ কাষতে মই আছিলোঁ লুকাই।

ৰণৰ বিজয় ভেৰি বজাই অশনি
বিজুলী ৰথত চৰি,
প্ৰলয় হুঙ্কাৰ কৰি,
কৰিলা যিদিনা তুমি প্লাবিতা ধৰণী,
—কাৰতে আছিলোঁ বাই আশাৰ তৰণী।

আহিলা লগত লৈ সৰগৰ সুধা,
আনন্দত আত্মহাৰা
চাতকে পি বাৰিধাৰা
মৃত-সঞ্জীৱনী পালে মুমূৰ্ষু বসুধা,
প্ৰেম-চাতকৰ মোৰ সুপ্তাচল ক্ষুধা।

শৰতৰ মহানিশা বহি নিজানত,
বাহ্যিক সকলো ভুলি,
কল্পনাৰ ঢউ তুলি,
বহৰাম বুলি মোৰ হিয়া-আসনত
আছিলোঁ কতনা কাল তোমাৰ ধ্যানত।

তাতেই দেখিলোঁ প্ৰিয়া, যৌৱন অধীৰা
তোমাৰ কোলাত পৰি,
সদানন্দ ৰূপ ধৰি,
চকোৰে কৰিছে পান প্ৰেমৰ মদিৰা;
কত যে মাতিলোঁ তুমি আনন্দ বধিৰা।

হেমন্তৰ আগমন দেখি তুমি প্ৰিয়া!
সোণালী বহন সানি,
নাচিলা সৌন্দৰ্য্য-ৰাণী,
চেৰে চেৰে চেও ধৰি প্ৰাণ-কাঢ়ি নিয়া,
প্ৰেমিকক দিলা প্ৰেম উদঙাই হিয়া।

জানানে প্ৰেয়সী, মই কান্দিছোঁ কতনা?
ধাননি পথাৰবোৰ
চাই চাই প্ৰাণে মোৰ
ভুগিছিল অবিৰাম দাৰুণ যন্ত্ৰণা;
তথাপি পুহিছোঁ প্ৰিয়া! অতৃপ্ত বাসনা।

শীতত তোমাৰ প্ৰিয়ে! আঁচল বিহাৰ,
নাচি নাচি, উৰি উৰি,
গোটেই জগত জুৰি,
মাৰিলে পচোৱাছাটি; লাগি বাও তাৰ,—
শোক, তাপ, জ্বালা চেঁচা পৰিল হিয়াৰ।

সি কাৰণে হেৰা মোৰ হৃদয়-ঈশ্বৰি,
শুকুলা বসন লই
নাচিছিলা যতে গই
ধৱল পৰ্ব্বত-মালা গঢ়েৰে আৱৰি—
আঁৰে আঁৰে তাতো গৈ আছিলোঁ লাহৰী।

আনন্দ উছৰ মোৰ হৃদয়-পুৰীত
ৰঙিন সাজেৰে সাজি,
আহিছা সাদৰী! আজি,
আহা, আহা, প্ৰিয়া! মোৰ শান্ত কৰাঁ চিত;
কুলি কেতেকীয়ে গক মিলন-সঙ্গীত।

শ্ৰীমহেন্দ্ৰনাথ ভট্টাচাৰ্য্য

---

# গাৱঁলীয়া কবিৰ গীত

অসমীয়া ভাষাৰ পুৰণি ভাগটো অতিশয় মধুৰতা-পূৰ্ণ। পুৰণি অসমীয়া সাহিত্য-সম্পদৰ বাহিৰেও গাৱঁলীয়া মানুহৰ মুখত বৰগীত, বাৰ-মাহীগীত, গৰখীয়া-গীত, দেহ-বিচাৰৰ গীত, খিয়াৰ গীত আৰু নানা প্ৰকাৰ ধেমেলীয়া গীত শুনি মনত শান্তি পোৱা যায়; সেই বেচি ভাগ গীতৰ মাজতেই ধৰ্ম্ম ভাব, পদ-মাধুৰ্য্য আৰু গাৱঁলীয়া নীৰৱ কবিৰ সাহিত্য সাধনা সোমাই আছে। কিছুমান গীতৰ প্ৰকৃত ৰচক আৰু ৰচনাৰ সময় নিৰ্ণয় কৰিব পৰা টান।

আজি কিছুদিনৰ পৰা মই বহুত চেষ্টা কৰি কিছুমান পুৰণি গীত সংগ্ৰহ কৰিছোঁ; সেইখিনিকেই ইয়াত প্ৰকাশ কৰিবলৈ আশা কৰিলোঁ। দুটা এটা গীত আগেয়ে ক'ৰবাত প্ৰকাশিত হৈছে যদিও নেজানো, তথাপি আকৌ প্ৰকাশ কৰিলেও লাভহে আছে। লগে লগে কিছুমান অপ্ৰকাশিত সাধু কথা, ফকৰা যোজনা আৰু নীতি-কথাও সংগ্ৰহ কৰি থোৱা হৈছে। মোক এই সংগ্ৰহ কৰা কামত সহায়কবোঁৰতাদকলৰ শলাগ লৈ থলোঁ।

তলৰ গীতটো বামুণাসত্ৰৰপৰা অনা [২৯।৭।৩০]

১। ঘোষা—কান্দে হৰিণা পহু অৰণ্যৰ মাজে,
হৰি মোৰ জংঘলৰে মাজে।
পদ— ব্যাধে পাতিলা ফান্দ (হৰিহে মোৰ)
মাটি আঁৰাল (আঁৰ) কৰি;
নাজানি নুশুনি পহু ফান্দে দিলা ভৰি।—
এক সত্য খাই হৰিণী (হৰিহে মোৰ)
কৰে হায় হায়,
দুই সত্য খাই হৰিণী দগ্ধ ছুৱা যায়।—
তিনি সত্য খাই হৰিণী (হৰিহে মোৰ)
হমুনিয়াহ চাৰিলা,
বৈকুণ্ঠৰে শ্ৰীকৃষ্ণ সাক্ষাৎ দেখা দিলা।—

*পোনাই কয়—

• আইন দিনা আইৰ মোৰ একপৰ বেলি হবে (হয়),
আজি দেখোন আয় তোৰ দুই পৰ বেলি হল।

মাকে কয়—ব্যাধে পাতিছিল ফান্দ মাটি আঁৰাল কৰি।
নাজানি নুশুনি মই ফান্দে দিলু ভৰি।—
এক সত্য খাই আই, হমুনিয়াহ চাৰিলু,
তিনি সত্য খাই আই, দগ্ধ ছুৱা গেলু (গলোঁ)।
ছানাই মাকাই লগ লাগি ক্ৰন্দন জুৰিলা,
বৈকুণ্ঠৰ শ্ৰীকৃষ্ণই সাক্ষাৎ দেখা দিলা।

ওপৰৰ গীতটো তিৰোতা মানুহৰ মুখত শুনিবলৈ বৰ সুন্দৰ। প্ৰায়বোৰ গীতকেই আমি যিদৰে শুনিছোঁ—সেইদৰেই দিছোঁ।

তলৰ গীত কেইটা বামুণবাৰাদি সত্ৰৰ শ্ৰীযুত সৰুৰাম পাঠক আৰু শ্ৰীযুত মহীৰাম ওজাৰপৰা পোৱা। [১৯।৮।৩০ ইং]—

২। ঘোষা—অত দুখে নাইল প্ৰাণ মোৰ অ' নিদাৰুণ হিয়া।
কোন বিধি জন্ম দিলা মই অভাগীয়া॥
পদ—বাপ হৈলা বসুদেৱ, দৈৱকী জননী
কিন্তু অপৰাধেহে গোকুলে থৈলা আনি॥
মাৰ নাই, বাপ নাই, নাই সহোদৰ ভাই।
যশোদা গুৱালী ঘৰে নিমাৰিত পাই॥
চক্ৰবাতে হৰি নিলা আকাশক লাগিয়া।
তাৰপৰা নমৰিলু মই অভাগীয়া॥
পুতনা পিশাচী দিলা বিষ-তন দান।
তাক খায়া নমৰিলু অভাগা পৰাণ॥
কহয় মাধৱ দাসে, ব্ৰহ্ম নিৰাকাৰ।
ভকতৰ নিদানেহে গোকুলে অৱতাৰ॥
কহয় মাধৱ দাসে, শুনা যশোমতী।
দুৱাৰে গণিয়া বহে ত্ৰিজগত-পতি॥
কহয় মাধৱ দাসে, শুনা যশোমতী।
ধূলা জাৰি কোলে লৈলা ত্ৰিজগত-পতি॥
৩। ঘোষা—পাৰ কৰা হৰি নামেৰ মালা। অ' গুৰু,
দিন যায় কাল যায় বৈ ও হৰিৰ নাম বিনা॥
পদ—অ' গুৰু, সাগৰৰ পাৰৰ বৃক্ষ আছন্ত আৱৰি।
জলিয়া জলিয়া উঠে দেহাৰে অগনি॥

অ'গুৰু, দেহাৰ মাজে নিৰঞ্জন সাগৰৰ মাজে খালি।
উৰি গৈলা ৰাজহংস দেহা হৈল খালি ॥
,, এক দল দুই দল নাভি দশ দল।
অষ্টদল পদ্ম (পদুম) আছে হৃদয় কমল ॥
,, নিৰঞ্জনৰ পুৰীত আছে শয্যা সাতখান।
গণি পঢ়ি চোৱাঁ ভাই, ইয়াৰ পৰিমাণ ॥
,, তালুত ষোড়শ দল, ললাটত দুই।
এই ছয় চক্রে আছে দেহাৰ মাজে বৈ ॥
,, কহয় মাধৱ দাসে, এহি তত্ব সাৰ।
অ' হৰি নাম বিনা, গুৰুৰ চৰণ বিনা
—গতি নাহি আৰ ॥

কিছুমান গীতৰ তলত 'মাধৱ দাস' বুলি অন্ত কৰা আছে। এইজন মহাপুৰুষ মাধৱদেৱ নে অইন কোনো মাধৱ দাস নামৰ কবি ধৰ পৰা টান।

৪। ঘোষা:—যশোৱাই ডাকে ঐ মোৰ বাছা কৃষ্ণ হে,
কোন বনে গৈলা (কোন দিশে বৈলা) মোক এৰি হে ॥
পদ—আজি শ্ৰীকৃষ্ণয়ো অন্নক খাবা নাই,
বেলি গৈলা ভাটিয়াই হে,
এনে লাহোৰ কাঙাল বায়ুতে হালা ঐ
দেখি প্ৰাণ কাটি যায় হে। (মোৰ গোপাল)
আজি শ্ৰীকৃষ্ণকো অক্ৰূৰে লৈয়া যায়
গোপীৰ চেতন নাই হে,
চেতন লভিয়ে কান্দিবে লাগিলা
কৃষ্ণৰ গুণ বৰ্ণাই হে। (মোৰ গোপাল)
চালতে শুখাইল এ বঙ মালতী
ভাবাতে শুখাইল দৈ হে,
দিনৰ দিনটো কৃষ্ণক ভাবিলোঁ
ভাবাতে লবনু থৈ হে। (মোৰ গোপাল)
সোণাৰ বাঁশীটি ঘৰে বৈলা পৰি
আৰো শিঙা বেত বেণু হে,
সকল বালকে গো-ধেনু চাবায় ঐ
ঘৰে নাই ৰাম কানু হে। (মোৰ গোপাল)
যশোদাৰ মন পোৰে ঘনে ঘন
কান্দে বৃন্দাবনক চাই হে,
কৃষ্ণ-পদ-ধূলি লোৱাঁ শিৰে তুলি
দীন মাধৱে গুণ গায় হে। (মোৰ গোপাল)

৫। ঘোষা:—মোৰ বাজৰ, চাই চাই বুলিবা বাট।
দেহাৰ ভিতৰে আছে খাল বাম, পিছলি পৰিবা তাত ॥
পদ - কোন নাম আগ কোন নাম পাচ
নামক নামে কৰে সেও,
নিজ নাম লই জীৱ তৰি যায়
ইহাক নেদেখে কেও।—
নাচে'কু মৰিয়া বুৰকু বজিয়া
খোৱা ভাল ভাল মাছি,
আহিবৰে বেলিহে আগ-পাচ নাচ হৈ
যোৱা খাই নাভি নাচি।—
একেটা বিলতে মৎস্য উপজিলা
লাল শ'ল দুইজন,
শ'লটো আনিয়ে খাছি দুই বাছি খায়
লালটো ফিৰৰ মানা।
দেহাতে আছে ঐ বিচাৰি নাচ হৈ
কুমাৰৰ চাক যেন ঘুৰে,
দেহাৰে আগনি ফুক দি নথৈল
চাহৰে বিচাৰি ঘুৰে।—
৬। মহয় মাধৱ, কৰ্ম্মা বন্ধুসৱ,
ইবাৰো নেদিবা হৰি,
ৰাঙা দুই চৰণে, শৰণ পশিলোঁ,
নিয়োক নাৱ, উদ্ধাৰি।

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস

---

# সুন্দৰীদিয়া সত্ৰৰ তাম্ৰৰ ফলিৰ নকল

স্বস্তি স্বৰ শ্ৰীশিৱসিংহ নৃপো বীৰাওগণ্যঃ স্ফুৎশাৰি কল্পঃ। সৌমাৰপীঠস্য পুৰন্দৰঃ শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱবৰ্য্যঃ ॥ নৃপমিকৰকিৰীটৈ নূদেব্যমানো মকৎকুল কমল দিনে শোনীতিৰত্নেকসিন্ধুঃ। বিষকৰকাবহাৰকাৰ বিস্তাৰকীৰ্ত্তিঃ প্ৰলয়সময়ভানুৎকাণ্ডচণ্ডপ্ৰতাপঃ ॥ অসৌ ধৰ্ম্মবতঃ সম্যক্সমদাং পত্ৰিকামিমাং। ভক্তেভ্যঃ কানকপেশিন্ .ভক্তানাং তন্হাৰিণীং ॥ গগনতৰ্ক বস শশাঙ্ক শাকে ১৬৭০॥ কানৰূপদেশৰ বৰুৱা ও বড়কায়স্থ ও চৌধাৰি ও পটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া ও গজৱহসকলে সাৱধানে জানিব বাঁউসি পৰগণাৰ শ্ৰী৮ৰ সুন্দৰীদিয়া সত্ৰৰ ভকত কেৱলিয়া যি আছে ও গৃহবাসীসকলো পুত্ৰ-পৌত্ৰাদি ক্ৰমে সুখে সত্ৰত থাকি যথাযোগ্য শ্ৰৱন কীৰ্ত্তনাদি-ধৰ্ম্ম কৰি ৮ৰ কুশল চিন্তি থাকিব। এই সত্ৰৰ হেগে পূৰ্ব্বে বড়বিলা, উত্তৰে কলঙ্গা হদ কৰি ফৰিঙতি মাটি পকা ২০ পুৰা আৰু বিল ৰৰবিলা ১ এক কৰুৱা ১ এক মুকুৱা ১ এক এই বিল তিনি ৮ৰ পুণ্যাৰ্থে দিয়া গল। ইহাৰ ৰাজহৰ পৰপঞ্চক বেঠবেগাৰ ঘৰকৰ কথাৰ চোৰ চিনাদা ধুমুচি মাড়েৱা দানগুত ৰাজদণ্ডাই ব্যতিৰেকে সৰ্ব্বথাৰ পৰিত্যাগ হৈল ইহা যদি কোনো জনে অন্যথা কৰে দণ্ডাই হবেক। ভকতৰ ক্ষায় শিৱসিংহ নৃপামাত্যস্তকণ্যোৰৰকুষনঃ। হৰবাবংশে সম্ভূতস্তস্যেয়ং স্বস্তিকাপৰা ॥ ( সিংহৰ মোহৰ আদি )

| কায়স্থ | গিৰি | পোতাই |
|---|---|---|
| কামুৎৰাম মেধি | ১ | — |
| ব্ৰাহ্মণ— | | |
| ভাগৱতি— | | |
| কাহাপানি | ১ | ১ |
| দেউৰি— | | |
| হৰিদেউ | ১ | ৸ |
| গদাধৰ | ১ | ॥ |
| কলিতা— | | |
| ৰামনিধি | ১ | ২ |

| কলিতা— | গিৰি | পোতাই |
|---|---|---|
| হৰিনাথ | ১ | ॥ |
| হৰিগতি | ১ | ॥ |
| নেহলা | ১ | . |
| হৰিধন | ১ | ॥ |
| হৰিচৰণ | ১ | ॥ |
| বাহনা | ১ | ১॥ |
| কালাকানু | ১ | ১ |
| বাওলা | ১ | ১॥ |
| ৰামজয় | ১ | ॥ |
| কৰুণাময় | ১ | ৸ |
| কাতিয়া | ১ | ৸ |
| চিৰিয়া | ১ | ॥ |
| গুবিন্দা | ১ | ২ |
| নিৰ্ম্মল | ১ | ২ |
| মণিৰাম | ১ | ৸ |
| অভয়চৰণ | ১ | । |
| মঙ্গলা | ১ | । |
| নৱহৰি | ১ | ॥ |
| ৰামবলভ | ১ | ॥ |
| হৰিবলভ | ১ | ॥ |
| মণি | ১ | ১ |
| দহা | ১ | ৸ |
| ব.মজিউ | ১ | ৸ |
| চাণবাই | ১ | • |
| জ.ত্ৰা | ১ | ১ |
| ৰামগতি | ১ | ১। |
| তিতা | ১ | ৸ |
| ৰামজয় | ১ | ১ |
| কৰুণা | ১ | । |
| ৰামকানু | ১ | । |
| পুৰুষোত্তম | ১ | ৸ |

| কবিতা— | গিৰি | পোভাই |
|---|---|---|
| নৰহৰি | ১ | ৵ |
| গুণনিধি | ১ | ৵ |
| পৰকুৰা | ১ | ১৷৷ |
| গতিয়া | ১ | ১৷ |
| অন্তা | ১ | ৷ |
| ৰামতিতা | ১ | ৵ |
| ধঞ্জয় | ১ | ৵ |
| ৰামজিউ | ১ | ১৷ |
| পৰাহ | ১ | ৷ |
| নাপিত— | | |
| অভয় | ১ | ১৷ |
| মেঘৰাই | ১ | ৷৷ |
| ৰামবল্লভ | ১ | ৷ |
| মাধচৰণ | ১ | ১ |
| কমাৰ— | | |
| হৰিগতি | ১ | ১৷৷ |
| ৰামকান্ত | ১ | ৵ |
| হিড়া— | | |
| ৰাওলা | ১ | ৷৷ |
| হৰিচৰণ | ১ | ৵ |
| ধঞ্জয় | ১ | ২ |
| লাখিয়া | ১ | ১৷ |
| ভকতচৰণ | ১ | ১৷ |
| কালাকান্ত | ১ | • |
| জয়ানন্দ | ১ | ১ |
| নিৰ্ম্মল | ১ | ৷৷ |
| অনন্তৰাম | ১ | • |

এই কলিৰ নকল সুন্দৰীদিয়াসত্ৰৰ পৰম শ্ৰদ্ধাস্পদ শ্ৰীযুত হেমকান্ত দেৱ অধিকাৰীৰ অনুগ্ৰহত পোৱা হৈছে। মই আগৰবাৰ বৰপেটা আৰু সুন্দৰীদিয়ালৈ যাওঁতে এই কলিৰ নকল আনিবলৈ সুবিধা নাপাইছিলোঁ, কিন্তু যোৱা ১৮৫১ শকৰ দোলযাত্ৰাত দ্বিতীয়বাৰ সেই ঠাইলৈ যাওঁতে মোৰ পৰম প্ৰীতিভাজন, সাহিত্যানুৰাগী ডেকা শ্ৰীমান যোগেন্দ্ৰনাথ বৰা পাটগিৰি আৰু শ্ৰীৰাম চন্দ্ৰ দাসৰ যত্ন আৰু উৎসাহত উক্ত অধিকাৰীদেৱৰ পৰা এই নকল পোৱা হল। এই নকলৰ সংস্কৃতীয়া ছোৱাত দুই এঠাইত ভুল হৈছে বুলি আমি অনুমান কৰিলেও, যি দৰে তাক পঢ়িব পৰা হৈছিল ঠিক সেই ভাবেইহে আমি দিবলৈ চালোঁ; এই বিষয়ৰ বিশেষজ্ঞ লোকে এই পাঠৰ ভ্ৰান্তি শুধৰাই দিব বুলি ভাবিছোঁ।

শ্ৰীযুত অধিকাৰীদেৱ বৰ উৎসাহী আৰু সামাজিক বিষয়ত আধুনিক ভাবাপন্ন লোক। শ্ৰীমানইতে মোক লৈ গৈ চিনাকি কৰি দিয়াৰ পাছত তেখেতে বৰ সাদৰে সোধা-পোছা কৰি কথা বাৰ্ত্তা হৈছিল। তেখেতে কৈছিল শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মত দীক্ষিত মহাভক্ত মুছলমান ছান্দগাঁৰ বংশধৰসকলে, এতিয়াও বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত হৈ চলিবৰ বাবে তেওঁলোকে একান্ত ইচ্ছুক বুলি তেখেতক জনাইছিল; কিন্তু সহপন্থীসকলৰ এই বিষয়ত তীব্ৰ প্ৰতিবাদ আশঙ্কা কৰি, ইচ্ছাৰ বিৰুদ্ধেও এতিয়ালৈকে সেই কামত হাত দিব পৰা নাই। সঁচাকৈয়ে এজন আদি গুৰুৱে নিজে কাম কৰি আদৰ্শ দেখুৱাই গৈছে, তাতকৈ আগ বাঢ়োক-ছাৰি, ঠিক সেই কামকে কৰিবলৈ তেওঁৰ অনুবৰ্ত্তীসকলে পিছহোঁহকা মাৰিবৰ কাৰণ পোৱাটো দুৰ্ভাগ্যৰে কথা।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# তৃপ্তিৰ পূজা

মোৰ এই যৌবনৰ
হাঁহি-খিকিন্দালি ভৰা
পদূলি-মুখত,
বিশ্বৰ চেনেহ সনা
ৰূপৰ সপোন অনা
স্নিগ্ধ জোনাকত,
কোন তুমি দেখা দিলা?
অত দিনে তোমাৰেই
দেখিছোঁ সপোন!
হে মোৰ অপৰিচিতা!
গোপনে হৰালাহি মোৰ
নিচেই আপোন!
কোন তুমি? কোন মই!
জানো মাথোঁ তুমি মোৰ
মই যে তোমাৰ,
বিৰাট বিশ্বত বাৰু
এয়ে হক বন্ধু! আজি
চিনাকি আমাৰ।
কত শত বিধাতাৰ
অতৃপ্ত আশাৰে বঙা
মোৰ ই যৌবন
আজি এই জোনাকত
কত সৃষ্টি পূৰ্ণিমাৰ
বিৰাট মিলন!
সিও নাটে মোক—
অতি দীন এই বিশ্ব
অতি ক্ষীণ জোনাকৰ
এই স্নিগ্ধালোক!
মোৰেই অন্তৰ জুৰি
গৰজে যি বিশ্বগ্ৰাসী
সুন্দৰৰ ক্ষুধা
অতৃপ্ত সি লাগে তাক
আৰু গন্ধ আৰু ছন্দ
আৰু প্ৰাণ-সুধা
শূন্য চনিয়াৰ পাত্ৰ!
আহা ছুয়ো মিলনৰ
অমৃত লগ্নত,
চুমাৰ সপোন ৰচি
সৃষ্টি কৰোঁ ইন্দ্ৰজাল
বিচিত্ৰ জগত।
• • •
শেষ হ'ল পূজা মোৰ,
জাগিল প্ৰতিমা
জীৱন আলোকি মোৰ
উজলিল বেদী জুৰি
তৃপ্তি অৰুণিমা!
শান্ত হল আজি বন্ধু!
যুগে যুগে ব্যথিতৰ
বিদ্ৰোহ-বাৰতা
তৃপ্ত মই, তৃপ্ত বিশ্ব,
তৃপ্ত আজি নিখিলৰ
অতৃপ্ত বিধতা!

শ্ৰীগোলোকচন্দ্ৰ বৰুৱা

# সৃষ্টিতত্ত্ব

আমাৰ চকুৰ আগত জিলিকি থকা এই জগৎখন এসময়ত এন্ধাৰত ঢকা আছিল ; তেতিয়াৰ অৱস্থা প্ৰত্যক্ষ কৰিব পৰা নগৈছিল ; কোনো চিনেৰে অনুমান কৰা টান আছিল ; তেতিয়া এই বিশ্বখন তৰ্ক আৰু জ্ঞানৰ অতীত হৈ সকলো প্ৰকাৰে যেন দোৰ্ম্মোৰ টোপনিত শুই আছিল। তাৰ পাছত স্বয়ম্ভূ অব্যক্ত ভগৱন্তে মহাভূত আদি চৌবিশ তত্ত্ব এই সংসাৰখন লাহে লাহে প্ৰকটিত কৰি সেই তমোভূত অৱস্থাৰ নাশকাৰী হৈ প্ৰকাশিত হল। যি পৰম আত্মাক মানুহৰ মনেৰে গ্ৰহণ কৰিব পাৰি, বৰ সূক্ষ্ম, অব্যক্ত, সনাতন, সেই সৰ্ব্বভূতময়, চিন্তা কৰিব নোৱাৰা পুৰুষ নিজেই প্ৰথমে শৰীৰৰ আকাৰত আবিৰ্ভূত হৈছিল। সেই পৰমাত্মাই নিজৰ দেহাৰপৰা নানাবিধ প্ৰজাসৃষ্টিৰ ইচ্ছা কৰি, চিন্তা মাত্ৰতে প্ৰথমে পানীৰ সৃষ্টি কৰিলে ; আৰু তাত নিজৰ শক্তিবীজ পেলালে। পেলোৱা বীজ সোণৰ বৰণৰ নিচিনা বেলিৰ তুল্য প্ৰভাশালী এটি ডিম্বত পৰিণত হল। সেই ডিম্বত তেওঁ নিজেই সমস্তলোকৰ পিতামহ ব্ৰহ্মাৰূপে উপজিল। নৰ অৰ্থাৎ পৰমাত্মাৰপৰা সকলোৰে আদিত ওপজা বুলি অপত্যপ্ৰত্যয়ত পানীক "নাৰ" বোলে ; আৰু নাৰ, ব্ৰহ্মাৰূপে থকা পৰম আত্মাৰ সৰ্ব্বপ্ৰথম অয়ন ব আশ্ৰয় বুলি তেওঁক নাৰায়ণ বোলে। যি আদি কাৰণ, অব্যক্ত, নিত্য আৰু সৎ, অসৎ স্বৰূপ তেওঁৰ দ্বাৰা উৎপাদিত সেই প্ৰথম পুৰুষক ব্ৰহ্মা বুলি কয়। ভগবান্ ব্ৰহ্মাই, সেই ব্ৰহ্মাণ্ডত, ব্ৰহ্মাৰ পৰিমাণে এবছৰ কাল বাস কৰি শেষত নিজৰ ধ্যানৰ বলত তাক দুডোখৰ কৰিলে। তেওঁ সেই দুই খণ্ডৰ ওপৰৰ খণ্ডত স্বৰ্গ আদি লোক আৰু তলৰ খণ্ডত পৃথিবী আদি তৈয়াৰ কৰিলে ; আৰু মধ্য ভাগত আকাশ, অষ্টদিক্ আৰু সমুদ্ৰ কৰিলে।

ব্ৰহ্মাই পৰমআত্ম স্বৰূপ সৎ আৰু অসৎ আত্মক মনৰ উদ্ধাৰ কৰিলে। মনঃ স্ফুৰণৰ পূৰ্ব্বে অহং অভিমানী, সকলো কৰ্ম্ম-প্ৰবৰ্ত্তক অহংকাৰতত্ত্ব প্ৰস্ফুৰিত কৰিছিল। অহংকাৰতত্ত্বৰ আগে ( আত্মাৰ প্ৰথম অভিব্যক্তি ) মহৎ তত্ত্বৰ স্ফুৰণ হৈছিল, এই আটাইবোৰ সত্ব, ৰজঃ আৰু তমোগুণময়। তেওঁ ক্ৰমান্বয়ে বিষয় গ্ৰহণ কৰিব পৰা ইন্দ্ৰিয় আদিক সৃষ্টি কৰিলে। সিইতৰ মাজত অনন্ত কাম কৰিব পৰা অহংকাৰ আৰু পাঁচোটা তন্মাত্ৰ ( শব্দ, স্পৰ্শ, ৰূপ ৰস, গন্ধ ) এই ছটাৰ সূক্ষ্মতম অৱয়বক তাৰ বিকাৰ ইন্দ্ৰিয় আৰু পঞ্চ মহাভূতৰে সৈতে যোগ কৰি, তেওঁ দেৱতা, মানুহ, পশু, পক্ষীকে আদি কৰি আটাইবোৰ জীৱৰ সৃষ্টি কৰিলে। প্ৰকৃতি-যুক্ত ব্ৰহ্মৰ মূৰ্ত্তিসম্পাদক এই ছটা সূক্ষ্ম অৱয়ব পঞ্চ মহাভূত আদিক কাৰ্য্যৰূপে আশ্ৰয় কৰে বুলি মনীষী-সকলে তেওঁৰ মূৰ্ত্তিক শৰীৰ বুলি কয়। আকাশকে আদি কৰি মহাভূতবোৰ অৱকাশ আদি নিজৰ নিজৰ কৰ্ম্মৰে সৈতে পঞ্চতন্মাত্ৰৰূপে থাকি ব্ৰহ্মৰপৰা আৰু সকলো প্ৰাণীৰ উৎপত্তিৰ কাৰণ মন, ইচ্ছা আৰু হিংসা আদি নিজৰ সূক্ষ্ম অৱয়বেৰে সৈতে অহংকাৰৰূপে থকা ব্ৰহ্মৰপৰা ওপজে। মহত্তত্ব, অহংকাৰ-তত্ত্ব আৰু পঞ্চ-তন্মাত্ৰ এই সাতোটা অসীম কাৰ্য্যশালী পুৰুষৰ তুল্য পদাৰ্থৰ সূক্ষ্ম মাত্ৰাৰপৰা এই জগতৰ সৃষ্টি হৈছে। নাশ নোহোৱা কাৰণৰপৰা এইভাবে অথিৰ কাৰ্য্যবোৰৰ উৎপত্তি হৈছে। আকাশ আদি ভূতবোৰৰ মাজত পিছৰ পিছৰ প্ৰত্যেকে আগৰ আগৰ গুণ লয়। যি যিমান সংখ্যাত গণিত, তাৰ তিমান গুণ,—প্ৰথম ভূত আকাশৰ ১ গুণ,—শব্দ। দ্বিতীয় ভূত বায়ুৰ ২ গুণ,—শব্দ আৰু স্পৰ্শ। তৃতীয় ভূত অগ্নিৰ ৩ গুণ,—শব্দ, স্পৰ্শ আৰু ৰূপ। চতুৰ্থ ভূত পানীৰ ৪ গুণ,—শব্দ, স্পৰ্শ, ৰূপ আৰু ৰস। পঞ্চম ভূত পৃথিবীৰ ৫ গুণ,—শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ। সৃষ্টিৰ আদিতে হিৰণ্যগৰ্ভৰূপে অৱস্থিত সেই পৰমাত্মা বেদৰ অনুক্ৰমে সকলোৰে বেলেগ বেলেগ নাম, বেলেগ বেলেগ কৰ্ম্ম আৰু বেলেগ বেলেগ বৃত্তি



বিভাগ নিৰ্দ্দেশ কৰি দিলে। সেই প্ৰভুৱে, কৰ্ম্মৰ অঙ্গীভূত দেৱতাসকল, প্ৰাণধাৰী ইন্দ্ৰ আদি দেৱতাসকল, সাধ্য নামেৰে সূক্ষ্ম দেৱগণ আৰু জ্যোতিষ্টোম আদি সনাতন যজ্ঞবিলাক সৃষ্টি কৰিলে। তেওঁ অগ্নিৰপৰা, বায়ুৰপৰা আৰু সূৰ্য্যৰপৰা যজ্ঞকাৰ্য্য সমাপন কৰিবলৈ যথাক্ৰমে ঋক্, যজুঃ আৰু সাম এই তিনিখন বেদ দোহন কৰিলে। কাল, কালৰ বিশেষ বিশেষ অংশ-বোৰ, তৰাবোৰ, গ্ৰহগণ, নদী, সাগৰ, পৰ্ব্বত, সমান ঠাই, অসমান ঠাই, তপস্যা, বাক্য, চিত্তৰ পৰিতোষ, কাম আৰু ক্ৰোধ এইবোৰ পদাৰ্থ তেওঁ প্ৰজাসৃষ্টিৰ ইচ্ছা কৰি উৎপাদন কৰিলে।

কৰ্ম্মবোৰক বিভাগ কৰিবলৈ তেওঁ ধৰ্ম্ম আৰু অধৰ্ম্মৰ বিভাগ কৰিলে ; আৰু সকলো প্ৰজাক সুখ আৰু দুখ আদি দ্বন্দভাৱে নিযুক্ত কৰিলে। সূক্ষ্ম আৰু পৰিণামী পঞ্চ তন্মাত্ৰাৰে সৈতে এই আটাইবোৰ সৃষ্টি আনু-পূৰ্ব্বীকক্ৰমে সূক্ষ্মৰপৰা স্থূল আৰু স্থূলৰপৰা স্থূলতৰক্ৰমে তেওঁ সৃষ্টি কৰিলে। প্ৰভু পৰমেশ্বৰে সৃষ্টিৰ আদিত যাক যি কামত নিযুক্ত কৰিছিল, সি বাৰে বাৰে ওপ-জিলেও, নিজৰ স্বভাৱ গুণত কাম আচৰণ কৰিবলৈ ধৰিলে। হিংসা, অহিংসা মৃদুতা ক্ৰুৰতা, ধৰ্ম্ম, অধৰ্ম্ম, সঁচা আৰু মিছা—যাৰ যি গুণ তেওঁ সৃষ্টিৰ সময়ত বিধান কৰিলে, সৃষ্টিৰ পাছতো সেই গুণ তাতে নিজেই সোমাবলৈ ধৰিলে। ঋতুৰ আগমনত ঋতুৰ দিনবোৰ যিৰূপে আপোনা-আপুনি দেখা দিয়ে, প্ৰাক্তন কৰ্ম্মফল-বোৰো তেনেকুৱাকৈ যথাসময়ত আপোনা-আপুনি দেহীৰ পক্ষে উপস্থিত হৈ থাকে। পৃথিবী আদি লোকবোৰৰ সমৃদ্ধি কামনা কৰি, ব্ৰহ্মাই নিজৰ মুখ, বাহু, উৰু আৰু ভৰিৰপৰা যথাক্ৰমে বামুণ, ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰিৰ এই চাৰিবৰ্ণ সৃষ্টি কৰিলে। সেই প্ৰভুৱে নিজৰ দেহাক দুভাগ কৰি আধা ভাগত পুৰুষ আৰু আধা ভাগত তিৰোতা সৃষ্টি কৰিলে ; আৰু সেই তিৰোতাৰ গৰ্ভত বিৰাট্ পুৰুষক উৎপাদন কৰিলে। হে দ্বিজশ্ৰেষ্ঠসকল ! সেই বিৰাট্ পুৰুষে তপস্যা কৰি, নিজে যাক প্ৰজনন কৰিলে, মই সেই মনু,—মোকেই আটাইবোৰৰ দ্বিতীয় স্ৰষ্টোতা বুলি জানিবা। মযো প্ৰজাসৃষ্টিৰ ইচ্ছা কৰি, দুষ্কৰ তপস্যাৰদ্বাৰা প্ৰথমে দহজন মহৰ্ষি প্ৰজাপতি সৃষ্টি কৰিলোঁ। তেওঁলোকৰ নাম হৈছে—মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু, প্ৰচেতা, বশিষ্ঠ, ভৃগু আৰু নাৰদ। এই দহজন প্ৰজা-পতিয়ে আকৌ মহাতেজস্বী আন সাতজন মনুৰ সৃষ্টি কৰিলে আৰু যি দেৱতাসকলক ব্ৰহ্মাই সৃষ্টি কৰা নাছিল, এনেকুৱা দেৱগণ আৰু তেওঁলোকৰ থকা ঠাই, অসীম ক্ষমতাশালী বহুত মহৰ্ষি, যক্ষ, ৰাক্ষস, পিশাঁচ, গন্ধৰ্ব্ব, অপেশ্বৰী, অসুৰ, নাগ, সাপ, গৰুড়কে আদি কৰি পক্ষী, বেলেগ বেলেগ পিতৃগণ, বিজুলী, বজ্ৰ মেঘ নানা ৰঙৰ জ্যোতিৰ্দণ্ড, ইন্দ্ৰধনু উল্কা নিৰ্ঘাত (পৃথিবী আৰু অন্তৰীক্ষত হোৱা উৎপাত-ধ্বনি) ধূমকেতু, ধ্ৰুৱ আৰু অগস্ত্য আদি নানাবিধ জ্যোতিঃ পদাৰ্থ, কিন্নৰ, বান্দৰ, মাছ, নানা তৰহৰ চৰাই, পশু, মৃগ, মানুহ, দুপাৰি দাঁত থকা জন্তু, সিংহকে আদি কৰি হিংসক জন্তু, কৃমি, কীট, পতঙ্গ, জোঁক, মাখি, ওকণী, দাঁহ, মহ আৰু গছ-লতা আদি বেলেগ বেলেগ স্থাৱৰ এওঁলোকে প্ৰস্তুত কৰিলে।

আগে কোৱা মহাত্মাসকলে, মোৰ আজ্ঞামতে তপোবলত, যাৰ যিৰকম কাম সেই অনুসাৰে এই আটাইবোৰ স্থাৱৰ জঙ্গম এই ভাবে সৃষ্টি কৰিলে। জীৱবিলাকৰ মাজত যাৰ যিৰকম কাম আৰু যাৰ যিৰকম জন্মক্ৰম পূৰ্ব্বাচাৰ্য্যসকলে কৈছে, সেইবোৰ আপোনা লোকক কওঁ। জীৱবোৰৰ মাজত পশু, মৃগ, হিংসক জন্তু, দুপাৰি দাঁত থকা জন্তু, ৰাক্ষস, পিশাঁচ আৰু মানুহ,—ইহঁত জৰায়ুজ অৰ্থাৎ গৰ্ভকোষত জন্ম হয়। পক্ষী, সাপ, ঘৰিয়াল, মাছ, কাছ আৰু এনেকুৱা ঠাইত ওপজা নেউল আদি আৰু পানীত ওপজা বেঙ্ আদি,—এইবোৰ অণ্ডজ অৰ্থাৎ ডিম্বৰপৰা উৎপন্ন হয়। দাঁহ, মহ, জোঁক, মাখি, ওকণী এইবোৰ স্বেদজ আৰু ইহঁতৰ তুল্য আন আন পকৰা আদি প্ৰাণীবোৰো ঘৰমৰ পৰা ওপজে। আটাইবোৰ উদ্ভিদেই স্থাৱৰ। তাৰ মাজত কিছুমান বীজৰপৰা ওপজে ; আৰু কিছুমান

ৰোৱা ঠালওপৰা উৎপন্ন হৈ থাকে। যিবোৰ বহুত ফুল আৰু ফলযুক্ত হয় আৰু ফল পকিলে মৰি যায়, সিইঁতক ওষধি বোলে। যথা ধান, যৱ ইত্যাদি। যিবোৰ পুষ্পিত নহৈ ফলৱন্ত হয়, সেইবোৰক বনস্পতি বোলে; আৰু ফুল হওক নাইবা কেৱল ফলৱন্তই হওক, দুয়ো বিধকে গছ বোলা যায়। গুচ্ছ আৰু গুল্ম বহুবিধ আছে; তৃণ জাতিও বহুবিধ; নানা তৰহৰ প্ৰতান আৰু বল্লী আছে। ইইঁতৰ মাজত কোনো কোনো বীজৰপৰা উৎপন্ন হয়, কোনো বা কাণ্ডৰপৰা জন্মে। মল্লিকা আদিক গুচ্ছ বোলে, বাঁহ আদিক গুল্ম, লাও আৰু কোমোৰা ইত্যাদিক প্ৰতান আৰু গুলঞ্চ আদিক বল্লী বোলে। ইইঁত বহুবিধৰ অসৎ কৰ্ম্মৰ ফলত তমোগুণত আচ্ছন্ন; ইইঁতৰ অন্তৰত চৈতন্য আছে, আৰু ইইঁতে সুখ-দুখো অনুভৱ কৰি থাকে। এই নিত্য বিনাশশীল জন্ম আৰু মৰণ সমাকুল দোৰ্যোৰ সংসাৰত, ব্ৰহ্মকে আদি কৰি স্থাৱৰলৈকে সমুদায় জীৱৰ যেনেকৈ উৎপত্তি হৈছে, সেইটো সম্পূৰ্ণভাৱে কোৱা হল। মহৰ্ষিসকল! সেই চিন্তা কৰিব নোৱৰা পৰাক্ৰমী ভগৱানে, এইৰূপে স্থাৱৰ আৰু জঙ্গম আটাইবোৰক আৰু মোক সৃষ্টি কৰি, প্ৰলয়কালৰদ্বাৰা সৃষ্টি কালৰ বিনাশ কৰি, প্ৰলয়কালত আকৌ নিজতেই নিজে অন্তৰ্হিত হয়। যেতিয়া সেই পৰমদেৱ জাগে, তেতিয়া এই বিশ্ব-ব্ৰহ্মাণ্ড চেষ্টিত থাকে আৰু যেতিয়া সেই শান্ত আত্মাই সুষুপ্তি লাভ কৰে তেতিয়া বিশ্বব্ৰহ্মাণ্ড নিমীলিত হৈ যায়। ভগবানে যেতিয়া নিজতে নিজে থাকি জিৰণি লয়, তেতিয়া কৰ্ম্মৰ দ্বাৰাই দেহা লাভ কৰা দেহীবিলাকেও নিজৰ নিজৰ কামৰপৰা নিবৃত্ত হয়; আৰু সিইঁতৰ মনো সকলো ইন্দ্ৰিয়ৰে সৈতে লীনভাৱে থাকে। যেতিয়া সেই পৰমাত্মাত এসময়তে সমস্ত সংসাৰ লয় পাই থাকে, তেতিয়া সেই সৰ্ব্বভূতৰ আত্মাই চিন্তা নোহোৱাকৈ যেন পৰম সুখেৰে টোপনি যায়। এই জীৱে তেতিয়া তমোগুণ পাই বহুকাল অজ্ঞান অৱস্থাত ইন্দ্ৰিয় আদিৰে সৈতে থাকে, উশাহ-নিশাহ আদি নিজৰ কোনো কামেই নকৰে, তেতিয়া সেইটো পূৰ্ব্ব শৰীৰৰপৰা উৎক্ৰমণ কৰি থাকে। যেতিয়া জীৱে অণুমাত্ৰিক হৈ অৰ্থাৎ সূক্ষ্ম পঞ্চভূত, জ্ঞানেন্দ্ৰিয়, কৰ্ম্মেন্দ্ৰিয়, মন, বুদ্ধি, বাসনা, বায়ু কৰ্ম্ম আৰু অজ্ঞানময় লিঙ্গশৰীৰযুক্ত হৈ স্থাৱৰ নাইবা জঙ্গম বীজত সোমায়, তেতিয়াই তাৰ সৃষ্টি অৱস্থা; আৰু সেই অৱস্থাতে তেওঁ মূৰ্ত্তি গ্ৰহণ কৰে। এইভাৱে সেই অব্যয়-পুৰুষ ব্ৰহ্মাই নিজৰ জাগ্ৰত আৰু স্বপ্ন অৱস্থাত এই চৰাচৰ বিশ্বৰ সদায় সৃষ্টি আৰু সংহাৰ কৰিব লাগিছে। ব্ৰহ্মাৰ নাতিয়েক স্বায়ম্ভুৱ মনুৰ বংশত আন ছজন মহাতেজস্বী মহাত্মা মনুৱে জন্ম লৈছিল। এওঁলোকে প্ৰত্যেকেই প্ৰজা-সৃষ্টিৰ দ্বাৰা নিজৰ নিজৰ বংশ বঢ়াইছিল। তেওঁলোকৰ নাম স্বাৰোচিষ, ঔত্তমি, তামস, ৰৈৱত, চাক্ষুষ আৰু বৈৱস্বত। মহাতেজস্বী স্বায়ম্ভুৱ আদি সাতজন মনুৱে নিজৰ নিজৰ অধিকাৰ কালত এই বিশ্ব-সংসাৰ সৃষ্টি কৰি প্ৰতিপালন কৰে।

(প্ৰথম অধ্যা, মনুসংহিতা)

শ্ৰীকামাখ্যাচৰণ ভট্টাচাৰ্য্য

---

# মেঘদূত আৰু মহাকবি

## কালিদাসৰ সম্পৰ্কে দুটামান কথা

যুগে প্ৰতিভাপন্ন লোক ওপজায় আৰু প্ৰতিভাপন্ন লোকেও যুগ জন্মায়।—এই দুয়োটা কথাই সত্য; কিয়নো, কোনো মানুহে প্ৰতিভা লৈ জন্মগ্ৰহণ কৰিলেই তেওঁৰ সেই প্ৰতিভা প্ৰস্ফুটিত নহয়, যদিহে তেওঁক তেওঁৰ পাৰিপাৰ্শ্বিকতাই অৰ্থাৎ ৰাষ্ট্ৰীয়, সামাজিক আৰু শাৰীৰিক অৱস্থাই সহায় নকৰে। সুকবি গ্ৰে ছাহাবে



কোৱাৰ দৰে তেওঁৰ প্ৰতিভা-পুষ্পও কোনেও নেদেখাকৈ দুখুণ্ডাকৈয়ে জনহীন কাননত লেৰেলি শুকাই যায়।

সংস্কৃত সাহিত্যৰ বুৰঞ্জী মেলি চালে, দুজনা ৰজাৰ দিনতহে সংস্কৃত সাহিত্যই উন্নতিৰ উচ্চতম শিখৰ আৰোহণ কৰা বুলি পোৱা যায়। তাৰে এজনা শ্ৰীহৰ্ষ বিক্ৰমাদিত্য আৰু আনজনা মহাৰাজ ভোজ। এওঁলোক দুয়ো উজ্জয়িনী দেশৰেই ৰজা। মাথোন, প্ৰথমজনাই ষষ্ঠ খৃষ্টাব্দত আৰু দ্বিতীয় জনাই ১০০০ খৃষ্টাব্দত ৰাজত্ব কৰিছিল। আমাৰ মহাকবি কালিদাস এই হৰ্ষ-বিক্ৰমাদিত্যৰ দিনৰ বুলি আমি বক্ষ্যমাণ প্ৰমাণৰপৰা জানিব পাৰোঁহঁক।

কালিদাসৰ সম-সাময়িক নৱৰত্নৰ ভিতৰৰ এজনা ঘটকৰ্পৰ। ঘটকৰ্পৰে যমক-কাব্য নামেৰে এখন কাব্য লিখে। এই কাব্যত কবিয়ে মেঘক এটা বাতৰি শুনায়। এই দুজনা বন্ধুৰ মাজত সদাই এটি অৱিয়া-অৱিৰ ভাব আছিলেই আছিল। পাছে, এই যমককাব্যৰ ঘটনাটি লৈ মহাকবি কালিদাসে মেঘদূত ৰচনা কৰি আপোন কবিত্বশক্তিৰ প্ৰাধান্য-স্থাপন কৰা বুলি কোৱা কথাটোও যুক্তিবিহীন নহয় আৰু কোনো দোষৰ চেকাও কালিদাসৰ গাত নপৰে; বৰঞ্চ এনেকুৱা কৰাত কালিদাসৰ গৌৰৱ দুগুণে চৰিহে উঠে।

মেঘদূত কাব্যখন কোনো ডাঙৰ ঘটনাৰ আশ্ৰয় লৈ লিখা কাব্য নহয়। এনেকুৱা অতি সাধাৰণ ঘটনাটোকে লৈ মহাকবি কালিদাসে তেওঁৰ মন্ত্ৰপূত তুলিকাৰে অতি মনোমোহা সৰ্ব্বাঙ্গ সুন্দৰ চিত্ৰ আঁকি সদৌ সুধীসকলোৰেই চিত্ত কবিত্ব ৰসেৰে ওপচাই পেলালে।

ঠিককৈ কুল নোযোগোৱা বাবে যক্ষাধিপতি কুবেৰে জনৈক যক্ষ-ভৃত্যক এবছৰৰ কাৰণে নিৰ্ব্বাসিত কৰিলত সেই যক্ষই নিজৰ ঘৰবাৰী এৰি থাকিব লগীয়াত, বিশেষকৈ তেওঁৰ সাধ্বী পতিপৰায়ণা আপোন পত্নীক পৰিত্যাগ কৰিবলগীয়া কাৰণে অতি গুৰু বিৰহ যন্ত্ৰণাত পৰি আৰু তাৰপৰা উদ্ধাৰ পাবলৈ আন কোনো উপায়-উদ্ভাৱন কৰিব নোৱাৰি ৰামগিৰি নামেৰে পৰ্ব্বতৰ পৰা আকাশত বাৰিষাকালত মেঘৰ ছমকা এটা দেখি সেই মেঘকে সম্বোধন-পূৰ্ব্বক অতি মিনতি কৰি আপোন মঙ্গল-বাতৰি তেওঁৰ ভাৰ্য্যালৈ পঠিয়াই আৰু ভাৰ্য্যাৰো মঙ্গল-বাতৰি সুধি, অন্ততঃ কিয়ৎপৰিমাণে তেওঁৰ বিৰহৰ গুৰু বোজাটো লঘু কৰিছিল। এয়েই মেঘদূতৰ মূল বস্তু।

মনোবিজ্ঞানৰ বাহিৰকৈ কোনো চিত্ৰকে নকটোৱাকৈ মহাকবি কালিদাসৰ মৌলিকত্ব আৰু বিশেষত্ব। এই মৌলিকতাই মহাকবি কালিদাসক আজি কবি-কুল-শিৰোমণি, কবিসম্ৰাট, আৰু বাণীৰ বৰপুত্ৰ আদি বিশেষণৰাজিৰে বিভূষিত কৰি এই নৰজগতত অমৰ কৰি ৰাখিছে। কালিদাস সদায় সত্যবাদী;—এনেকি তেওঁৰ গোটেই জীৱনটোৱেই সত্যৰেই এটা প্ৰবাহ মাথোন।

কবি কালিদাসে যে উপমা দিয়াত ভাৰতবৰ্ষীয় সকলো কৱিকেই চেৰ পেলাইছে সেইটো সকলো পাঠক-পাঠিকাই জানে; "উপমা কালিদাসস্য" ইত্যাদি কথা-ফাঁকিয়েই এই কথাৰ জাজ্বল্যমান প্ৰমাণ।

কালিদাসৰ কাব্যৰ কৱিৰ অনুমানবোৰ ( Poetic Inductions ) হীৰকমণ্ডিত স্ফটিকময় ভেঁটিৰ অত্যুজ্জ্বল মণিৰ নিচিনা; যেনে—

"কাৰণ, নাৰীৰ প্ৰণয়-বচন
হুঠে ফুটি ৰথাৰে,
ব্যক্ত মাৰ্গে হয় প্ৰিয়ৰ লগত
বিলাসৰ ভঙ্গিৰে।"—মেঘদূত।

এই কথাটো বাৰু আচল কথা নহয় জানো? সাধ্বী সতী আৰু পতিপ্ৰাণা নৱবধুৰ অন্তঃস্থল সদাই পবিত্ৰ প্ৰেমেৰে পৰিপূৰ্ণ; এনেস্থলত, ভাব প্ৰধান চিত্তৰ ভাব কথাৰে সততাই প্ৰকাশিত নোহোৱাটো এটা নৈসৰ্গিক সত্যকথা। কালিদাসেও এই মনোবিজ্ঞান-বিধিৰ বিৰুদ্ধ ভাবাপন্ন কৰি বিৰহী যক্ষৰ বিৰহ-বিধুৰা বধুৰ চিত্ৰটি আঁকি পোৱা নাই। এই দৰে বিচাৰি চালে শত-সহস্ৰ এনেকুৱা উজ্জ্বল মণিবিশেষৰ দৰে কালিদাসৰ প্ৰচুৰ উৎকৃষ্ট কথা পোৱা যায়। কালিদাসৰ এনেকুৱা কথাবোৰক ব্যাসকূট বুলিব পাৰি।

"স্ত্ৰীণাং চৰিত্ৰং পুৰুষস্য ভাগ্যং দেবাঃ ন জানন্তি

কুতো মনুষ্যাঃ” অৰ্থাৎ তিৰোতাৰ চৰিত্ৰ আৰু পুৰুষৰ ভাগ্য দেৱতাসকলেও এনেকি নাজানে ; তেনে স্থলত মানুহে জানে কেনেকৈ ?—ইও এটা মন কৰিবলগীয়া কথা। তিৰুতাৰ চৰিত্ৰৰ কথা জনা অতি সুকঠিন কথা ; শ্ৰীৰামচন্দ্ৰই তেওঁৰ সাধ্বী, সতী, যজ্ঞভূমিসম্ভূতা ৰাজৰ্ষি জনক জীয়াৰী জানকী দেৱীৰ পৰম পবিত্ৰ চৰিত্ৰৰ ওপৰতো প্ৰজাপুঞ্জই গৰিহণা কৰা শুনিলত তেনে পবিত্ৰ পত্নীকো পৰিহাৰ কৰিবলৈ সমূলি দ্বিধা ভাব নকৰিলে। আকৌ পুৰুবংশসম্ভূত দুষ্যন্ত (দুষ্মন্ত) ৰজায়ো নিজ ইচ্ছাৰে পাণিগ্ৰহণকৰা মহাৰাণী শকুন্তলাক আপোন পত্নী বুলি বিনা অভিজ্ঞানে গ্ৰহণ কৰিবলৈ সাহ নকৰিলে। বেউলাদেৱীয়েও তেওঁৰ স্বামী লখিন্দাৰক পুনৰ্জ্জীৱিত কৰিবলৈ গৈ বহুদিনৰ পিছত ঘৰলৈ ঘূৰি আহিলত তেৰোঁ সতীত্বৰ প্ৰমাণ দেখুৱাবলৈ অগ্নি, তুলা আদি বহুতো পৰীক্ষাৰ অধীন হবলগীয়াত পৰিছিল। এতেকে, “স্ত্ৰীণাং চৰিত্ৰং পুৰুষস্য ভাগ্যম্” ইত্যাদিও প্ৰাজ্ঞলোকৰ এটা সাৰুৱা কথা।

আমাৰো এই কবিতাৰ নায়ক বিৰহী যক্ষৰ অতিকৈ ক্লিষ্ট হৃদয়তো এনেকুৱা সন্দেহৰ ভাব হোৱাটো তেন্তে স্বাভাবিক। সেই দেখি যক্ষই মেঘক সবিনয়ে কৈছে :—

‘ভালে আছোঁ বুলি
জানিবা লাহৰী
অভিজ্ঞান-জ্ঞানেৰে
বিশ্বাস-নোহোৱা
নহবা কদাপি
মানুহৰ কথাৰে ;
বিচ্ছেদ কালত,
কিবা কাৰণত
লোক-সবে কথাতে,
নাভাবি সমূলি
প্ৰণয়-বিনাশ
হয় বোলে মিছাতে ;
কিন্তু অনুৰাগ
ভোগ-অভাৱত,
দৰাচলমতেৰে
পৰিণত হয়
প্ৰণয়-ৰাশিত
শতগুণ তেজেৰে !’—মেঘদূত।

কহলান মিশ্ৰৰ ৰাজতৰঙ্গিনী নামক গ্ৰন্থত কালিদাসৰ কথাৰ সমূলি উল্লেখ নাই ; কিন্তু সেইকালৰ ঋষি আৰু পণ্ডিতসকলৰ অলপ নহয় অলপ বিবৰণ তাত পোৱা যায়। মাতৃ-গুপ্তৰো সেইদৰে তাত অলপ উল্লেখ আছে।

সাধাৰণতঃ, ৰজা বিক্ৰমাদিত্যাই (অৰ্থাৎ শ্ৰীহৰ্ষ বিক্ৰমাদিত্যাই) তেওঁৰ অৰ্দ্ধৰাজ্য মহাকবি কালিদাসক দিয়া বুলি জনশ্ৰুতি আছে ;

(ক) এই জনশ্ৰুতিৰ কথা ৰাজতৰঙ্গিনীত উল্লেখ-কৰা মাতৃগুপ্তৰ কথাৰ লগত মিলে

(খ) শ্ৰীহৰ্ষ বিক্ৰমাদিত্যাৰ সহায়ত দ্বিতীয় প্ৰবৰসেনে কাশ্মীৰ ৰাজ্য লাভ কৰে। কাশ্মীৰত এখন সভা বহিছিল। সেই সভাই হৰ্ষবিক্ৰমাদিত্যৰ আদেশত মাতৃগুপ্তক ৰজা পাতে। ডাক্তৰ ভাওদাজীৰ মতে মাতৃগুপ্ত আৰু মহাকবি কালিদাস একেজন পুৰুষ। কবিত্ব লাভ কৰিবৰ আগেয়ে তেওঁৰ নাম আছিল মাতৃগুপ্ত। এওঁৰ মতে কালিদাস খৃষ্টীয় ষষ্ঠ শতাব্দীৰ মানুহ।

কালিদাসৰ কাব্যৰ টীকাকাৰ মহামহোপাধ্যায় কোলাচলনিবাসী মল্লিনাথৰো এয়ে মত। * দিঙনাগ নামেৰে এজন কালিদাসৰ সমসাময়িক আৰু প্ৰতিপক্ষ কবি আছিল। এই দিঙনাগ ষষ্ঠ শতাব্দীৰ মানুহ ; এতেকে, কালিদাসো এজনা ষষ্ঠ শতাব্দীৰ কবি আছিল। —(পূৰ্ব্বমেঘত ইয়াৰ উল্লেখ আছে।)

চীনদেশৰ পৰিব্ৰাজক হিউৱেনচাঙৰ কাশ্মীৰভ্ৰমণ-বৃত্তান্তৰপৰা জনা যায় যে, তেওঁক কাশ্মীৰাধিপতি প্ৰবৰসেনে বৰ আদৰ সাদৰকৈ আলহী সুধিছিল। তেওঁ কাশ্মীৰলৈ আহে ৬৪ খৃষ্টাব্দত।

বৰাহমিহিৰ সেইকালৰেই এজনা পণ্ডিত আৰু খৃষ্টীয় ষষ্ঠ শতাব্দীত কালিদাসৰ লগৰ তেৰোঁ অন্যতম ৰত্ন এজন। এইবোৰ কাৰণে মহাকবি কালিদাসক ষষ্ঠ খৃষ্টীয় শতাব্দীৰ লোক আছিল বুলি ডাঠকৈ কব পাৰি। অৱশ্যে এওঁৰ জন্মস্থান আৰু কাল লৈ নানা মুনিৰ নানা মত।

শোক-কবিতাৰ ভিতৰত আমাৰ মেঘদূতেই জগতত আজিলৈকে আটাইতকৈ ওখ ঠাই অধিকাৰ কৰিছে। পণ্ডিত ফছেৰ (Mons Fauche) মতে গোটেই য়ুৰোপৰ মাজত যিমানবোৰ শোক-কবিতা আছে সেই সকলোবোৰৰ ভিতৰত্ত মহাকবি কালিদাসৰ মেঘদূতৰ দৰে পূৰ্ণাঙ্গ শোক-কবিতা পোৱা নাযায়।

ইংৰাজী ভাষাত, খৃষ্টীয় ১৮৩২ শকত এছ্. এছ্. উইলছন্ ছাহাবে মেঘদূতখনৰ পদ্য-ছন্দত অনুবাদ কৰে। ইংলণ্ডীয় অধ্যাপক জন্সনও সেইকালতে ইয়াৰ আন এটা অনুবাদ কৰে। ১৮৪১ খৃষ্টাব্দত মিষ্টাৰ জে, গিল্ডাৰ্ আৰু কনিছবাৰ্গৰ অধ্যাপক বেদজ্ঞ পণ্ডিত মোক্ষমূলাৰেও এই মেঘদূতৰ এখন অনুবাদ লিখে। ভাৰতবৰ্ষৰ ভিতৰত, পণ্ডিত প্ৰাণনাথ সৰস্বতীয়েও বঙালী ভাষাত ইয়াক ভাঙে। অসমীয়া ভাষাত আজিলৈকে ইয়াৰ কোনো ভাঙনি কাৰো হাতত পৰা নাই ;—পৰা নাই বুলিয়েই যে আমাৰ অসমীয়া কবিয়ে এই কাব্য-ৰত্নৰ লোভ সামৰি হাত সাৱটি আছিল এনে অনুমান কৰিব নোৱাৰি ; কিয়নো কালিদাসৰ আন অমূল্য গ্ৰন্থ অভিজ্ঞান শকুন্তলা আদিৰ ভাঙনি আজিকালি আহি আমাৰ হাতত পৰিছে। মেঘদূতৰো ভাঙনি যে কোনোবা ৰক্ষণশীল ভকতৰ ধোৱাঁ-চাঙত ধোৱাঁৰ কোবত ত্ৰিভুবন দেখা নাই, নতুবা কোনো ৰাজ বিপ্লবাদিত সমূলি ধ্বংস হোৱা নাই, নাইবা দেশান্তৰিত হোৱা নাই এনে নহয়।

ভাৰতবৰ্ষত, মেঘদূতৰ অপূৰ্ব্ব কবিতাৰ প্ৰবাহে বহুতো পণ্ডিতৰ হৃদয়-প্ৰদেশ প্ৰৱেশ কৰি মৰ্ম্মস্থল স্পৰ্শ কৰাৰ প্ৰমাণ তলৰ মেঘদূতৰ টীকাকাৰ পণ্ডিতসকলে যথাৰ্থৰূপে দিব লাগিছে ; যেনে,—

(১) মল্লিনাথ ; (২) বল্লভ ; (৩) মহীসিংহ ; (৪) সুমতি বিজয় ; (৫) লক্ষ্মী-নিবাস ; (৬) মেঘৰাজ ; (৭) ভৰত ; (৮) সনাতন ; (৯) ৰামনাথ ; (১০) হৰগোবিন্দ (১১) কল্যাণমল্ল ; (১২ সাৰোদ্ধাৰিণী ; (১৩) মেঘলতা ; (১৪) দক্ষিণবৰ্ত্ত ; (১৫) নাথ ; (১৬) সৰস্বতীতীৰ্থ ইত্যাদি।

আকৌ,—

এওঁকেই অনুকৰণ কৰি কেইবাজনা কবিয়েও (১) হংসদূত, (২) পদাঙ্ক-দূত, (৩) কোকিলদূত, (৪) বটদূত আৰু (৫) উদ্ধৱসন্দেশ আদি কাব্য ৰচনা কৰি কালিদাসৰ আগত জোনৰ আগত বন্তিৰ দৰে বিফল-মনোৰথ হৈছে।

এই ক্ষুদ্ৰ প্ৰবন্ধৰ সামৰণিত আমি ইয়াকে নকৈ নোৱাৰোঁ যে, বাওনাৰ জোন-ধৰা, পঙ্গুৰ পৰ্ব্বত-বগোৱা আৰু সমুদ্ৰ সাঁতুৰি পাৰ-হোৱা আদি কাৰ্য্যৰ প্ৰয়াস যেনেকৈ লোকৰ গৰিহণাৰ পাত্ৰহে মাথোন, ঠিক সেইদৰে মহাকবি কালিদাসৰ অমৃতময় কাব্য মেঘদূত অসমীয়া ভাষাত ভঙাটোও আমাৰ তেনেকুৱাই কথা। তথাপি লোভ সামৰিব নোৱাৰি কৰ্ত্তব্য-জ্ঞানেৰে যথাসাধ্য কৰিব গৌৰৱ-অটুট ৰাখি এটি ভাঙনি লিখিলোঁ ; কিন্তু, কব নোৱাৰো ই ভালেই হল, নে বেয়াই হল ; কিয়নো—

“প্ৰয়োগ-বিজ্ঞান ভাল
নোৱাৰোঁ বুলিব,
পণ্ডিতৰ মন যদি
নোৱাৰো তুষিব।”—শকুন্তলনাট।

শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য

* দিঙ্নাগ মহাকবি কালিদাসৰ সমসাময়িক আৰু প্ৰতিপক্ষীয় অনৈক কবি। এওঁ বৌদ্ধ অধ্যাপক অসঙ্গৰ ছাত্ৰ আছিল। অসঙ্গ খৃষ্টীয় ৫৪১ শকত ওপজা মানুহ। এতেকে, কালিদাস এইকালৰ পাছৰ মানুহ কোনোমতে হব নোৱাৰে। এওঁ অৰ্থাৎ কালিদাস কাশ্মীৰত নতুবা ইয়াৰ কোনো দাঁতি-কাষৰীয়া ঠাইত থকা মানুহ। তেওঁৰ স্ত্ৰীৰ নাম আছিল কমলা।—এয়েই পণ্ডিত ভাওদাজীৰ মত।

# সৌন্দৰ্য্য-কুঁৱৰী

( বাইৰন্ )

সৌন্দৰ্য্য-কুঁৱৰী কেৱে তোমাৰ নিচিনা
এনেকুৱা নাজানে মোহিনী ;
তোমাৰ সুৱলা মাত সাগৰৰ ধীৰ
মইসনা বাণী যেন শুনি ।

শুনি এই সুমধুৰ স্বৰ
সাগৰো যে মোহিত, মন্থৰ ;
ঢউ শোৱে কৰি চিক্‌মিক্
মুগ্ধ বায়ু দেখে সমাজিক ।

মাজনিশা জোনাটিয়ে খোঁথা
মালাধাৰি জলধিয়ে পিন্ধে
টোপনিৰ কেচুৱাৰ দৰে
বুকুখনি ভাবত ওফন্দে ;

তোমাৰ গীতৰ বাবে তোমাৰ কাষত
অৱনত প্ৰাণ শ্ৰদ্ধা-ভৰে
বাৰিষা-সমুদ্ৰ যেন উছলিছে হিয়া
পূৰ্ণ আৰু মৃদু আবেগেৰে ।

---

# মকৰ্দ্দমাৰ ৰাম-টাঙোন

বাঁহীৰ সম্পাদকৰ ওপৰত । আৰু এই ৰাম-টাঙোন জোকাৰিছে কোনে ? —ডাঙৰীয়া কৃপাবৰ বৰবৰুৱাই । তেখেতে বাঁহীৰ সম্পাদকলৈ চিঠি এখন লেখিছে, এই বাৰলৈ নিজ হাতেৰেই । মোৰপৰা সন্তোষজনক উত্তৰ নাপালে, পিছত হেনো তেখেতে উকিলৰ হতুৱাই চিঠি দিয়াব । চেৰেকনিৰ পিছত বৰষুণৰ দৰে, তাৰ পিছত মকৰ্দ্দমা । তেওঁৰ চিঠিখনৰ নকল তলত দিলোঁ ।—

"বাঁহীৰ সম্পাদক শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাদেও,

মাস্তবৰ ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াই তেখেতৰ "কঠিন শব্দৰ ৰহস্য ব্যাখ্যা" কিতাপত মকৰ্দ্দমা কিয় বোলে তাৰ উত্তৰত কৈছে—মাং কৰ্দ্দমং কৰো-তীতি মকৰ্দ্দমা । এই ব্যাখ্যা অৱশ্যে হেমকোষত নাই । নাথাকিলেও ব্যাখ্যাটো মোৰ অনুমোদিত । বোলোঁ, বাঁহীৰ ভেমপুৰীয়া সম্পাদক ! জানি থবা যে, মই এই-বেলি তোমাক কৰ্দ্দম কৰিহে এৰিম । অৱশ্যে এই কৰ্দ্দম সাংখ্যকাৰ কপিলৰ বাপেক কৰ্দ্দম প্ৰজাপতি নহয় ;

ই দীঘো নৈৰ পলবোকা, যত সিদিনা তোমাৰ মটৰ গাড়ীখন দীঘৌৰ ঘাটেদি পাৰ কৰোতে তাৰ চকৰি আদখিনিলৈকে সোমাই পোত গৈছিল, আৰু আদবুৰিয়ান মানুহে ধৰি হেলোঁহেচো কৰিহে উলিয়াই আনিছিল জানি থবা হেৰা মই-বৰ-চন্দ্ৰ ! মোৰ মকৰ্দ্দমাৰ বোকা তাতোকৈ "জবৰ" । তাত তুমি আদখিনিলৈকে নহয়, গোটেইটো পোত খাবা । সাপৰ নেগুৰত বিষ থকাদি মাগোন থাকে যদি তোমাৰ মুখৰ টিকনিৰ আগডাল ওলাই থাকিব পাৰে, যত ধৰি তোমাৰ গুণগ্ৰাহী সকলে তোমাক টানি উলিয়াই আনিবৰ সুবিধা হব ।

কিন্তু পাহৰিছোঁৱেই যে বাঁহীৰ সম্পাদকৰ মুখৰ টিকনি কেতিয়াবাই সৰিল । যি হওক, বামুনৰ লৰাৰ মূৰত যে শিখা ৰাখিবলৈ টিকনি নাথাকে, সেইটো মই ভাবিবই নোৱাৰোঁ ; সেই দেখিহে পোনে পোনে মোৰ মুখত টিকনিৰ কথা ওলাল ।

তুমি সিদিনা আসাম পৰিভ্ৰমণ কৰি গলা, ভাৰ



কৰিলা । ইমান দিনে তুমি তোমাৰ মাতৃভূমিলৈ নহাগৈছিলা দেখিহে মই পেটে পেটে তোমাক বেয়া পাই আছিলোঁ । তুমি ঠায়ে ঠায়ে অভিনন্দন পালা ; ধাৰে ধাৰে ফুলৰ মালা, কপাহৰ মালা আৰু আখৈৰ মালা পিন্ধিলা, তাতো মোৰ বিসম্ব পাবৰ একো কাৰণ নাই ; যদিও আচলতে সেইবোৰৰ আধাখিনি মোৰহে প্ৰাপ্য । তুমি সোপাকে আত্মসাৎ কৰি পৰস্বাপহৰণ কৰাতো মই একো নামাতিলোহেঁতেন ; কাৰণ নামনিৰ সুকেৱে কবলৈ গলে, "মাতা শত্ৰু, পিতা বৈৰী" অৰ্থাৎ মাতিলেই শত্ৰু হোৱা যায়, আৰু পিটিলেই অৰ্থাৎ মাৰ-পিট কৰিলেই বৈৰী হৈ উঠা যায় । এই ছুটাৰ এটাতো এতিয়া মোৰ হস্তক্ষেপ কৰিবৰ ইচ্ছা নাই, কাৰণ মোৰ গাত আজি-কালি বল কমি আহিছে । কিন্তু তুমি মোক খোলা-খুলিকৈ কোৱাচোন, তুমি কি বুলি নিজক কৃপাবৰ বৰবৰুৱা সাজি ভাও দি ফুৰিছিলা ? দণ্ডবিধি আইনত false personification অৰ্থাৎ নিজক আন এজন বুলি চিনাকি দি ফুৰাটো দোষৰ কাৰ্য্য বুলি তুমি নাজা-নানে ? অৱশ্যে তোমাৰ সপক্ষে একাষাৰ কথা কবলৈ মই বাধ্য । মই মন কৰি আহিছোঁ—সভাত লোকে তোমাক কৃপাবৰ বুলি সম্বোধন কৰি সন্মান দেখুৱাওঁতে তুমি সেই বিষয়ে একো মত্য নাই । কিন্তু নমতাটোও যে আইনমতে অপৰাধ কথা সেইটো তুমি নিশ্চয় জানা । মদৰ দোকানত "পিকেটিং" নামৰ মহাপাপ কৰি ডেকা লৰাবোৰ অপৰাধী হৈ পুলিছৰ খেদাত পলাই আহি যদি তোমাৰ ঘৰৰ চাংতলত সোমাই লুকাই থাকে, আৰু সেই মহাপাতকীৰ সম্ভেদ জানিও যদি পুলিছক উপযাচি নকৈ মনে মনে থাকা, তেন্তে তুমি কোন ধাৰাত পাত হবা সেইটো তোমাৰ ভু আছে নে নাই ? সমাজৰ লোকৰ আগত থিয় দি তুমি উৰ্দ্ধবাহু হৈ কিয় কৈ নিদিলা যে, তুমি কৃপাবৰ বৰবৰুৱা ডাঙৰীয়া নোহোৱা ? ধান-পুৰীয়া কঁঠাল বৰবৰুৱা যে সদায় পাতৰ তলত লুকাই থাকে সেইটো আনে নেজানিলেও তুমি তো জানা । অৱশ্যে মই সৈ কাঢ়োঁ, যে তেমোৰ কাকতত মই মাজে সময়ে লেখি ক্ষুদ্ৰ পাতক কৰোঁ ; আৰু তোমাৰ আঁৰতে লুকাই থাকোঁ ; কাৰণ সেইটো মোৰ স্বভাৱ । আৰু এটা কাৰণ সে মই বাটে পথে ওলাই ফুৰি সস্তা হবও নোখোঁজো । কিয় তুমি তাৰে সুবিধা লৈ অস-মৰ ৰৰসবাহৰোৰত মলা চৰুৰ পুৰা ভাগ লৈ ডেকালি কৰি আহিলা, মোক কোৱাচোন ? মোক যদি অস-মীয়াই সাধাৰণতে দেখিবলৈ নাপায়, সেইটোতো মোৰ দোষ নহয় । শুধ মনেৰে মোক বিচাৰিলেই পোৱা যায় । তেওঁলোকে জনা উচিত যে মই দেৱতাও নহওঁ, ডলুৱা ভূতো নহওঁ ; মই মৈনাক পৰ্ব্বতটো যেন বৰবৰুৱা ডাঙৰীয়া কৃপাবৰ । ওপৰত কোৱা বস্তু দুবিধ নহলেও দুই বিধৰ গুণ যে মোৰ গাত অবৰ্ত্তমান, সিয়ো নহয় । এহাওৰীয়াকৈ পূজিলে দেৱতাই দেখা দিয়ে বুলি সাধুসকলে কয় । ভূতৰ সাধনা কৰিলেও ভূতৰ আবিৰ্ভাব হয় । সেই বুলি কাঠৰ মূৰ্ত্তি বা শিল এডোখৰ দেৱতা নহয় । সেই মূৰ্ত্তি আৰু সেই শিলত প্ৰতিষ্ঠিত প্ৰাণ বা অশৰীৰী বস্তুটিহে দেৱতা । বাঁহীৰ সম্পাদক, তুমি কাঠৰ মূৰ্ত্তি বা শিল এডোখৰহে ; তুমি কৃপাবৰ বৰবৰুৱা নোহোৱা । বৰবৰুৱা ডাঙৰীয়াই তেওঁৰ খুছিমতে তোমাৰ গাত লম্ভিবও পাৰে, নলম্ভিবও পাৰে । সেই বুলি বেজৰ ঘৰৰ লৰা, তোমাৰ ইমান সাহ বাঢ়ি গৈছে, যে তুমি নিজেই বৰবৰুৱা ডাঙৰীয়া কৃপাবৰ হবলৈ ওলাইছা !! সম্প্ৰতি তোমাক ফৌজদাৰিলৈ ছোপৰ্দ্দ কৰাৰ বাহিৰে আন বাট নাই । এতেকে আজিৰপৰা এমাহৰ ভিতৰত তুমি যদি কোনো সন্তোষজনক কৈফিয়ৎ মোক দিব নোৱাৰা, তেন্তে তোমাৰ ওপৰত দেৱানী ফৌদাৰি এই দুই বিধৰ মকৰ্দ্দমা ৰিজু হব, জানি থবা । কোৱা বাহুল্য যে প্ৰচুৰ ক্ষতিৰ দাবি আৰু খেছাৰৎ ।"

"ডাঙৰীয়া শ্ৰীকৃপাবৰ বৰবৰুৱা"

এইখন বৰবৰুৱাৰ চিঠি । সভা সমিতি মাতি, মোক কৃপাবৰ পাতি অভিনন্দন-দিওঁতা সদাশয় পুৰুষ আৰু মহিলাসকলক মই কৰপুটে নিবেদন কৰি সোধোঁ, যে এতিয়া মোৰ গতি কি হব আৰু বৰবৰুৱাক কি কৈফিয়ৎ দিম, তেওঁলোকে মোক কওক । মই অতি নিঃকিন

সম্পাদক। আজিকালিৰ দিনত আমাৰ ভাৰতবৰ্ষত কাকতৰ সম্পাদকৰ কেনে কান্দোনলগা অৱস্থা সকলোৱে জানে। তেওঁলোকৰ আগৰ মান সৎকাৰ যে গলেই, চোৰ ডকাইতৰ দৰে আজিকালি কথায় কথায় তেওঁলোক ফাটেক খায়, জৰিমনা ভৰে, ছাপাখানা হেৰুৱায় আৰু সময় বুজি বগুৰাইতে কিলাকুটি বাস্তুভো খায়। নিতান্ত নিষ্কৰ্ম্মা নহলে, আজিকালি সম্পাদক হবলৈ ওলোৱাটো বিড়ম্বনা মাথোন। আগৰ কালত কাকতৰ সম্পাদক গণ্য মান্য সম্ভ্ৰান্ত বিবেচিত হৈছিল। লাট চাহাবে তেওঁক মাতি নি মাচিয়া দি "বেল, অমুক তমুক।" বুলি "হেণ্ডশ্বেক" কৰি কথা কৈছিল; আতলৈ ভয় নকৰাক লাটে নিজৰ কাৰেঙত হাহ মাৰি ভোজ খুৱাইছিল, আৰু তাৰ পিছত ৰায় বাহাদুৰ বা ছি-আই ইৰ মৰাগুটীয়া মণিধাৰ তেওঁৰ ডিঙিত পিন্ধাই, কাউন্সিলত সভাসদ কৰি লৈছিল। কিন্তু আজি সেই দিন গল। আজিকালি ওপৰৰ ফালৰ গৰীষ্ঠসকলৰ কথাকে নকওঁ, কনিষ্ঠ এটাইও সম্পাদকক কটাৰ-পোকটা নোবোলাকৈ নাথাকে। অৱশ্যে কাৰ দোষত সম্পাদকৰ এনে অধোগতি হল, সেইটো কব নোৱাৰোঁ; কিন্তু হল। তাহানি মই হাওড়াত থাকোতে এদিন পুৰা কেলেডনিয়া নামৰ ডকত বহি আছিলোঁ। কেইবাজন ভাল মানুহেৰে সৈতে কথা পাতি থাকোতে, তাৰে ভিতৰৰ ভব্য গব্য এজনে কৈছিল,—"মই পৃথিবীত কাকৈকো ভয় নকৰোঁ; কেৱল এই তিনটাৰ বাহিৰে; যথা,—পুলিছ, কাকতৰ সম্পাদক, আৰু বলিয়া কুকুৰ।" কিন্তু আন দুটাৰ সেই প্ৰতিপত্তি থাকিলেও, আজি সম্পাদকৰ একো নাই। এতেকে মই কি কৈফিয়ৎ দিম, মোক ৰূপাবৰ-পাত্তোতাসকলে কৈ দি এই বিপদৰপৰা উদ্ধাৰ কৰক। তেওঁলোকে কব পাৰে যে তোমাক ৰূপাবৰ বোলোঁতেই নো তুমি উঠি কৈ নিদিলা কিয় যে "মই ৰূপাবৰ নহওঁ ?"

কিয় নকলোঁ শুনক। সভাবোৰৰ উদ্দেশ্য আছিল, প্ৰীতি-সম্মিলন আৰু সাদৰ-সম্ভাষণ। এনে সভাত মই যদি তেওঁলোকৰ কথাত প্ৰতিবাদ কৰি উচ্চহা উলিয়ালোঁহেঁতেন, তেন্তে প্ৰীতিৰ এৰাঁগাখীৰৰ বাটিত অপ্ৰীতিকৰ গোবৰৰ চিটিকনি নপৰিলহেঁতেন জানো ? তাৰ উপৰি, তেওঁলোকে মোক সুসুধি এৰিলেহেঁতেন নে যে "তুমি যদি ৰূপাবৰ নোহোৱা, তেন্তে ৰূপাবৰ কোন আমাক কৈ দিয়া !'

আগৰ দিনৰ কথা কব নোৱাৰোঁ, আজি কালি কাৰবাৰ হাতনি পেৰাটো চুৰি হল বুলি থানাত খবৰ দিলে, দাৰোগাই সুধিবলৈ নাপাহৰে যে "তোমাৰ হাতনি-পেৰাটো কোনে নিলে, মোক কৈ দিয়া, মই তাৰ গিৰিপ্‌দাৰ কৰোঁ।" মই কওঁ "দাৰোগা হুজুৰ ! মই যদি সেইটোকে কৈ দিব পাৰিলোঁহেঁতেন, তেন্তে থানালৈ আহিবৰ মোৰ সকাম কি ? " ৰূপাবৰ কোন, তোমালোকে উলিয়াই লোৱাঁ, মোক সোধা কিয় ? সেইবুলি তোমালোকে 'কাকো নাপাই ভাদৈক পালা, মুচৰি সামৰি খালৈত থলা' কিয় ?

বাঁহীৰ সম্পাদক

---

## মুখে মুখে চলি অহা কথা

মানুহৰ মুখে মুখে অনেক অদ্ভূত অদ্ভূত কথা চলি আহিছে; আৰু কিছুমান মানুহৰ মৰণৰ লগে লগে বহুত অদ্ভূত কথা লোপ হৈ গৈছে। কোৱা কথাবিলাকৰ বহুতৰে ভিতৰত অতীত যুগৰ বুৰঞ্জীৰ অমিয় মাধুৰিও লোমাই থাকিব পাৰে। এনেকুৱা কথাবোৰ সংগ্ৰহ কৰি ছপাব পাৰিলে ভাষাৰ পৰম উপকাৰ হয়। এদিন অভয়েশ্বৰী হাই স্কুলৰ মাষ্টৰ শ্ৰীযুত মনোমোহন দাস মহাশয়ে এটা কথা কৈছিল; তাকে ইয়াত তুলি দিলোঁ। ইয়াত বুৰঞ্জীমূলক তথ্য কি আছে, পাঠকসকলে ভাবি চাব।—



ছাপটগ্ৰাম ইষ্টাৰ্ণ বেঙ্গল ৰেল-লাইনৰ এটা ষ্টেশ্বন। এই ৰেল-লাইনৰ দক্ষিণে ষ্টেশ্বনৰপৰা ৩ মাইল মান পূবে "বামুণ কুৱা"* আৰু 'বাছুৱা কুৱা'' নামে দুটা পুখুৰী ওচৰা-ওচৰিকৈ আছে। পুখুৰী দুটাৰ ওচৰতে "আই শাকাতি" (শক্তি) নামৰ পাহাৰখনি। ঠাইডোখৰৰ প্ৰাকৃতিক দৃশ্য অতি মনোহৰ।

এই "আই শাকাতি" পাহাৰৰ ওচৰতে ভৈয়ামত এটা শিল আছিল বোলে; এই শিলৰ মহিমা অদ্ভূত। কোনো মানুহৰ টকাৰ অভাৱ হলে এদিন সন্ধ্যা সময়ত ভক্তি-ভাৱে সেই শিলৰ ওপৰত এযোৰা তামোল-পাণ থৈ আহিব লাগে, পিছ দিনা পুৱা সেই শিলৰ ওপৰত যথেষ্ট পৰিমাণে টকা ওলাই থাকিব; অভাৱত পৰা মানুহজনে পুৱা সেই টকাৰ আৱশ্যকীয়খিনি আনি বাকীবোৰ এৰি আহিব লাগে। ইয়াৰ ব্যতিক্ৰম হলে সৰ্ব্বনাশ। সেই টকাৰে কাম কৰি আঢাৱন্ত হলে, অনা টকাবোৰ আকৌ তাত ঘূৰাই দি আহিব লাগে।

এদিন এজন বামুণে আগ দিনা সেইদৰে তামোল-পাণ এযোৰা থৈ আহি পিছ দিনা পুৱা তেওঁৰ "বাছুৱা' নামৰ চাকৰটোক লৈ টকা আনিবলৈ গল। তেওঁ গৈ দেখে যে শিলৰ ওপৰত অনেক টকা পৰি আছে। টকা দেখি দুয়োজনেই লোভৰ বশীভূত হৈ সোপাকে লৈ তৎ-মৎ হেকৰাই দৌৰ দিলে। দুয়ো দৌৰ দিবলৈহে পালে তৎক্ষণাৎ মেদিনী কঁপি উঠি দুয়োকো তললৈ নিলে; সেই দুয়ো ঠাইতে দুটা পুখুৰী হৈ পৰিল। পুখুৰী দুটা এতিয়াও আছে। কামৰূপ জিলাৰ দক্ষিণ পাৰেও এই-দৰে পুখুৰী হোৱা আখ্যান এটা চলি আছে বোলে।

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস

---

## প্ৰেমৰ-অন্তিম

( Shelleyৰ "The End of Love'' কবিতাৰপৰা )

বন্তিগছি নুমালে এবেলি
আলো হয় ধূলিত বিলীন,
মেঘবোৰ হলে খেলিমেলি
ৰামধনু হয় জ্যোতিহীন।

ভাগি গলে বীণ, সুমধুৰ
সুৰ তাৰ নাথাকে মনত,
মউসনা বাণী হলে ওৰ
গীত তাৰ নাবাজে কাণত।

বন্তি আৰু বীণ শেষ হলে
জ্যোতিহীন গীত হীন হয়,
প্ৰাণ-বীণ নিৰৱ থাকিলে
হৃদয়ত সঙ্গীত নৰয়।

শ্ৰীদেবেন্দ্ৰনাথ দাস

* কুৱা :—নদীৰ কুৱ বা বৰ দ পানী।

# বৰলা

( ৩৩ পৃষ্ঠাৰ পাছৰপৰা )

ভুজেন্দ্ৰ—[ কঠোৰ ভাৱেৰে ] উঠা।

সৰু আই—ককাইদেউ, তুমি এইটো কাম নকৰিবা।

ভুজেন্দ্ৰ—উঠা, মই কৈছোঁ।

সৰু আই—তুমি বিপদত নপৰোঁ বুলি শপত খোৱা প্ৰথমতে। খোৱা যে, তুমি পুলিছৰ হাতত নপৰা।

ভুজেন্দ্ৰ—সিহঁতৰ হাতত পৰিবলৈ মই এই জগতত নেথাকোঁ। উঠা!

সৰু আই—[ উঠে ] উঃ! [ বেৰৰ ঘড়ীটো বাজিব'ল ধৰে। টং টং টং... সাতবাৰ। দুয়ো বৈ ঘড়ীৰ মাতবোৰ লেখে। ভুজেন্দ্ৰই বন্দুকটো বেগত আওজাই থয় আৰু একাষে থিয় হৈ দুৱাৰমুখলৈ চাই থাকে। ঘৰিটোৱে সাত কোব মৰাৰ পিছত অলপ পৰ নিৰল। তাৰ পিছত আগকালৰ দুৱাৰ মেল খায় আৰু লক্ষ্মীপ্ৰসাদ দুৱৰা সোমাই আহে। মানুহজনৰ ডেকা বয়স পাৰ হৈছে. শৰীৰৰ সাজ-পাৰ বহুমূলীয়া। মুখ মলিন আৰু শুকান ]

ভুজেন্দ্ৰ—[ বন্দুকলৈ মন কৰি ] হাঃ!...

সৰু আই—ককাইদেউ! [ ধৰে ]

ভুজেন্দ্ৰ—মোক এৰি দি তুমি তৎক্ষণাৎ ইয়াৰপৰা গুচি যোৱা।

সৰু আই—তুমি শপত খাইছিলা!

ভুজেন্দ্ৰ—পুলিছে মোক ধৰিব নোৱাৰিব। মই পুলিছৰ হাতত নপৰোঁ, কৈছো নহয়। [ কথা কওঁতে কওঁতে দুৱৰাৰ পিনে চকু দিয়ে। দুৱৰা কোঠাটোৰ ভিতৰলৈ আগবাঢ়ি আহে। সৰু আয়ে যাওঁ নেযাওঁকৈ আঁতৰি যায়। সৰু আয়ে সন্দেহৰ চকুৰে আলিলৈ চাই থাকে, ভুজেন্দ্ৰই ভ্ৰূকুটি কৰে। সৰু আয়ে দুৱাৰ জপাই বাহিৰলৈ ওলাই যায়। ভুজেন্দ্ৰই দুৱৰাৰ চকুৰে চকুৰে চাই থাকে ]

ভুজেন্দ্ৰ—মই তোমাৰ চিঠি পাইছিলো, তুমি মোক আজি গধূলি দেখা কৰিবা।

লক্ষ্মীপ্ৰসাদ—[ তলমূৰা হৈ ] তোমাক কথা কোৱাৰ ভাষা মই বিচাৰি পোৱা নাই।

ভুজেন্দ্ৰ—[ মাতটো পৰি যায় ] একো ভাষা নাইনে? আছে। [ মুখ ঘূৰাই চালপীৰালৈ চাই ] ওঃ! দু-ৰ-ৰা, তোমাৰ কামৰ জবাব মই দিম। তাৰ ভাষা মোৰ আছে।

লক্ষ্মীপ্ৰসাদ—এতিয়া মই তোমাৰ অধীন।

ভুজেন্দ্ৰ—সঁচা।

লক্ষ্মীপ্ৰসাদ—সান্ত্বনাৰো একো ফল নাই।

ভুজেন্দ্ৰ—মোৰো সেই মত।

লক্ষ্মীপ্ৰসাদ—তাই তোমাৰ ছোৱালী?

ভুজেন্দ্ৰ—মোৰ একেটি লগ। [ লক্ষ্মীপ্ৰসাদে পিছমু কৰে ] তাইক তুমি মাৰিলা [ জলি পকি ] তুমি তাইক বধ কৰিলা। [ দুয়োহাত দৃঢ়মুঠিৰে দুৱাৰলৈ টোৱাঁই ] মই বুজিছো, তুমি মোক ক্ষতিপূৰণ দিবলৈ আহিছা। [ বন্দুকটো হাতত লয় আৰু আগদুৱাৰৰ গুৰিলৈ গৈ দুৱাৰখন বন্ধ কৰি তলা মাৰি দিয়ে ] কিন্তু ক্ষতিপূৰণৰ মূল্য মইহে নিৰূপণ কৰিম। তোমাক মই তাইক দেখুৱাম—তোমাৰ কীৰ্ত্তি তোমাক দেখুৱাম। [ বন্দুকটোৱে চালপীৰাখন দুৱৰাক দেখুৱায়। দুৱৰাই ছোৱালীজনী চায় আৰু মেজৰ গুৰিলৈ আহে। ভুজেন্দ্ৰ তেওঁৰ সমুখ হয় আৰু বন্দুকটো সশব্দেৰে বুকুৰ পোনকৈ ডাঙে ] তুমি এইটো দেখিছানে? [ দুৱৰাই মন নকৰে, কিন্তু মেজৰ গুৰিৰ চকিত বহি মেজত হাত দুটা থৈ তাৰ ওপৰত মূৰটো পেলাই অলপ যেন কঁপে ] মই আশা কৰোঁ তুমি মোক বেছ বুজিছা। [ কোঠালিটো নিৰল, ভুজেন্দ্ৰই দুৱৰালৈ সুকঠোৰ ভাৱেৰে চায় ] ঈশ্বৰত বিশ্বাস যদি তোমাৰ আছিল থস্তেক



তেওঁক ভাবা; তাৰ পিছত—[ দুৱৰা উঠে আৰু ভুজেন্দ্ৰলৈ চায় ] মই কি কৰিব খুজিছোঁ, আশাকৰোঁ তুমি বুজিছা?

দুৱৰা—নাই বুজা, মই মোৰ সাধ্য অনুসাৰে তোমাৰ ক্ষতি পূৰাম।

ভুজেন্দ্ৰ—[ ভ্ৰূকুটি কৰি ] তোমাৰ গাড়ীৰ গতিবেগ কিমান আছিল?

দুৱৰা—[ কপালত হাত দি ] মই কব নোৱাৰো; কিন্তু মই খুব বেগেৰে গৈছিলোঁ।

ভুজেন্দ্ৰ—[ খণ্ডত জলি পকি ] হুঃ—তাৰ ক্ষতি তুমি পূৰাবা! তোমাৰ নীচ সুখভোগৰ কাৰণে গাড়ী চলাই আলিবাট ভাঙি যাবা মোৰ ছোৱালীক গচকি মাৰি পেলাবা। আৰু তাৰবাবে ক্ষতিপূৰণ দিবা, মোৰ ক্ষতি পূৰাবা। তোমাৰ ক্ষতি পূৰণে তাইক আগৰদৰে আলিবাটত থৈ যাবহি নে? আজি ৰাতিপুৱাতো তাই তাত উমলি আছিল।

দুৱৰা—তাৰ বাবে মই কি অনুভৱ কৰিছো কেনেকৈ কুটাই ক'ম? কিন্তু ক্ষতিপূৰণ—

ভুজেন্দ্ৰ—ক্ষতিপূৰণ-অৰ্থাৎ তাৰ মানে তুমি মোক টকা দিবা! ছোৱালীজনীৰ জীৱনটোৰ বাবে মই টকা লম, নহয়নে?......দুৱাৰ বন্ধ, তুমি চোৰা,—দুৱাৰত তলা লগোৱা, চাবি মৰা, চাবি মৰা। [ দুৱৰাৰ নিচেই ওচৰলৈ যায় আৰু তেওঁৰ ভৰিৰপৰা মূৰলৈকে প্ৰবল ঘৃণা দৃষ্টিৰে চায় ] ঠিক জানিবি,—মোৰ দৰে আৰু দুটামান মানুহ থকাহলে তই আৰু তোৰ লগৰ ধনী মানুহবোৰে এদিনলৈকে এই বাটেদি মটৰ চলাই মানুহ মাৰি সাৰি যাব নোৱাৰিলিহেঁতেন। অ' কি কৈছ, মই কি কৰিব খুজিছোঁ তই বুজা নাই। তই খুনী—তই সুবুজিবি কিয়? [ পিছলৈ হুহঁকি গৈ বন্দুকটো বুকুৰ সমান কৰে ]

দুৱৰা—[ এখোজ হুহঁকি ] তুমি যদি মোক গুলী কৰিব খুজিছা—

ভুজেন্দ্ৰ—খুজিছোঁ।

দুৱৰা—তোমাৰ সেইটো মূৰ্খালি।

ভুজেন্দ্ৰ—কিয়?

দুৱৰা—তুমি ধৰা পৰিবা, আৰু—

ভুজেন্দ্ৰ—[ হো-হোকৈ হাঁহি ] এইটো দুনলীয়া বন্দুক [ দুৱৰালৈ নিৰ্দ্দয় ভাৱেৰে বন্দুকৰ নলীটো টোৱাঁয় আৰু উভতি গৈ দুৱাৰৰ হাঁকোটাত লগাই থোৱা জোতাৰ ফিটাদাল জোঁকাৰে ] এইদাল দেখিছানে? [ ওলমি থকা ফিটাদাল বন্দুকৰ ঘোঁৰাত লগাই নলীটো নিজলৈ টোৱাঁয়। হঠাৎ বলিয়াৰ দৰে হৈ জৰিদাল সোলোকায় আৰু বন্দুকটো ডাঙি দুৱৰালৈ টোৱায় ] এতিয়া!!! ...[ দুৱৰাই এটা দীঘল হুমুনিয়াহ কাঢ়ি হাত দুটা দুকাষে পেলাই দি পোন হৈ থিয় হয় ] ...কিবা ক'বৰ আছেনে? [ দুৱৰা নিৰুত্তৰ ] উত্তৰ নিদিয় কিয়, হাৰামজাদা!

দুৱৰা—অপমান কথা মোৰ কব লগা আছে।

ভুজেন্দ্ৰ—কোৱা কি তৎক্ষণাৎ!

দুৱৰা—কোৱা হলেহে তুমি গুলী কৰিব পাৰিবা।

ভুজেন্দ্ৰ—কি!!

দুৱৰা—অৱশ্যে যিমান সোনকাল সিমান ভাল।

ভুজেন্দ্ৰ—[ গোলমালত পৰি ] তোমাৰ নিচিনা খুনী মানুহৰ নিজৰ প্ৰেতলৈকে ভয়।

দুৱৰা—মই যি কম তালৈ একমিনিট সময়েই যথেষ্ট, তাৰ পিছত তুমি মোক গুলী কৰি মাৰিব পাৰিবা। ......তুমি মোক খুনী বুলিছা?

ভুজেন্দ্ৰ—একশবাৰ।

দুৱৰা—তোমাৰ সৰু ছোৱালীজনীয়ে আলিত উমলি থাকোতে মোৰ মটৰ তাইৰ ওপৰেদি গল। তুমি ভাবিছা, মই এটা বনৰীয়া গাহৰি। মটৰ চলাই লৰা-ছোৱালী মাৰি মূৰ্খালি কৰি ফুৰা সেই আৎমক আৰু দোষী মানুহবোৰৰ দলৰ।

ভুজেন্দ্ৰ—সেই কুকুৰবোৰক মই জানো।

দুৱৰা—যদি মই সিহঁতৰ দলৰ হওঁ, তেনেহলে তুমি মোক মাৰিলে অন্যায় কৰা নহব। তুমি মোক যি বুলি ভাবিছা, সেই ভাবৰপৰা মোক মাৰিবৰ তোমাৰ ন্যায়সঙ্গত দাবী আছে।

ভুজেন্দ্ৰ—ওঁ।

হুবৰা—মই যি কৰিলোঁ তাৰ ক্ষমা নাই, মই তাক জানোঁ। কিন্তু মোক যাৰ দলৰ বুলি ভাবিছা, সেই গাহৰিবোৰক মই ঘিণ কৰোঁ—ঠিক তোমাৰ দৰেই কৰোঁ। তেনেহলে ইমান বেগাই কিয় মটৰ চলাইছিলোঁ। মই তোমাক কওঁ।

ভুজেন্দ্ৰ—বানে ভচহ কথা কোৱা দি, ফাঁকি কথা কৈ তুমি আজি ইয়াৰপৰা জীয়াই সাৰি যাবা বুলি ভাবিছানে?

হুবৰা—মই নাই ভৰা। মই জানিছোঁ, মই মৰিম। কিন্তু মই সঁচা কথা কৈছোঁ। যোৱা নিশা মোৰ পৰিবাৰ প্ৰসূতী। মোৰ এটি পুত্ৰ সন্তান আৰু বংশধৰ উপজিল; কেই ঘণ্টামানলৈকে সকলো ভাল। তাৰ পিছত হঠাৎ মাকৰ নাড়ী ডুবি যাবলৈ ধৰিলে। আন এজন ডাক্তৰ আনিবলগীয়া হল। চোৰাঁচোন জীৱন আৰু মৰণৰ কথা—মই সকলোলৈকে পাহৰিলোঁ। পৃথিৱী মোৰ মানত নাই। মই বিজুলীবেগেৰে মটৰ এৰি দিলোঁ। [ মাতটো থোকাথুকি হয় ] তুমি চোৰাঁ, ই জীৱন মৰণৰ কথা। আৰু কা-ৰ!

ভুজেন্দ্ৰ—হুঁ:, মোৰ পুতলীৰ কপালত মৰণ আৰু তোমাৰ লৰা-তিৰোতাৰ কপালত জীৱন। অ' তুমি মোৰ সৰু ছোৱালীজনীক মাৰি দুটা জীৱন ৰক্ষা কৰিলা। বেচ্ কৰিলা! খুব কৰিলা!

হুবৰা—মই একো কৰিব নোৱাৰিলোঁ। মই ডাক্তৰৰ সৈতে উভটি দেখিলোহেঁ দুয়ো মৰি আছে।

ভুজেন্দ্ৰ—দুয়ো!

হুবৰা—দুয়ো। এই কাৰণেই মোক গুলী কৰি মাৰিবলৈ তোমাক কৈছোঁ—মোক আৰু এই শুদা সংসাৰত নেৰাখিবা। [ কঁকালত হাত দি বুকু পাতে] পৰিবাৰত মোৰ সকলো আছিল। লৰাটোক আমি ডাঙৰ কৰিলোহেঁতেন—সি মোৰ বংশ পোহৰ কৰিলেহেঁতেন— কিন্তু সেইবোৰ আজি সমাজিকৰ কথা। [বহুত পৰ নিৰৱতা] গুলী নকৰা কিয়? বৈছা কিয়?

ভুজেন্দ্ৰ—এইবোৰ কথা সঁচানে?

হুবৰা—স্বচ্ছন্দে। মাথোন মোক মাৰি তুমি মোৰ উপকাৰ কৰা। [ ভুজেন্দ্ৰই চালপীৰাৰ ওৰিলৈ গৈ পুতলীক চায়। তাৰপৰা উলটি আহিলত তেওঁৰ মুখ শেঁতা পৰিল, মুখখন নতুনকৈ কোমল হল আৰু সেই-দৰে ভালেমানপৰ হুবৰালৈ চাই থাকে] উ-স্ [কপালত হাত দি ] পুতলী মোৰ মৰিল—[ অলপপৰ ৰয়, খিড়িকীয়েদি আলিলৈ চায়, তাৰ পিছত আকৌ আগৰ কথা মনত পৰিলত বন্দুকটো হাতত লৈ হুবৰালৈ লক্ষ্য কৰে ]

হুবৰা—[ বুকু পাতি ] গুলী কৰা তৎক্ষণাৎ ঘোঁৰা টিপি দিয়া।

ভুজেন্দ্ৰ—[ বহুতপৰ নিৰল, তাৰ পিছত ভুজেন্দ্ৰৰ মুখৰ ঘৃণাৰ ভাৱ নাইকিয়া হয়, আৰু তেওঁ বন্দুকটো মাটিত নমাই থয় ] মই মাৰিব নোখোজো বন্ধু। [তাৰ পিছত দুয়োহাত ওপৰলৈ তুলি খোজ কাঢ়ি গৈ দুৱাৰ-খন নিঃশব্দে খুলি দুফাল কৰি মেলি দিয়ে ] ঈশ্বৰক তুমি তাৰ ক্ষতিপূৰণ দিলা। [ এক কি দুই মিনিট দুয়ো দুয়োলৈ চাই থাকে আৰু লক্ষ্মীপ্ৰসাদ হুবৰা ওলাই যায়। ভুজেন্দ্ৰই দুৱাৰ বন্ধ কৰি চালপীৰাৰ ওচৰলৈ গৈ আঁঠুকাঢ়ি বহে ] অ' মোৰ পুতলী, অ' মোৰ পুতলী! [সকআয়ে সিখন দুৱাৰৰপৰা ভুমুকিয়াই চাই লাহে লাহে সোমাই আহে আৰু আঁৰ কাপোৰ পৰে। ] •

"ক"

• ইংৰাজীৰপৰা।

# ভাষাৰ কথা

বৰ্ত্তমান সময়তো গোটাই আসামৰ অসমীয়া-ভাষা-ভাষীসকলৰ মাজত ভাষাবিষয়ক স্থায়ীভাৱে এটি মিলন-ভাৱ নহাটো, বা আহিলেও আংশিক ভাবেহে অহাটো বৰ দুখৰ বিষয়। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ—এই স্থায়ী মিলন-ভাৱ অতি সোনকালে আহক। ভাষা বিষয়ে মিলন-ভাৱ আনিবলৈ হলে আসামৰ সকলো ঠাইৰ মানুহৰেই কম-বেছি পৰিমাণে ত্যাগ আৰু উদাৰতাৰ আৱশ্যক হব; কেৱল নিজৰটোকে ভাল বুলি সাবটি ধৰি থাকিলে আৰু পৰৰ ভাল থাকিলেও তাক হেয় জ্ঞান কৰি এৰি দিলে, ভাষা উন্নতিশালিনী হব নোৱাৰে। এনেকুৱা দস্তুৰেই বহুত বিষয়ৰ অৱনতিৰ মূল কাৰণ হয়।

অসমীয়া ভাষাৰ ওপৰত শদিয়াৰপৰা ধুবুৰীলৈ যিমান মানুহ আছে, সকলোৰে সমান স্বত্ব; আনকি কোচবিহাৰ আদিৰ মানুহেও অসমীয়া ভাষাক মাতৃভাষা বুলি দাবী কৰিব পাৰে। ঠাই ভেদে কথিত ভাষাৰ গঢ়-গতি অলপ অচৰপ পৃথক হোৱাটো স্বাভাৱিক; এই ভেদাভেদ পৃথিৱীৰ সকলো উন্নত ভাষাতেই আছে।

ভাৰতীয় প্ৰায়বোৰ ভাষাৰেই লিখিত আৰু কথিত ভাষাৰ মাজত কিছু অমিল দেখা যায়; অথচ দুয়োৰে মূল একে। আমাৰ অসমীয়া ভাষাটো এই কথা খাটে। লিখিত আৰু কথিত ভাষাৰ মাজত যিমানেই কম পাৰ্থক্য থাকে সিমানেই ভাল। তেতিয়াহলে লিখিত ভাষাটোও সকলোৱে বুজি পোৱা হয়।

মানুহৰ মুখে মুখে চলি থকা অনেক অসমীয়া শব্দই অভিধানত ঠাই পোৱা নাই। আমি শুনি দুখ পাইছোঁ যে,—নতুনকৈ হব ধৰা "চন্দ্ৰকান্ত অভিধানতো" হেনো নিম্ন আসামত প্ৰচলিত অৰ্থযুক্ত অসমীয়া শব্দ কিছুমানক অসমীয়া শব্দ নহয় বুলি ঠাই দিয়া নাই। শ্ৰদ্ধাস্পদ ৰায়-বাহাদুৰ মহাশয়ে তেখেতৰ সুযোগ্য পুত্ৰৰ স্মৃতি ৰক্ষাৰ্থে কৰা পবিত্ৰ কামত যদি সঁচাকৈয়ে এনেকুৱা কৰিছে তেন্তে বৰ দুখৰ কথা হৈছে। অসমীয়া ভাষাৰ শব্দ-কোষ বেছি হয় মানে ভাল। অসমীয়া ভাষাৰ এখন ভাল ব্যাকৰণ আৰু উচ্চ থাপৰ এখন অসম বুৰঞ্জীৰ বৰ দৰ্কাৰ হৈ পৰিছে।

নানা কাৰণত মই নিম্ন আসামৰ অনেক ঠাই ঘূৰি ফুৰিছোঁ। গোৱালপাৰা জিলাৰ বহুত ঠাইত অসমীয়া ভাষা চলে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ কথিত ভাষা প্ৰায় একে। নিজৰ ঠাইৰ কথিত ভাষাৰ লগত বৰ বেছি সম্বন্ধ নথকা বাবে এই দুই জিলাৰ অনেক ঠাইৰ ছাত্ৰৰে বৰ্ত্তমানৰ লিখিত অসমীয়া ভাষা পঢ়িবলৈ টান পায়; আনকি দুই এজনে আমাৰ আগত এই দৰে কৈছে যে—"বৰ্ত্তমানৰ অসমীয়া ভাষা শিকা আৰু বঙলা ভাষা শিকা আমাৰ পক্ষে একে কথা।" এই ভাবকে লৈ হবলা গোৱালপাৰাৰ দুই এজন ছাত্ৰৰে কলেজতো বঙলা ভাষাহে পঢ়ে; ইপিনে তেওঁ যে হাড়ে-মঙহে অসমীয়া, অসমীয়া ভাষাৰ যে তেওঁ অনেক কাম কৰিব লাগিব, এই কথা দুটা পাহৰি যায়। সেই কাৰণে বৰ্ত্তমান লিখিত ভাষাত ওপৰ আসামৰ নিচিনাকৈ নিম্ন আসামৰ শব্দ আৰু ঠাচেও ঠাই পালে এই আপত্তি কমিব; ইপিনে আসামৰ সকলো লিখকৰ মাজতেই এটা মিলন-ভাৱ আহিব।

৫৪০৬/অ:

অসমীয়া ভাষাত সৰু ছলিয়ে পঢ়িবলগীয়া উপযুক্ত কিতাপ নাই নাই বুলিও কিছুমান ওলাইছে; সেই কিতাপবোৰ সকলো ছাত্ৰৰে আগ্ৰহেৰে পঢ়িব লাগে। ভাল ছাত্ৰৰে "এই কিতাপত একো নাই" বুলি কেতিয়াও দলিয়াই নিদিয়ে। দৌল, দোমাহী আদিত ময়নাহঁতে নতুন সাজ-পাৰ লোৱাৰ নিচিনাকৈ ভাল ভাল অসমীয়া কিতাপৰ কাৰণেও অভিভাৱকৰ ওচৰত কান্দিব নে? নাইবা প্ৰত্যেক ছাত্ৰৰেই মাহেকত অন্ততঃ দুখন অসমীয়া কিতাপ কিনি নি আগ্ৰহেৰে পঢ়িব? প্ৰত্যেক ছাত্ৰৰেই একোটা সৰু লাইব্ৰেৰী কৰা ভাল। •

হঠাৎ কথা এটা মনত পৰিল। শুনিবলৈ পাইছোঁ গৌৰীপুৰৰ হাই স্কুলত আগেয়ে হেনো অসমীয়া ছাত্ৰে অসমীয়া পঢ়াৰ সুবিধা আছিল, এতিয়া নাই বোলে। অসমীয়া পঢ়িবলৈ সুবিধা নোপোৱা বাবে হেনো কেই-বছৰমানৰ আগতে কেইজনমান ছাত্ৰে সেই স্কুলৰ পৰা বাহিৰ হৈ আহিব লগা হৈছিল। গৌৰীপুৰ আৰু ধুবুৰী অসমত, ইয়াৰ প্ৰজাসকল অসমীয়া। আৰু শুনিলোঁ।—বিজনী স্কুলৰ দুজনমান শিক্ষকে হেনো শ্ৰেণীত পঢ়োৱাৰ সময়ত বঙলা ভাষা ব্যৱহাৰ কৰে; ইপিনে তেওঁলোক অসমীয়া। ই আৰু কেনে বিধৰ কথা?

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

---

# বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি

ঘুমুকঘানাক্‌টৈক শুনিবলৈ পালোঁ বোলে এইবাৰ কেনো সাহিত্যৰ নিমিত্তে "নবেল প্ৰাইজ" ভাৰতীয় একজনক দিব। বাতৰিটো শুনিবৰে পৰা, থিৰাংকৈ কৈছোঁ, যে মোৰ 'কলৈ যাওঁ গোপাল, কলৈ যাওঁ কপাল' লাগিছে। কিয় কব নোৱাৰোঁ, একোবাৰ লৰমাৰি, মোৰ ঘৰৰ পাছফালে থকা কলনিত সোমাওঁগৈ; একোবাৰ ঢেকিশাল পাওঁগৈ এই ভাবি যে এদোনমান ধানকে ঢেকি দি বানি পেলাওঁ,—যদিও সেইটো কাম মোৰ নহয় আৰু আগেয়ে মই কেতিয়াও কৰা নাই; একো একোবাৰ লৰি পদূলিৰ মুৰ ওলাওঁগৈ,—চাবলৈ,—কিজানি দীঘল ছৰ্কাৰী লেফাপা এটা মোৰ নামে আহিছেই, যাৰ ভিতৰত মোৰ প্ৰাপ্য "নবেল প্ৰাইজৰ" খবৰটো আছে। মোৰ জীৱনত আৰু এবাৰ মোৰ এনেকুৱা হৈছিল। "ডাৰ্বি ছুইপ্‌" অৰ্থাৎ বিলাতৰ ডাৰ্বি বোলা ঠাইত ঘোঁৰাখেলৰ সম্পৰ্কে কলিকতাত যি চিঠি-খেল হয়, তাৰ টিকিট এটা মই ৰূপ দহ টকা দি কিনিছিলোঁ। কলিকতাত কোনো এটা তাৰিখে ৰাতি ৯ বজাত সেই চিঠিখেল আৰম্ভ হয়। সেই দিনা ৰাতি ৮ মান বজাৰপৰা মোৰ গাত গোসাঁই নাইকিয়া হল। ঘোৰদৌৰত প্ৰথম হবৰ সম্ভৱ থকা ঘোঁৰাটোৰ টিকিট কিজানি মোৰ নামত উঠিব, ইয়াকে ভাবি মই উৎকণ্ঠাত ঠকঠক্ কৰে কঁপিবলৈ ধৰিলোঁ। অৰ্থাৎ যদি সেই টিকিটটো মোৰ নামত উঠে, তেন্তে একে জাপতে মই বাৰ কি তেৰ লক্ষ টকাৰ মালিক হম। মোৰ গঢ়-গতি দেখি, আৰু আচলতে কি হৈছে নাজানি, ঘৰৰ ঘৈণীয়ে লৰালৰিকৈ জ্বৰ চোৱা থাৰ্ম্মমিটৰডাল আনি মোৰ কাষলটিৰ তলত সুমাই দিলে আৰু অলপৰ পিছত উলিয়াই আনি চাই কলে মোৰ বৰ জ্বৰ, "টেম্পৰেচৰ" অৰ্থাৎ তাপ ১০৪ ডিগ্ৰি। তেওঁ ডাক্তৰ মাতিবলৈ উখল-মাখল লগাওঁতেই, মই হাক দি কলোঁ,—"শুনিছানে, বোলো ব্যস্ত নহবা; মোৰ আচল জ্বৰ নহয়; এইটো উপকৰা উপসৰ্গ। ভাঙিয়েই তোমাক কথাষাৰ কওঁ। তুমি জানা যে ডাৰ্বি ছুইপৰ মই টিকিট এখন কিনিছিলোঁ। আৰু আধঘণ্টাৰ পিছতে সেই চিঠিখেল আৰম্ভ হব। কিজানি দৌৰত প্ৰথম হবলগীয়া ঘোঁৰাটো মোৰ নামত উঠেই, তাকে ভাবি মোৰ এনেকুৱা হৈছে। অলপৰ পিছতে মোৰ গা চেঁচা পৰি যাব। যদি সেইটো মোৰ নামত উঠে, খুব সম্ভৱ উঠিব, তাৰ আধখিনি অৰ্থাৎ ছলাখ টকা মই তোমাক দিম, নিশ্চয় জানিবা।" ঘৰৰ ঘৈণীয়ে মোৰ কথা শুনি হাঁহিয়েই অস্থিৰ। মোৰ এই প্ৰবন্ধ পঢ়োঁতা পাঠক পাঠিকা যদি কতবাত কোনোবা আছে, তেওঁলোকক কওঁ,—বোপাইহঁত, আইহঁত, মোৰ মনৰ ভাবৰ খেলিমেলিৰ কথা কেইষাৰ তোমালোকৰ আগত কলো বুলি, তোমালোকে নাহাঁহিবা। মই পেট-খোলা মানুহ। হাঁহিলে তোমালোকৰ হে দাঁত ওলাব, মোৰ নো কিটো হব? আৰু বাস্তৱিকতে,



তোমালোকে হাঁহিবকেই বা জানা কি ফুটুকাৰ ফেন-লোপা! মই কওঁ,—হাঁহিব নামত ফেকুন্দা দাঁতকেইটা চেলাৰ নালাগে, আৰু তাকেই হাঁহি বুলি সন্তোষ লভিবৰো কোনো সকাম নাই। অৱশ্যে জানো যে তোমালোক দোলাৰ নামে শিকিয়াত যোৱা মানুহ, আৰু গাখীৰৰ নামে পানীকে খোৱা মানুহ। ঠিক যেন মধ্যাভাবে গুড়ং। তোমালোক জপৰ্জল আৰু তোমালোকৰ গঢ়-গতি চেলেংপেটেং। সঁচা কথা কব লাগিলে, এই পৃথিৱীত তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথমজন পুৰণিকলীয়া গ্ৰীচ দেশত আছিল, তেওঁৰ নাম এৰিষ্টকেনিছ। দ্বিতীয়জন স্পেইনত আছিল, তেওঁৰ নাম চৰ্ভেণ্টিছ। তৃতীয়জন জন্‌বুলৰ দেশত আছিল, তেওঁৰ নাম জনাথন ছুইফ্‌ট্‌। চতুৰ্থজনৰ কথা নকলেও হব, কাৰণ তেওঁ তোমালোকে হাতে ঢুকি পোৱাতে—অৰ্থাৎ তেওঁৰ নিবাস জকাইচুকতে। মোট কথা, লোকে হাঁহকে বা কান্দক, বৰবৰুৱা কুপাৰৰে নবেল প্ৰাইজ পোৱাৰ সম্ভাৱনাৰ যিটো জঁক তেওঁৰ গাত উঠিছে, সি সহজে নযাবে।

তোমালোকে কব পাৰা, যে বৰবৰুৱাই নো কিহৰ বাবে নবেল প্ৰাইজ পাব? মই ওলোটাই তোমালোকক সোধোঁ কিহৰ বাবে নো তেওঁ নেপাব, কোৱাঁচোন? যদি কবীন্দ্ৰ ৰবীন্দ্ৰই গীতাঞ্জলি নামৰ পদ্য কিতাপ এখন লেখিয়েই নবেল প্ৰাইজ পায়, মই নো মোৰ বিখ্যাত কাব্য-কিতাপ "চিলা" লেখি নাপাম কিয়? গীতাঞ্জলিতকৈ মোৰ "চিলা' কোন গুণত কম? বৰং হেজাৰ গুণে শ্ৰেষ্ঠ। চিলাক আজিলৈকে কোনেও push কৰা অৰ্থাৎ ঠেলি আবঢ়াই দিয়া নাই দেখিয়েই সি ভেকুৱা লাগি পৰি আছে। ৰবীন্দ্ৰ বাবুৱে গীতাঞ্জলিখন বঙলাভাষাত লেখি তাৰ ইংৰাজী তৰ্জ্জমা কৰি নবেল পৰীক্ষাত শোধাইছিল। মোৰ চিলাখনকে তেনেকৈ ইংৰাজীলৈ ভাঙি শোধাই দিলেই দেখোন কাৰ্য্যসিদ্ধি। কবীন্দ্ৰ অৱশ্যে টেঙৰ মানুহ। Biblical language অৰ্থাৎ বাইবেলৰ ইংৰাজীভাষাৰ নিচিনা ভাষাত তেওঁ তেওঁৰ বঙলা গীতাঞ্জলিখন অনুবাদ কৰাই কিল্লা ফতে কৰিলে। ময়ো তাকে নকৰাত বাধা কি? অৱশ্যে ইংৰাজী ভাষাত মোৰ দখল লৰক্-ফৰক্; কিন্তু অলপ ধন ভাঙিলেই বাট ফৰকাল। ইংৰাজী ভাষাত দখল থকা এজনৰ হতুৱাই সেই কৰ্ম্মটি কৰাই ললেই দেখোন—"হেঃ হেঃ বাপা! সেই চাৰ্‌টি মোৰ না?" হৈ পৰে। "নট্ এ বেড্‌ আইডিয়া" কি বোলা?

মোট কথা আৰু মানে কথা এই দুইটাৰ মাজতে ধৰি কওঁ যে, এইবাৰ মই "নবেল প্ৰাইজ" লমেই লম। মোৰ "চিলা' যদি বাপৰ বেটা চিলা হয়, তেন্তে এই প্ৰাইজ সি থাপ্‌ মাৰি আনিবই। তোমালোকে চিলাক কম পদাৰ্থ বুলি নাভাবিবা। মোৰ "চিলা" কবিতাৰ কিতাপত সকলো বিধৰ চিলাৰ কথা আছে, যেনে,—দোল লগাই আকাশলৈ উৰাই দিয়া কাকতৰ চিলা; বৰদৈ চিলা। আৰু কিবাবোলে নে, আমুকীৰ জীয়েকক ধৰি উৰাই লৈ গৈ বৰগছৰ আগত সজা বাহত তুলি থৈ ডাঙৰ দীঘল কৰি সাউদৰে সৈতে বিয়া দিয়া চিলা,—যাৰ সেই তোলনীয়া জীয়েকক চিলনীৰ জীয়েক বোলে আৰু যিজনী চিলনীৰ জীয়েকে—

"আগলি কলাপাত লৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

বুলি বিনাই চিলনী মাকক মাতিছিল। এই বৰ্ণনাৰ উপৰিও যি চিলাই আকাশত উৰি বনাই ফুৰি, গৃহস্থৰ গোতালত চৰি ফুৰা হাঁহপোৱালি কুকুৰাপোৱালি থাপ্‌ মাৰি লৈ যায়।

কাকতৰ চিলাৰে বেঞ্জামিন ফ্ৰেঙ্কলিনে আকাশী বিজুলী ধৰিছিল। কাকতৰ চিলা উৰাই কলিকতা মহানগৰীৰ ঘৰৰ চালত লৰাই ইটোৰ চিলাৰ সূতা সিটোৱে কাটি, সিটোৰ ইটোৱে কাটি, কটা চিলাৰ অধিকাৰী হৈ বীৰত্ব প্ৰকাশ কৰে, আৰু সেই মহৎ কাৰ্য্যত লিপ্ত থাকি বছৰি দুটা চাইটাকৈ চিলাবাহাদুৰ লৰা দুতলীয়া তিনতলীয়া ঘৰৰ চালৰপৰা তলৰ মাটিত পৰি, ৰেল জাহাজৰ ভেৰোণ নিদিয়াকৈ যমৰ ঘৰলৈ যায়।

বৰদৈ চিলাৰ কথা অসমত কোনে নাজানে? এই বৰদৈ চিলাই বহাগৰ বিহুত মাকৰ ঘৰত যেতিয়া বিহু

খাবলৈ যায়, তেতিয়া তাৰ প্ৰভাৱ কোনে নেদেখি আছে ? পুৰণিকালত সেইদেখিয়েই কোচবিহাৰৰ সুবিখ্যাত ৰজা মল্লনাৰায়ণৰ বীৰ ভ্ৰাতাক চিলাৰায় বুলিছিল ।

এতেকে হে সমজ্যাৰ লোকসকল! এইবাৰ বৰবকুৱাৰ কৃপাবৰে নবেল প্ৰাইজ নিয়াত তোমালোকে সন্দেহ নকৰিবা । অধিকন্তু, তেওঁ প্ৰাইজ পালে, তোমালোকক পেট ভৰাই ভোজ ভাত খুৱাই দিবলৈ ৰাজী আছে । সেই ভোজৰ খাদ্যৰ "লিষ্টি" লাগে যদি আগেয়ে কৰি কৈ দিওঁ । যথা—এজকা ভাত, এনাও মাটিমাহৰ আঞ্জা, ডাঙৰকৈ ডোখৰ ডোখৰ কোমোৰাৰে টেঙাদিয়া ৰৰকাছ বা ৰৰগলা মাছৰ আঞ্জা, আৰু ঠাই বুজি কোনোটো ভোজত ৰাজহাঁহ পাতিহাঁহো থাকিব পাৰে। আজি মোৰ বৰ উছাহ হৈছে, মনটো উকলীকৃত হৈ পৰিছে । সেইবাবে গীত গাবৰ মন গৈছে । এটা গাওঁ শুনা,—

মই নবেল প্ৰাইজ পাম ।
হাঁহমাৰি ভোজ খাম ।
তোমালোককো খুৱাম খুৱাম !!

আৰু সেয়া শুনা, খোলে মোৰ গীতৰ সমৰ্থন কৰি কৈছে,—

পাবা তো পাবা ;
পাবা তো পাবা ।

আৰু তোমালোকে পোষকতা কৰি কোৱা,—

হয়, হয় ।
হয়, হয় ॥

আৰু তোমালোকৰ ৰাজহুৱা নামঘৰৰপৰা ভোৰ্ তালে প্ৰস্তাৱটো এই বুলি গহীনাই দিয়ক,—

থাম থাম !
থাম থাম !!

"কৃপাবৰ"

---

## মুক্তি

মুক্তিৰ কাৰণে প্ৰাৰ্থনা নকৰো
ভক্তি প্ৰভু তোমাত থাওক,
স্বৰ্গৰ আশাত সপোন নেদেখোঁ
জন্ম মোৰ ইয়াতে হওক ।

জনমে জনমে জনম হওক
আই অ' ভাৰত! কোলাত তোৰ,
তপত চকুলো নিতে যেন বয়
তোৰ দুখতে আই অ' মোৰ ।

তোক এৰি থই বন্ধন পাশত
আই অ' মুক্তি হবনে মোৰ ?
জনমে জনমে বলি হই মই
মুক্তি নিশ্চয় সাধিম তোৰ ।

শকতি-হীনৰ মুকুতি নহয়
স্বৰ্গ নহয় ভীৰুৰ ঠাই,
কাপুৰুষ হই জনম ধৰিলে
মোৰ যে মুক্তি ইয়াতো নাই ।

শ্ৰীমহিমচন্দ্ৰ সিংহ

---

# ৰাজা ৰামমোহন ৰায়

ভাৰতৰ ইতিহাসক তিনিটা যুগত বিভক্ত কৰিব পাৰি—প্ৰথমটো হৈছে Creative বা উৎপত্তিৰ যুগ ; যি সময়ত ঋষিসকলে মিলি ভাৰতক সকলোপ্ৰকাৰে এক উন্নত সোপানত ৰাখিছিল । তাৰ পাছত হল অজ্ঞান তমসাচ্ছন্ন ( Dark age ) যুগ, যি সময়ত ভাৰতৰ সকলো গিনে অধোগতি হবলৈ ধৰে—মানসিক বোলক, আধ্যাত্মিক বোলক, নৈতিক বোলক, সামাজিক বোলক, সকলো বিষয়তে এটা নিশ্চলতা আহি পৰে, ভাৰতবাসীৰ মাজত নানা ৰকম কুসংস্কাৰ আহি সোমায়হি । তাৰ পাছত পাশ্চাত্য সভ্যতাৰ সংঘৰ্ষনলৈ আহি ভাৰতত এটা নতুন যুগৰ সৃষ্টি হয়, যি সময়ত ভাৰতবাসীৰ মনত সামাজিক উন্নতি ( Social regeneration ) আৰু জাতীয়তাৰ ভাব সোমাই পৰেহি—এই যুগটোক ৰামমোহন যুগ বা নৱ-ভাৰত যুগ বুলিব পাৰি ।

যি সময়ত ৰাজা ৰামমোহন ৰায়ৰ জন্ম হয়, সেই সময়ত ভাৰতৰ সামাজিক, আধ্যাত্মিক আৰু নৈতিক জীৱন অতি হীন অৱস্থাত আছিল—নানাবিধ কুসংস্কাৰ সোমাই পবিত্ৰ হিন্দু ধৰ্ম্মবো গাত চেকা লগাইছিলহি, কিছুমান সঙ্কীৰ্ণ ৰীতি-নীতি সোমাই হিন্দুৰ সামাজিক জীৱন অপবিত্ৰ কৰি তুলিছিল । ভাৰতৰ এই ক্ৰমে হৈ যোৱা অধোগতিৰ পথত প্ৰথমে ৰাজা ৰামমোহন ৰায়েই বাধা দিয়ে । এই অন্ধকাৰে বেঢ়া ভাৰতৰ ভাগ্যাকাশত, নৱ-ভাৰতৰ প্ৰথম পোহৰৰ ৰেখা, আমি ৰামমোহন ৰায়ৰ জীৱনকালতে দেখিবলৈ পাওঁ। অশেষ বাধা-বিঘিনিলৈ কাণ নকৰি, নানাফালৰপৰা চেপা পাইও, অক্লান্তভাৱে জাতীয় জীৱনৰ উদ্ধাৰৰ হেতু এক মহাব্ৰতত ব্ৰতী হয়, প্ৰথমে ৰামমোহন ৰায়েই ।

ৰামমোহন ৰায়ৰ জীৱনীৰ বিষয়ে আপোনালোক সকলোৱে জানে—সেই বিষয়ে বহলাই লেখি মোৰ প্ৰবন্ধটো দীঘলীয়া কৰিব নোখোজোঁ । ৰামমোহন ৰায়ৰ মহত্বৰ বিষয়ে দুটিমান কথা কৈ এই প্ৰবন্ধৰ সামৰণি মাৰিম । ৰাজা ৰামমোহন ৰায়ৰ যদিও নিজৰ প্ৰদেশৰ ওপৰত বৰ প্ৰীতি আছিল, তথাপি তেওঁ ভাৰতবৰ্ষৰ হিতৈষী আৰু হিত-সাধক আছিল । তেওঁ নিজৰ জন্মগত হিন্দু সম্প্ৰদায়ক আৰু তাৰ শাস্ত্ৰক শ্ৰদ্ধা কৰিছিল, আৰু প্ৰীতিৰ চকুৰে চাইছিল আৰু সকলেপৰা হিন্দু ধৰ্ম্মৰ মূল আৰু প্ৰধান সত্যবোৰৰ ওপৰত বৰ আস্থা আছিল । কিন্তু তেওঁ ক্ষুদ্ৰ আৰু সঙ্কীৰ্ণচেতা নাছিল । মুছলমান, খৃষ্টীয় আদি আন আন সম্প্ৰদায়ৰ ধৰ্ম্ম আৰু শাস্ত্ৰবোৰো ভালকৈ অধ্যয়ন কৰি, তাৰ মূলতত্ত্ববোৰ বুজি, সেই ধৰ্ম্মবোৰৰ প্ৰতি সম্পূৰ্ণ প্ৰীতি আৰু শ্ৰদ্ধা ৰাখিছিল । এই শাস্ত্ৰবোৰ কেৱল তেওঁ পণ্ডিতৰ দৰে পঢ়া নাছিল, নিজেই মহামনস্বী আছিল বুলি মন আৰু ধ্যানৰ দ্বাৰা সকলো ধৰ্ম্মৰ সাৰ-সত্য উপলব্ধি কৰিব পাৰিছিল । কিন্তু শ্ৰদ্ধা-ভক্তিয়ে তেওঁৰ বিচাৰশক্তিক বলহীন কৰিব পৰা নাছিল ।

যাতে ভাৰতবাসীৰ ৰাষ্ট্ৰীয় ক্ষমতা আৰু অধিকাৰ আন আন স্বাধীন দেশৰ সমকক্ষ হয়, এইটো তেওঁৰ অন্তৰৰ ইচ্ছা আছিল । ভাৰতবৰ্ষই যে সময়ত স্বৰাজ লাভ কৰিব এইটো তেওঁ তেতিয়াই বুজিব পাৰিছিল যদিও স্বৰাজ কথাটো এওঁ ব্যৱহাৰ কৰা নাছিল । ভাৰতবাসীৰ ৰাষ্ট্ৰীয় উন্নতিৰ নিমিত্তে তেওঁ তৎকালোচিত অশেষ চেষ্টা কৰিছিল । ৰাষ্ট্ৰীয় উন্নতিৰ চেষ্টাত তেওঁক আধুনিক প্ৰবৰ্ত্তক বুলিব পাৰে—মহাত্মা গান্ধীৰ দৰেই ভাৰতৰ মুক্তিৰ কাৰণে তেওঁ নিৰন্ত্ৰ চেষ্টাৰ প্ৰবৰ্ত্তক আছিল, যদিও শাসনকৰ্ত্তাসকলৰ লগত সহযোগ কৰি তেওঁ এইবোৰ চেষ্টা কৰিছিল ।

ভাৰতবাসীয়ে বিদ্যালাভ প্ৰভৃতি বিষয়ে সুযোগ পালে য়ুৰোপবাসীসকলৰ যে সমকক্ষ হব পাৰিব, এই মত তেওঁ তেওঁৰ গ্ৰন্থাবলীত প্ৰকাশ কৰিছে । মোটৰ ওপ-

ৰত ভাৰতীয় জ্ঞানসমষ্টি যে পাশ্চাত্য জ্ঞানসমষ্টিতকৈ কোনো গুণে কম নহয়, এই কথা তেওঁ বিশ্বাস কৰিছিল। ৰাজা ৰামমোহন ৰায়ৰ এনেবিলাক স্বজাত্য, স্বদেশিকতা আৰু স্বমহাদেশিকতা (Continental patriotism) থকা সত্বেও তেওঁৰ হৃদয়ত এটি অতি উদাৰ বিশ্বজনীন মানৱপ্ৰেম আছিল। বিদেশী কোনো জাতিয়ে স্বাধীনতা লাভ কৰিলে তেওঁ বৰ আনন্দ পাইছিল আৰু স্বাধীনতা লাভৰ চেষ্টাত কোনো জাতিয়ে বিফল-প্ৰযত্ন হলে তেওঁ মনত বৰ কষ্ট পাইছিল। আয়াৰলেণ্ডৰ স্বাধীনতা যুদ্ধৰ সময়ত তেওঁ সেই জাতিৰ প্ৰতি সমবেদনা জনাইছিল আৰু সিহঁতৰ প্ৰতি ইংলণ্ডৰ অত্যাচাৰত তেওঁ তীব্ৰ প্ৰতিবাদ কৰিছিল। জাতি-দেশ নিৰ্ব্বিশেষে তেওঁৰ স্বাধীনতা-প্ৰিয়তা কিমান প্ৰবল আছিল, ইয়াৰ পৰাই বুজা যায়।

সামাজিক বিষয়ে, ধৰ্ম্ম বিষয়ে আৰু আধ্যাত্মিক বিষয়েও মানুহৰ হিত আৰু স্বাধীনতা তেওঁ বিচাৰিছিল। আৰু এইবোৰ সাধনা কৰাটোকেই তেওঁ তেওঁৰ জীৱনৰ মুখ্য ব্ৰত কৰিছিল আৰু এইবোৰ সাধনাৰ বাটত নানা ৰকম বাধা বিঘিনি পোৱা সত্বেও তেওঁৰ সঙ্কল্প স্থিৰতাৰ অকণো লৰচৰ নহৈছিল। বঙ্গদেশত ইংৰাজী শিক্ষাৰ প্ৰবৰ্ত্তনৰ মূলতে ৰাজা ৰামমোহন ৰায়েই আছিল। আধুনিক বিজ্ঞানাদিৰ জ্ঞান লাভ আৱশ্যক আৰু সেই সময়ত ইংৰাজী নিশিকিলে এনে জ্ঞান লাভৰ আন উপায় নথকা দেখি ইংৰাজী শিক্ষাৰ বিস্তাৰৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰে, আৰু তাৰ ফলতে এনে শিক্ষা লাভৰ মূল ভেঁটি পাতি থৈ যাব পাৰে।

কিন্তু এই বুলি বুজিব নালাগিব যে তেওঁ কেৱল বিদেশী শিক্ষা প্ৰচাৰৰ কাৰণেই যত্নপৰায়ণ আছিল, লগে লগে তেওঁ ভাৰতৰ অতুলনীয় পৰা-বিদ্যা যাতে লুপ্ত নহয়, বিস্মৃতিৰ অতল পানীত ডুব নাযায়, তাৰ বাবে নিজেও চেষ্টা কৰিছিল আৰু সেইবোৰ উদ্ধাৰৰ অৰ্থে বৈদিক বিদ্যালয় প্ৰতিষ্ঠা কৰি গৈছিল।

ৰাজা ৰামমোহন ৰায় এজন বিশ্ব-প্ৰেমিক আছিল দেখিয়েই আজি সকলো সমাজত তেওঁৰ ইমান আদৰ। তেওঁ বেলেগ বেলেগ ধৰ্ম্ম সম্প্ৰদায়সকলৰ মাজত সকলোৰে প্ৰতি প্ৰীতি আৰু শ্ৰদ্ধাৰ দ্বাৰাই এটি মিলনৰ সত্যপথ আৱিষ্কাৰ কৰিছিল, দেশে দেশে আৰু জাতিয়ে জাতিয়ে প্ৰাচ্য আৰু প্ৰতীচ্যৰ মাজত এটি মিলনৰ ভেঁটি স্থাপন কৰি গৈছিল, আৰু যাতে প্ৰাচ্য আৰু প্ৰতিচ্যৰ মাজত আদান-প্ৰদান দৰিদ্ৰ ভিক্ষুকৰ মাজত হোৱা আদান-প্ৰদানৰ নিচিনা নহৈ, সমানে সমানৰ মাজত হোৱাৰ দৰে হব পাৰে, তাৰ নিমিত্তে প্ৰাচ্য আৰু পাশ্চাত্যৰ মনোৰাজ্যৰ মাজত এখন সেতু ৰচনা কৰি গৈছিল। মহাপুৰুষ ৰাজা ৰামমোহন ৰায়ৰ ওচৰত বিশেষকৈ আমি নাৰী সমাজ অতি ধৰুৱা। তেওঁ যে কেৱল পুৰুষৰ হীন দশা দেখি তাৰ মুক্তিৰ চেষ্টা কৰিছিল এনে নহয়। ভাৰত-সমাজত নাৰীৰ দুৰ্গতি দেখিও তেওঁ বৰ শোক পাইছিল। নাৰীৰ দয়াধিকাৰ আৰু নাৰীৰ সামাজিক স্বাধীনতাৰ বাবে তেওঁ যি কৰি থৈ গল, সেইটো বৰ্ত্তমানৰ শিক্ষিতা ভাৰতৰ নাৰী-সমাজতকৈ আন কোনেও বোধ হয় বেছিকৈ উপলব্ধি কৰিব নোৱাৰিব।

এই বিষয়ে এওঁৰ সমতুল্য ভাৰতত আৰু আজিলৈকে কোনো সমাজসেৱক নাই ওলোৱা বুলিলে বেছি কোৱা নহব। *

শ্ৰীৰত্নাৱলী বৰুৱা

* ডিব্ৰুগড়ত ৰামমোহন ৰায় স্মৃতি সভাত পঠিত।

# ৰমিও-জুলিয়েট্ আৰু হেমলেট্

## ডাব্ৰডেন

জগতৰ বিখ্যাত শিল্পীসকলৰ শিল্প তেওঁলোকৰ বিশেষ বিশেষ মানসিক অৱস্থাৰ বিকাশ আৰু ক্ৰমবিকাশত বাজে আন একো নহয়, এই স্বৰূপৰপৰা বৈজ্ঞানিক-ভাৱে সাহিত্যৰ আলোচনা কৰাত ইংৰাজীত ডাৰডেন ছাহাবেই কৃতকাৰ্য্যতাৰে বাট দেখুৱাইছে। শিল্পীগুৰু শেক্সপীয়েৰৰ মনৰ সম্পূৰ্ণ সুস্থতা আৰু আত্মসংযম-লাভ তেওঁৰ এদিন বা এবছৰৰ নহয়, ই তেওঁৰ জীৱনব্যাপী সাধনাৰ ফল, এইভাৱৰপৰা সেই মহাকবিৰ সাহিত্য এৱেঁ পোনপ্ৰথমে ফঁহিয়াই দেখুৱাইছে, আৰু তাৰ স্বাভাৱিক ফল যি দেখা হৈছে সি বিচিত্ৰ মাথোন। বহুতৰ ধাৰণা আছিল, শেক্সপীয়েৰ শিক্ষা বিষয়ত যেনে হীন আছিল, সাহিত্যত 'মেহনত কৰা' বোলা বিষয়তো তেওঁ তেনে হীন আছিল; দৈৱিক শক্তিৰ বলত মাথোন তেওঁ এটি অমৰ সাহিত্য ৰচনা কৰি জগতক দান কৰি গৈছিল, আৰু সেইবোৰ কেতিয়াও ঘূৰাই চোৱা তেওঁৰ অভ্যাস নাছিল। এই ধাৰণা যে সমূলি অমূলক আৰু ভুল, ডাৰডেন ছাহাবে তাকে শৰচি মাৰি বুজাই দিয়ে। শেক্সপীয়েৰৰ পঢ়াশলীয়া শিক্ষা নিচেই কম আছিল, ই সঁচা কথা; ইয়াত বাজে বাকী কথাবোৰৰ সপক্ষে দেখুৱাবলৈ কোনো প্ৰমাণ নাই। শেক্সপীয়েৰ প্ৰকৃতিৰ কোলাৰ সন্তান আছিল, এই কথাও মানিব পাৰি; কিন্তু তেওঁ প্ৰকৃতভাৱে নিজৰ যোগ্যতাৰ প্ৰমাণ দেখুৱাব নোৱৰা অৱস্থালৈকে প্ৰকৃতিয়ে আনন্দ, বিস্ময়, ভয় আৰু বেদনাৰ ৰহস্য ভেদ কৰিব পৰা অমোঘ মন্ত্ৰ শেক্সপীয়েৰক দিয়া নাছিল, ই ধ্ৰুৱ।

তেনেহলে শেক্সপীয়েৰৰ মনৰ বিচিত্ৰ গঠনৰ বিশেষত্ব কি? ডাব্ৰডেনে কয়, মনৰ সুস্থ গঠনৰ বাবে লাগতিয়াল সঁজুলি গোটাই লব পৰা শক্তিয়েই শেক্সপীয়েৰৰ এই বিশেষত্ব। শেক্সপীয়েৰে এই বহল সংসাৰৰ বহুত কথা নিজে ভালকৈ চকু ফুৰাই চাইছিল, সেইবোৰৰ বিষয়ে চিন্তা কৰিছিল, দকৈ নিজে অনুভৱ কৰিছিল, আৰু সেই অনুভূতিবোৰ নিৰ্দ্দিষ্ট সীমাৰ ভিতৰত শাসন কৰি থৈছিল; ইয়াত বাজেও, এই মনৰ গঠনত যিবোৰ বথা কেৰোণ স্বৰূপে সোমাবৰ আশঙ্কা আছিল, সেই-বোৰ আগতে তেওঁ আঁতৰাই লৈছিল। তেওঁ জীৱনত হৰেকৰকমৰ অভিজ্ঞতা লাভ কৰিছিল, আৰু সেই অভিজ্ঞতাবোৰৰ সহায়েৰে তেওঁ নিজ বুদ্ধি, কল্পনা আৰু ভাৱাবেগ ঘনীভূত আৰু আত্মসংযম গঠিত কৰি লৈছিল। গতিকে মন-গঠন মানে বুদ্ধি, কল্পনা, ইচ্ছাশক্তি আৰু আবেগ গাঢ়কৰণ, আৰু তাৰে ফল হৈছে সংসাৰত কৃতকাৰ্য্যতাৰে চলিব পৰা তিনটি আহিলা—মনৰ বল, কৌশল, আৰু বিবেচকতা। ইয়াৰো গুৰিতে হৈছে, বাস্তৱ জগতৰ প্ৰতি শেক্সপীয়েৰৰ দৃঢ় বিশ্বাস; ইয়াৰ গুণতে শেক্সপীয়েৰে জীৱনত সফলতা লাভ কৰিছিল আৰু বৰ্ত্তমানৰ দৰে যুগত মানুহে যিমানখিনি সফলতা লাভ কৰিবলৈ আশা কৰিব পাৰে, শেক্সপীয়েৰৰ নিজা সফলতাৰ ভাগ তাতকৈ কোনো গুণে তাকৰ নাছিল।

## এলিজাবেথ যুগৰ বিশেষ লক্ষণ

ডাৰডেনে আঙুলিয়াই দিয়ে, যি মাটিত বিজ্ঞানাচাৰ্য্য বেকন্ আৰু ধৰ্ম্মাচাৰ্য্য হুকাৰৰ জন্ম হৈছিল, সেই মাটিতেই সাহিত্যাচাৰ্য্য শেক্সপীয়েৰৰ জন্ম; এনে পাৰি-পাৰ্শ্বিক অৱস্থাই তিনি বিষয়ৰ তিনিটি ডাঙৰ প্ৰতিভাৰ লালন পালন কৰিছিল। তেনেহলে তিনিওৰে প্ৰতিভাৰ কিবা বিষয়ত সামঞ্জস্য আছে নে কি? নিশ্চয় আছে, আৰু সেই সামঞ্জস্য হৈছে, বাস্তৱ আৰু স্থূল সত্যৰ কাৰণে তিনিওৰে বহল অনুভূতি।

এলিজাবেথ যুগৰ নাটকত আমি জীৱনৰ উপকৰণ ঢে থাইকৈ পাওঁ, আৰু সেই যুগৰ কবিতাও

সৰ্ব্বতোভাবে মানৱীয় ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত। কোনো উপৰিপুৰুষৰ দোষে কাৰো পৰিয়ালত পুৰুষানুক্ৰমে নেখেদে, চৰিত্ৰই হে নিয়তিৰ নিষ্ঠুৰ বিধান। ভাল বা বেয়া ভাগ্য শ্বেক্সপীয়েৰে মানে; কিন্তু ই মানুহৰ কৰ্ম্মজীৱনৰপৰা আচুতীয়া হৈ থকা, প্ৰকৃতিৰ নিয়মৰ কথা। যি অলৌকিক শক্তিয়ে আমাৰ জীৱনৰ গতি নিৰ্দ্ধাৰণ কৰি দিয়ে সেই শক্তিয়ে দক্ষতাৰে কাম কৰে সঁচা, কিন্তু তাৰ গতি অজ্ঞাত। এই সংসাৰখনেই এটা স্থায়ী অলৌকিকতা। শ্বেক্সপীয়েৰৰ নাটকৰ মানুহৰ জীৱন এনে অলৌকিকতায়ে ঠাই ঠাই কৰি থয়। মহৎ আৰু সুন্দৰ আত্মাৰ নিজ গুণেৰে মানুহে জীৱনত অসাধ্য সাধন কৰিব পাৰে। এই সংসাৰৰ নৈতিক অৱস্থাত যদি আমি এক মূৰ্ত্তিমান অলৌকিক শক্তি থকা বুলি বিশ্বাস কৰোঁ, তেনেহলে শ্বেক্সপীয়েৰৰ ৰাজ্যতো সেই মূৰ্ত্তি বৰ্ত্তমান আছে।

এলিজাবেথ যুগৰ নাটকৰ সেই প্ৰবল সোঁত প্ৰধানকৈ পাৰ্থিবহে। ইয়াৰমতে পৃথিৱীত যি আছে সকলো সঁচা, আনবোৰৰ সঁচা মিছা সম্বন্ধে ই সিমান বিচাৰ নকৰে। সৰগ আৰু নৰকৰ গীত গোৱাৰ ধৃষ্টতা ই প্ৰকাশ নকৰে। এই চকুৰ আগত যি দেখিছে আৰু পাইছে তাৰ কথাকেই কৈ গৈছে, কোনো অলৌকিক কথা উলিয়াই আন কথা বুজাবৰ চেষ্টা কৰা নাই। এই যুগৰ নাটকত মানুহক মৰাৰ সময়লৈকেহে খেদে, তাৰ সিফালে আৰু কি হল তাৰ বিচাৰ নকৰে। জীৱনত যদি কিবা স্বৰ্গীয় বস্তু আছে, সেই স্বৰ্গীয়ক মানৱীয়ৰ ভিতৰত বিচাৰিলেহে হব, তাৰ বাহিৰে পাবলৈ নাই। ইয়াত অনন্তক কেৱল কাল বা সময়ৰ খিড়িকীয়েহে জুমি চোৱা হয়, কাৰণ সময়ো অনন্তৰ এটা অংশ।

সেইদেখি এলিজাবেথ যুগৰ নাটকত নৈতিক ভাব-প্ৰচাৰৰ চেষ্টা নাই; অথচ তাৰ ফল আছে। তেনেহলে এলিজাবেথ যুগৰ নাটকবোৰ ধৰ্ম্মমূলক নে কি? ই এটা মীমাংসাৰ বিষয়। যদি 'ধৰ্ম্ম' মানে মানুহ জীৱনৰ ওপৰত থাকি পৃথিৱীৰপৰা মানুহক কৰবালৈ নিবলৈ চেষ্টা কৰা কিবা কথা বোলা হয়, বা যদি গোঁসাইঘৰীয়া কিছুমান বিষয়ে মন্ত্ৰ, জপ, ঠাই বা মানুহৰ সহায়েদি সেই অলৌকিক পুৰুষৰ সাক্ষাত কৰোৱাই ধৰ্ম্মৰ কাম হয় তেনেহলে এই নাটকবোৰক কেতিয়াও ধৰ্ম্মমূলক বুলিব নোৱাৰি। কিন্তু যদি এই দৈনন্দিন সংসাৰৰ সকলো কথা সেই স্বৰ্গীয় নিয়মৰ অধীন বুলি, আৰু এই বাস্তৱ-জগত আৰু মানস-জগত যি সত্য-শিৱ-সুন্দৰৰ প্ৰকাশ স্বৰূপ, আৰু যাক আমি অনুভূতিৰে কেৱল ধৰিব পাৰোঁ অথচ ভালকৈ জানিবৰ উপায় নাই, জগতৰ সেই মূৰ্ত্তিমান পৰম সত্য এই সংসাৰত ওত-প্ৰোতভাৱে লুকাই আছে বুলি যদি এই সকলো কথাকে পবিত্ৰ জ্ঞান কৰোঁ, তেনেহলে এই নাটকবোৰ প্ৰকৃততে ধৰ্ম্মমূলক।

এই নাটকবোৰত মানুহৰ স্বাভাৱিক অৱসন্নতা আৰু অলসতাৰ ছাঁ নাই।

শ্বেক্সপীয়েৰৰ দুখন জগত; এখন সসীম, কাৰ্য্যপৰ, আৰু বাস্তৱ; আনখন সংসাৰৰ একাষেদি ভাবৰ অনন্ত, আনফালে আবেগৰ অনন্ত।

## ৰমিও-জুলিয়েট্‌—প্ৰথম কৰুণাত্মক নাটক

এই নাটকখন শ্বেক্সপীয়েৰৰ কেবাবছৰৰো চিন্তাৰ ফল বুলি ধৰা হয়। তেওঁৰ গ্ৰন্থকৰ্ত্তা-জীৱনৰ প্ৰথম ভাগৰ এই এখন মাথোন কৰুণাত্মক নাটক। পোনতে তেওঁৰ হাতত ই যি গঢ় লৈছিল, সেইটো ভাল নাপায়ে কিজানি তেওঁ ক্ৰমে ইয়াৰ পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন কৰিবলৈ ধৰে! এইখন আৰু হেম্‌লেট্‌ নাটকখন শ্বেক্সপীয়েৰৰ দীঘলীয়া যত্নৰ ফল বুলি ভবা হয়, কিয়নো এই দুখনেই তেওঁৰ প্ৰথম কৰুণাত্মক নাটক। ৰমিও-জুলিয়েট নাটক শ্বেক্সপীয়েৰে অৰ্থৰ ব্ৰুক্ নামৰ এজন লেখকৰ এটা কবিতাৰ কথাৰ ওপৰত ঠিৰ কৰিছে, আৰু ভালেমান বিষয়ত তেওঁ এই কবিতাটিৰ কথাতে সম্পূৰ্ণ ভিন্ন দি চলিছে।

শ্বেক্সপীয়েৰে নাট্যৰৰ কাৰণে পোনতে যেতিয়া লিখনী ধৰে, তেওঁ কেতিয়াও অন্ধবিশ্বাসত ভৰ দি কানি-মুনি কৰি চলা নাছিল। তেওঁ সদায় ভালকৈ খেপিয়াই



হয় নে নহয়কৈ, বাট বুলিছিল। ২৬ বছৰ বয়সত তেওঁ হাস্তৰসাত্মক আৰু বুৰঞ্জীবিষয়ক নাটকত তেওঁৰ সম-সাময়িক আন লেখকসকলৰ লগত ফেৰ মাৰি চলিবলৈ ভয় নকৰা হল। কিন্তু তেওঁ কৰুণাত্মক নাটকত তেনে-দৰে সাহ কৰিবলৈ ভয় কৰাৰ কাৰণ আছিল; কিয়নো সেই সময়ত ক্ৰাইষ্টফাৰ মাৰ্লৰ নিচিনা অভূতপূৰ্ব্ব প্ৰতিভাৰ গ্ৰন্থকাৰে সাহিত্যৰ সেই বিভাগত ৰাজত্ব কৰি আছিল। সেইদেখি যি সময়ত শ্বেক্সপীয়েৰে 'কমেডী অব্‌ এৰৰছ' আৰু 'লভছ্‌ লেবৰ্‌ লষ্ট্' আদি নাটক লিখে, সেই সময়ত তেওঁ মাৰ্লৰ কাষ চাপিবলৈ সাহ নকৰিবৰে কথা। শ্বেক্সপীয়েৰৰ প্ৰতিভা ক্ৰমে দৈনত হৈ আহিবলৈ ধৰিলে; কিন্তু তাৰ আগতে তেওঁ এটি কথা পৰিপাটিকৈ বুজিছিল যে কৰুণাত্মক নাটকত মাৰ্লই মানুহৰ প্ৰবল ভাববোৰ যি ভয়ঙ্কৰ মূৰ্ত্তিত আঁকিছিল, প্ৰকৃততে সি সম্পূৰ্ণ স্বকীয়া ধৰণৰ হোৱা উচিত।

এইদৰে ৪০ বছৰ বয়সত শ্বেক্সপীয়েৰে দুখন কি তিনিখন মাথোন কৰুণাত্মক নাটক লিখিলে। তাৰ ভিতৰত ৰমিও-জুলিয়েট শিল্পীৰ ডেকা বয়সৰ, আৰু হেমলেট্‌ বয়ঃপ্ৰাপ্ত অৱস্থাৰ কাম বুলি ধৰিব পাৰি, আৰু লিখাৰ পাছত তেওঁ সেই বিভাগৰ এজন গুৰু বুলি পৰিচয় ওলাল। এই দুইখন নাটকৰে লিখাৰ দুটা মূল আৰ্হি আছে, আৰু তাৰ পৰাই শ্বেক্সপীয়েৰে নিজৰ লিখাত কেনেদৰে হাত ফুৰাইছিল তাক ধৰিব পাৰি।

শ্বেক্সপীয়েৰে পোনতে পৰীক্ষা স্বৰূপে লিখা নাটকবোৰত কেবাৰকমেও লিখিবৰ চেষ্টা কৰিছিল; তাৰ ভিতৰত হাস্তৰসাত্মক লিখাৰ পৰিমাণেই সৰহ। তেওঁ তেওঁৰ কোনো এখন নাটকৰ চৰিত্ৰ আদি আন এখনত যাতে প্ৰতিধ্বনিত নহয় তাৰ বাবে বিশেষ চকু ৰাখিছিল, আৰু সেই কাৰণে তেওঁ এই দৈনন্দিন জগততো অনেক বিধৰ সংশ্ৰৱত থাকি নানা সংঘৰ্ষত আহি নানা ৰকমৰ অভিজ্ঞতা লাভ কৰিছিল।

## ৰমিও-জুলিয়েট আৰু হেমলেট

দ্বিতীয় কৰুণাত্মক নাটক হেমলেট লিখোঁতে শ্বেক্সপীয়েৰ তেওঁৰ প্ৰথম কৰুণাত্মক নাটক ৰমিও-জুলিয়েটৰ কোনো সৃষ্টিৰ শাসনৰ তললৈ নাহিছিল। ৰমিও জুলিয়েট্‌ ভাবাবেগত পোতখোৱা, হেমলেট্‌ চিন্তাত নিমগ্ন, ইত্যাদি। বাস্তৱজগত আৰু ঘটনাৱলীৰ লগত সম্বন্ধ ৰাখি নিজৰ ইচ্ছাশক্তি প্ৰৱৰ্ত্তন কৰি থাকিব পৰা বিষয়ত ৰমিও আৰু হেমলেট মিল। এওঁলোকৰ এজনেও ঘটনাৱলীক শাসন কৰিব নোৱাৰে, বৰঞ্চ তাৰ সোঁতত উটি যায়। ৰমিওৰ অদৃষ্ট সদায় মন্দ; তেওঁৰ ওপৰত গ্ৰহৰ কুদৃষ্টি, আৰু এনে লোকৰ ওপৰত গ্ৰহৰ কুদৃষ্টি হবই। হেমলেটৰ কাৰণে কোনো এটা কাম কৰিবলৈ মনস্থ কৰা মানে সেই কামলৈ চাই থাকি বাপমোৰে ধৰা আৰু তাক কৰিব নোৱৰা হোৱা; সংকল্প আৰু কাৰ্য্যৰ সেই ঘনিষ্ঠতা হেমলেটৰ একেবাৰে ছিগি গৈছে। ৰমিও আৰু হেমলেট দুয়ো ভগ্নতৰী-যাত্ৰী, দুইও ভগ্নহৃদয়; কিন্তু আত্মাৰ বেলেগ ৰোগে দুইকো খুলি খালে। সমালোচক হেজলিটৰ ভাষাৰে, ৰমিও প্ৰেমত জলকা লগা হেমলেট। এজনত ভাবাবেগৰ প্ৰভাৱ, আনজনত চিন্তাৰ প্ৰাধান্য। দুয়ো নিজ ভাবত মগ্ন, আৰু জগতৰ বাহিৰৰ এক কল্পনা ৰাজ্যৰ অধিবাসী।

ৰমিও-জুলিয়েটৰ অভিনয় স্থল ইটালী; ইটালীৰ বতাহ-পানীৰ সেই মনোৰম ভাবে গোটেই নাটকখনকে আমোল-মোলাই ৰাখিছে। অকল কথাতেই নহয়, ভাষাতো ইটালীৰ এই মনোৰম ভাবৰ আভাস পাব পাৰি। ৰমিওৰ ভাষা ঠিক পেট্ৰাৰ্কৰ ছনেটৰ দৰে ওজস্বিনী; জুলিয়েটো অবিকল ইটালীৰ তিৰোতা,—সেই ভবিষ্যত চিন্তা আৰু পবিত্ৰ আত্মসমৰ্পণৰ আৰ্হি। সময় জহকালি। এই সময়ত মানুহৰ শিৰে শিৰে নতুন তপত তেজ ববলৈ ধৰে আৰু মানুহৰ নৈতিক বৃত্তিত এক মহাস্পন্দনৰ আঘাত পৰে। নিশা আৰু পুৱাৰ যাতে বেগাই মিলন হব পাৰে, তাৰ বাবেও ৰামকালিৰ আৱশ্যক। সেই কৰুণাত্মক ঘটনাৰ পাঁচ দিন জুলাই মাহৰ জুই যেন বেলিয়ে ভালকৈ পোহৰ ঢালিছিল। ৰাতি জোনৰ পোহৰো কম গৰিমাময় নাছিল, আৰু তাকে দেখি সেই কেদিনত বেলি মাৰ গৈছিল বুলি

নকলেও ভুল নহলহেঁতেন; দিনৰ তাপ ৰাতি গছ আৰু ফুলৰ ওপৰতো যেন ওলমি আছিল!

হেম্‌লেট্‌ উত্তৰৰ মানুহ, টিউটন। ৰমিও জুলিয়েটৰ চঞ্চল, সহজ আৰু সম্পূর্ণ প্ৰণয়ৰ লগত হেম্‌লেট্‌—অফেলিয়াৰ নিস্ফল প্ৰণয়-বাসনাৰ বৰ পাৰ্থক্য। কেপুলেট্‌ পৰিয়ালৰ ঘৰত হোৱা ভোজ-ভাত আৰু আনন্দ উৎসৱৰ লগত ডেনিশ্‌ ৰজা আৰু বিষয়াসকলৰ সুৰাপানৰ পাৰ্থক্য বিষম। সেইদৰে, জুলিয়েটৰ ফুলনিৰ ফৰিংফুটা জোনাক, তাতে দালিম গছৰপৰা নাইটিঙ্গেল চৰায়ে সুমধুৰ সঙ্গীত ঢালিছে; আনহাতে, এলিনছৰৰ প্লেটফৰ্ম্মৰ আগত সেই ঘোৰ অন্ধকাৰ নিশাৰ ঘোৰ নিৰৱতা, সেই দাঁত মেলি অহা নিশাৰ চোকা চেঁচা বতাহ! আকৌ, এফালে ইটালীয় জুলিয়েটৰ ৰমিওৰ ভিভিত ধৰি সেই মধুৰ মৰণবৰণ, আনহাতে অফেলিয়াৰ সেই অতি শোকলগা সকৰুণ মৃত্যু!

ৰমিও-জুলিয়েটৰ পৰস্পৰৰ প্ৰতি প্ৰেম অতি পৱিত্ৰ, অতি প্ৰগাঢ়; কিন্তু বাহিৰৰ জগত তেওঁলোকৰ কাৰণে বিধি-পথালি, তেওঁলোক সেইদেখি "Star-crossed lovers." দুই পৰিয়ালৰ মাজত থকা পুৰণি বিৰোধভাৱে তেওঁলোকৰ এই প্ৰেম ঢাকি ধৰিছিল; তেওঁলোকে তাৰ বিৰুদ্ধে যুঁজিলে, আৰু শেষত নিজ জীৱন পাত কৰি তাত জয়ী হল। হেম্‌লেটো এনে বিৰুদ্ধ অৱস্থাৰ মাজতেই জন্মিছিল—

"The time is out of joint; O cursed spite,
That ever I was born to set it right."

নৈতিক বেমেজালিৰ কালত সমাজত হেমলেটে নীতিৰ ভেঁটি পাতিব লগা হৈছিল। যুঁজিবলৈও তেওঁ সমান ঠাই নাপাইছিল। তেওঁ আছিল সাধু চৰিত্ৰৰ, কিন্তু তেওঁ অসাধুৰ তৰোৱাল হাতত লব লগা হৈছিল, ইত্যাদি।

মুঠতে, শেক্সপীয়েৰে যেতিয়া হেম্‌লেট নাটক লিখে, তেতিয়া আৰু তেওঁ নাট্য সাহিত্যৰ উমেদাৰ নহয়, তেতিয়া তেওঁ প্ৰবীণ নাট্যসাহিত্যিক। হেমলেট্‌ জগতৰ নাট্যসাহিত্যত এটি অতুল-সৃষ্টি। হেমলেট কোনো সামাজিক বা ঐতিহাসিক সমস্যাৰ সমাধান নহয়; বৰং ই এটা অপূৰ্ব্ব ৰহস্য—"mystery." এই ৰহস্য যাৰ যেনে ভাৱ সেইদৰে উদ্ঘাটন কৰিবলৈ চাব পাৰে, কিন্তু ই যি ৰহস্য সেই ৰহস্য হৈয়ে থাকিব। ইংৰাজ, জাৰ্ম্মাণ আদি নানা সাহিত্যিক সমালোচকেও এই ৰহস্য ঘাটি উলিয়াব পৰা নাই, সকলোৱে বাবে ই এক মনোৰম ৰহস্য সৃষ্টি!

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# ভবিষ্যত অসমীয়া সমাজলৈ শঙ্কৰদেৱৰ বাণী

ধৰ্ম্মৰ স্বভাৱতে দুটা বিভাগ দেখা যায়। প্ৰথমটো আত্মাৰ উন্নতি বিষয়ক, আৰু পাছৰটো সমাজৰ একতা বিষয়ক। 'ধৃ' ধাতুৰে ধৰা, পালন কৰা আদি অৰ্থ বুজায়; ধৰ্ম্মই লোকক বা লোকসমাজক ধ্বংশ হবলৈ নিদি ধৰি ৰাখে, এয়ে ইয়াৰ ধাতুগত অৰ্থ। ইংৰাজী 'ৰিলিজিয়ন' শব্দৰ মৰ্ম্মও এনে:—re = পুনৰ, ligane = বন্ধা; এক ঈশ্বৰৰ সন্তান বুলি আমি সকলো ভাই-ভনী, কিন্তু ধৰ্ম্মই [আমাক নতুন ডোলেৰে বান্ধি লগ লগায়।

অন্তৰ্দৃষ্টিৰে চালে, ধৰ্ম্ম মানুহ জাতিৰ অন্তৰৰ বস্তু। ধৰ্ম্ম কোনেও কাকো শিকাব নোৱাৰে; ধৰ্ম্মৰ বিষয়ে শিকোৱাটো ধৰ্ম্ম শিকোৱা নহয়। কিন্তু ধৰ্ম্মৰ অৱলম্বনস্বৰূপ সুনীতি সদাচাৰ নাথাকিলে মানুহৰ মনত ধৰ্ম্মভাৱৰ স্ফুৰণ নহয়। ইপোনে, ধৰ্ম্মহীন জীৱন বজা; সি ইতৰ প্ৰাণীৰ জীৱনৰ তুল্য। এইদেখি যিসকল পুৰুষৰ মহানুভৱতাৰ গুণত আমি এই মহা ধৰ্ম্মৰত্ন লাভ কৰিবলৈ সমৰ্থ হওঁ, সেইসকল গঁচাকৈয়ে এই ভৱ-জলধিৰ কৰ্ণধাৰ।



মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ সদৌ অসমীয়া জাতিৰে এনে এজন মহান্‌ কৰ্ণধাৰ। এই পুৰুষৰ চৰণপ্ৰসাদত অসমীয়াই লাভ নকৰিলে কি? ধৰ্ম্ম পালে, সুনীতি-সদাচৰ পালে, ভাষা-সাহিত্য পালে, আৰু এক জাতীয় জীৱন পালে।

| | | |
|---|---|---|
| "চাৰি বেদ শিৰোমণি | মাঝে যাকেৰি | চৰণ বিকাশ। |
| সোহি দেৱকো | কয়লি কলিকো | শঙ্কৰদেৱ পৰকাশ॥...... |
| মায়া নৰ-তনু | ধৰি হৰি ভকতি | কয়লি বহু পৰচাৰ। |
| সব নৰ পাপ | পয়োধি মজ্জল | তাহে কয়লি উদ্ধাৰ॥ |
| অব নিশি চাৰি | বেদ বিচাৰি | বেকত কৰু হৰিনাম। |
| যাকেৰি বয়নে | মিলাই গাই | পাই মনোৰথ কাম॥ |
| পণ্ডিত মানী | বেদ বখানি | গৰৱ কয়লি চুৰ। |
| গীত কবিত্ব গুণ | শঙ্কৰদেৱৰ | কীৰিতি গয়ো বহুদুৰ॥ |
| শ্ৰীদশ দান | মান ভূত দায়া | সৱগুণ সম্পন্ন ঠিক। |
| ভকতক ভকতি | দানে কৰু গুৰু | দায়া তনয় অধিক॥ |
| হৰিক মূৰতি | সুকৃতি মনগমন | মঞ্জল আনন্দ-সিন্ধু। |
| ঐসন নিৰমল | হৃদয়ে বিকাশিত | ভকত-কুমুদ কুল-ইন্দু॥ |
| নিজ কুল তাৰি | ভকতি বিস্তাৰি | বান্ধল হৰিগুণ সেতু। |
| কলিযুগে পাপ | পয়োধি সব নৰ | তাৰণ কাৰণ হেতু॥ |
| ভকতি ভাণ্ডাৰ | বাৰসৱ ছোৰি | মুকুতি কয়লি উদাস। |
| এক শৰণ হৰি | নাম ধৰম কহো | ৰাজা কৰু পৰকাশ॥ |
| কি কহব শঙ্কৰ | দেৱৰ মহিমা | জানি অন্ত নপাই।"...... |

শ্ৰীশঙ্কৰদেৱৰ যহতে সকলোৱে আধ্যাত্মিক স্বাধীনতা আৰু সমতা লাভ কৰিলে; ঈশ্বৰ-ভক্তিত ব্ৰাহ্মণ-চণ্ডাল, জাতি-অজাতি, ভোট, গাৰো-মিকিৰ সকলো সমান। সেইদেখি "চণ্ডালো হৰিনাম লৱে মাত্ৰ। কৰিবে উচিত যজ্ঞৰ পাত্ৰ।" "কৃষ্ণৰ কথাত যিটো ৰসিক। ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক॥"

শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মই এহাতে যেনেকৈ হিন্দু-মুছলমান, ব্ৰাহ্মণ-শূদ্ৰ, জাতি-অজাতি আদি ওখ চাপৰ ভাব গুচাই সমাজত প্ৰীতি-সংস্থাপন কৰিছিল, আনহাতে তেনেকৈ পুৰণি বৃহৎ অসমক ভাষা আৰু ধৰ্ম্মৰ এডাল ডোলেৰে কট্‌কটীয়াকৈ বান্ধি থৈছিল। সত্ৰ অনুষ্ঠান স্বৰূপে উজনি, মাজ আৰু নামনিৰ ক্ৰমে কমলাবাৰী, বৰপেটা আৰু মধুপুৰ সত্ৰকে মুখ্য কৰি শদিয়াৰপৰা কোচবিহাৰলৈকে যি বৃহৎ ধৰ্ম্ম তৰুৰ শীতল ছাঁত আজি সকলো অসমীয়াই জিৰাইছোঁ, যি সামাজিক শৃঙ্খলা আৰু সুশাসন উপভোগ কৰিছোঁ, ই শ্ৰীশঙ্কৰদেৱৰ মোল দিবলৈ নোৱাৰা মহৎ দান; সমগ্ৰ ভাৰততে ইয়াৰ তুলনা বিচাৰি পাবলৈ বোধ কৰো টান হব। কিন্তু "কালস্য কুটিলা গতি।" আজি যদিও ভাগ্যৰ নিষ্ঠুৰ পৰিহাসে, অদৃষ্টৰ অদ্ভুত পৰিবৰ্ত্তনে, ৰাজনৈতিক আদি বাহ্যিক নানা কাৰণে ভাই-ভাই ঠাই-ঠাই কৰি ৰাখিছে, যদিও আজি শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, আৰু শ্ৰীদামোদৰদেৱ প্ৰভৃতি তিনি বৈষ্ণৱ-সূৰ্য্যৰ অস্তাচল আৰু শেষ লীলাভূমি কোচবিহাৰ অশেষ ধৰ্ম্মবীৰ-কৰ্ম্মবীৰ প্ৰসবিনী আসাম-মাতৃৰ বুকুত নাই অৰ্থাৎ আসাম-মাতৃৰ বুকু চিৰি কোচবিহাৰ ৰংপুৰ আদি ঠাই আঁতৰাই নিয়া হৈছে, তথাপি এইসকলৰ ভিতৰত এনেলোক সতকাই নোলাব যি শ্ৰীশঙ্কৰ-মাধৱ বা দামোদৰৰ নাম ললে,